Content includes AI-generated material

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

TUESDAY, MAY 20, 2025 ■ মঙলবাৰ, ৫ জেঠ, ১৯৪৭ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১৪২ Guwahati, Assam ।। মূল্যঃ এটকা

## কৰ্কট ৰোগত আক্ৰান্ত জ' বাইডেন

**ৱাশ্বিংটন, ১৯ মে':** কৰ্কট ৰোগত আক্ৰান্ত হৈছে প্ৰাক্তন মাৰ্কিন ৰাষ্ট্ৰপতি জ' বাইডেন। ইতিমধ্যে ৬ পৃষ্ঠাত চাওক

## ৫টা বিশেষ প্ৰশ্নৰ উত্তৰ ৰাইজক অৱগত কৰিবলৈ গৌৰৱক আহ্বান মুখ্যমন্ত্ৰী হিমন্তৰ, উত্তপ্ত ৰাজনীতি

## বাকযুদ্ধ তুংগত! অসমৰ ৰাজনীতিৰ চৰ্চিত বিষয় গৌৰৱ-হিমন্ত



**ই-সংবাদ বিশেষ, ১৯ মে':** যোৰহাট লোকসভাৰ সাংসদ গৌৰৱ গগৈ পাকিস্তানলৈ গৈছিল নে নাই সেই প্ৰশ্নই এতিয়া অসমৰ ৰাজনীতি ৫ নং পৃষ্ঠাত



পুনৰ দিল্লীৰ পৰা মুখ্যমন্ত্ৰী হিমন্ত বিশ্বক প্ৰত্যুত্তৰ সাংসদ গৌৰৱ গগৈৰ, নক'লে পাক ভ্ৰমণৰ কথা

## ভাৰতত বাঢ়িছে দেশদ্ৰোহী

## হাৰিয়ানাৰ পৰা আকৌ গ্ৰেপ্তাৰ হ'ল পাক-চোৰাংচোৱা

**নুহ, ১৯ মে':** পাকিস্তানৰ বাবে চোৰাংচোৱাগিৰি কৰাৰ অভিযোগত আন এজন ব্যক্তিক গ্ৰেপ্তাৰ কৰিছে নুহ আৰক্ষীয়ে। কেন্দ্ৰীয় ২ পৃষ্ঠাত



শংকৰজ্যোতিক পিন্ধালে হেণ্ডকাফ

## তেল ডিপ'ৰ লীজক লৈ কাজিয়া! ভাঙিবলৈ গৈ বিপদত আছু নেতা

# নামানে ক'ৰ্টৰ নিৰ্দেশ! শংকৰক পিন্ধালে হেণ্ডকাফ

■ **লীজ বাতিলৰ দাবীত আজি প্ৰতিবাদ ঘোষণা যুৱ-ছাত্ৰৰ, শংকৰজ্যোতি বৰুৱাক হেণ্ডকাফ নিপিন্ধাবলৈ নিৰ্দেশ চিএমৰ**

ই-সংবাদ, গুৱাহাটী-ডিব্ৰুগড়, ১৯মে': মুখ্যমন্ত্ৰীয়ে নোকোৱালৈকে সৰ্বোচ্চ ন্যায়ালয়ৰ নিৰ্দেশকো গুৰুত্ব নিদিয়ে অসম আৰক্ষীয়ে। প্ৰাক্তন আছু নেতা শংকৰজ্যোতি ৩ পৃষ্ঠাত

## টি-ট্ৰাইবৰ নামত প্ৰৱঞ্চনা

## ভুৱা প্ৰমাণ পত্ৰৰে চিকিৎসক হোৱাৰ সপোন একাংশৰ!

**ই-সংবাদ, ১৯ মে':** চাহ জনগোষ্ঠীৰ নামত জাতিগত প্ৰমাণ-পত্ৰ উলিয়াই চিকিৎসা বিজ্ঞানত নামভৰ্তি কৰিছে আন জাতিৰ ছাত্ৰ-ছাত্ৰীয়ে। ৭ পৃষ্ঠাত




## বৃটিছ সংসদত সন্মানিত অসম কন্যা বৰষা

**ই-সংবাদ, ১৯ মে':** আন এগৰাকী অসমীয়াই বিদেশৰ ভূমিত অসমীয়া জাতিক গৌৰৱান্বিত কৰিছে। অসম কন্যা বৰষা ৪ নং পৃষ্ঠাত

## বন্ধ বাণিজ্য! ভাৰতৰ সৈতে আলোচনাত আগ্ৰহ বাংলাদেশৰ

### দিল্লীৰ কঠোৰ সিদ্ধান্তৰ পিছতে থৰকাছুটি হেৰুৱাইছে ঢাকাই

**নতুন দিল্লী, ১৯ মে':** সীমান্ত বাণিজ্যৰ প্ৰতি নিষেধাজ্ঞাৰ মাজতে বাংলাদেশৰ অন্তৰ্বৰ্তীকালীন চৰকাৰে ভাৰতৰ সৈতে বাণিজ্য সম্পৰ্কীয় সকলো সমস্যা সমাধানৰ বাবে আগ্ৰহ প্ৰকাশ কৰিছে। ৪ নং পৃষ্ঠাত





## আইইজিএছটিৰ সংগ্ৰহত মুখ্যমন্ত্ৰী হিমন্তৰ গুৰুত্ব

**ই-সংবাদ, ১৯ মে':** জনতাৰ পৰা কৰ-কাটল সংগ্ৰহত অত্যধিক গুৰুত্ব দিয়া অসম চৰকাৰখনে অসমত সংহত পণ্য আৰু সেৱা ৬ পৃষ্ঠাত

## ১৫ জুনত দিব ৰিজাল্ট টেটক লৈ মুখ্যমন্ত্ৰীৰ নিশা বৃহৎ ঘোষণা

**ই-সংবাদ, ১৯ মে':** দীৰ্ঘদিনৰ মূৰকত কালি নিশা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ২ পৃষ্ঠাত

## 'সন্মান দিব নাজানে অসমৰ মুখ্যমন্ত্ৰীয়ে'

### গৌৰৱৰ পক্ষত ঝা

**নতুন দিল্লী, ১৯ মে':** কংগ্ৰেছ সাংসদ গৌৰৱ গগৈৰ পাকিস্তান সংযোগক লৈ মিডিয়া গৰম কৰি ৰাখিছে ৬ নং পৃষ্ঠাত

## গৃহৰাজ্যতে অপমানিত দেশৰ মুখ্য ন্যায়াধীশ!

### ৰাজহুৱাকৈ ব্যক্ত কৰিলে আক্ষেপ

**মুম্বাই, ১৯ মে':** দেশৰ মুখ্য ন্যায়াধীশৰ অনুষ্ঠানতে উপস্থিত নাথাকিল মুখ্য সচিব, ডিজিপি কিম্বা আৰক্ষী আয়ুক্ত! মুখ্য ন্যায়াধীশ হিচাপে প্ৰথমবাৰৰ ৫ নং পৃষ্ঠাত

## কৰ্ণেল কুৰেশ্বীক অপমান, এছআইটি গঠন ক'ৰ্টৰ

## খাৰিজ ক্ষমা আবেদন, মন্ত্ৰী বিজয় শ্বাহক ছুপ্ৰিম ধমক

**নতুন দিল্লী, ১৯ মে':** কৰ্ণেল ছোফিয়া কুৰেশ্বীক লৈ কৰা 'অপমানজনক' মন্তব্যৰ বাবে উচ্চতম ন্যায়ালয়ৰ তীব্ৰ সমালোচনাৰ সন্মুখীন হৈছে মধ্যপ্ৰদেশৰ মন্ত্ৰী বিজয় ২ নং পৃষ্ঠাত







## আকৌ বৈদ্যুতিক তিনিচকীয়া বাহনৰ সৰ্ববৃহৎ বজাৰত পৰিণত হ'ল ভাৰত

**নতুন দিল্লী, ১৯ মে':** একেৰাহে দ্বিতীয় বছৰৰ বাবে চীনক অতিক্ৰম কৰি বিশ্বৰ বৈদ্যুতিক তিনিচকীয়া বাহনৰ বজাৰত শীৰ্ষস্থান লাভ কৰিছে ভাৰতে। আন্তঃৰাষ্ট্ৰীয় শক্তি সংস্থাৰ (আইইএ) 'গ্ল'বেল ইভি আউটলুক



২০২৫' প্ৰতিবেদন অনুসৰি ভাৰতত ২০২৪ চনত বৈদ্যুতিক তিনিচকীয়া বাহনৰ বিক্ৰী ২০ শতাংশ বৃদ্ধি পাই ৭ লাখ ইউনিট হৈছে। আই ই এয়ে কয় যে বৈদ্যুতিক আৰু গতানুগতিক উভয় তিনিচকীয়া বাহনৰ মুঠ ৪ নং পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# খাৰিজ ক্ষমা আবেদন, মন্ত্ৰী বিজয় শ্বাহক

শ্বাহ। দেশৰ সৰ্বোচ্চ ন্যায়ালয়ে এতিয়া তেওঁৰ বিৰুদ্ধে ৰুজু হোৱা গোচৰৰ তদন্তৰ নিৰ্দেশ দিছে। ক্ষমা বিচৰা আৰু সকাহ বিচৰা সত্বেও উচ্চতম ন্যায়ালয়ে কয় যে অভিজ্ঞ জনপ্ৰতিনিধিৰ মুখৰ পৰা এনে মন্তব্য কেৱল "লজ্জাজনক" নহয়, "অক্ষমণীয়"ও। সোমবাৰে গোচৰৰ শুনানিৰ সময়ত ন্যায়াধীশ সূৰ্য কান্ত আৰু ন্যায়াধীশ এন কোটিশ্বৰ সিঙৰ বিভাগীয় বিচাৰপীঠে স্পষ্টভাৱে কয় যে আমি ক্ষমা নিবিচাৰো, আইনৰ দৃষ্টিত ন্যায় বিচাৰো। আদালতে তিৰস্কাৰ কৰি কয়, "আপুনি ঘঁৰিয়ালৰ চকুপানী টুকা বন্ধ কৰক। এগৰাকী সেনা বিষয়াৰ বিষয়ে এনে মন্তব্য দেশৰ সন্মানক অপমান কৰাৰ সমান। এয়া কোনোপধ্যেই গ্ৰহণযোগ্য নহয়।" উচ্চতম ন্যায়ালয়ে এই এফআইআৰৰ তদন্তৰ বাবে তিনিজনীয়া বিশেষ তদন্তকাৰী দল গঠনৰ নিৰ্দেশ দিছে। সংমণ্ডল বিচাৰপীঠে লগতে কয় যে সেই সমিতিত অন্ততঃ এগৰাকী মহিলা আই পি এছ বিষয়াক অন্তৰ্ভুক্ত কৰা উচিত। উল্লেখ্য যে পেহেলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰতিক্ৰিয়া স্বৰূপে যোৱা ৭ মে'ত ভাৰতীয় সেনাৰ 'অপাৰেচন সেন্দুৰ' অভিযানৰ নেতৃত্ব দিছিল কৰ্নেল ছোফিয়া কুৰেশ্বী আৰু উইং কমাণ্ডাৰ ব্যোমিকা সিঙে। সেই অভিযানৰ পিছতে সমগ্ৰ দেশজুৰি আৰম্ভ হৈছিল বীৰংগনাৰ জয়গান। কিন্তু ঠিক সেই মুহূৰ্ততে মধ্যপ্ৰদেশৰ বনমন্ত্ৰী কোঁৱৰ বিজয় শ্বাহে ছোফিয়া কুৰেশ্বীৰ নাম উল্লেখ নকৰাকৈয়ে বিতৰ্কিত মন্তব্য কৰে। এক ৰাজনৈতিক সমাৰেশত বিজয়ে কয়, "উগ্ৰবাদীয়ে আমাৰ হিন্দু ভাইসকলৰ কাপোৰ খুলি তেওঁলোকৰ ধৰ্মৰ ভিত্তিত হত্যা কৰিছে। এতিয়া মোদীজীয়ে তেওঁলোকৰ ভাষাত উত্তৰ দিবলৈ তেওঁলোকৰ ভগ্নীক পঠিয়াইছে। তেওঁলোকৰ সম্প্ৰদায়ৰ মহিলাগৰাকীক তেওঁলোকক শিক্ষা দিবলৈ পঠিওৱা হৈছে।" এই মন্তব্য ভাইৰেল হৈ পৰাৰ লগে লগে সমগ্ৰ দেশতে সৃষ্টি হয় তীব্ৰ প্ৰতিক্ৰিয়াৰ। কংগ্ৰেছকে ধৰি কেইবাটাও বিৰোধী দলে বিজয়ক শাস্তি প্ৰদানৰ দাবী জনায়। কংগ্ৰেছৰ অধ্যক্ষ মল্লিকাৰ্জুন খাৰ্গেয়ে প্ৰত্যক্ষভাৱে প্ৰধানমন্ত্ৰীক লক্ষ্য কৰি কয়, "আপোনালোকৰ মন্ত্ৰীসকলে সেনাৰ গৌৰৱক অপমান কৰিছে। এতিয়াই পদত্যাগ কৰক।" বিজয়ে অৱশ্যে দাবী কৰে যে তেওঁৰ বক্তব্যৰ ভুল ব্যাখ্যা কৰা হৈছে আৰু তেওঁ "প্ৰয়োজন হ'লে কৰ্নেল কুৰেশ্বীৰ ওচৰত ১০ বাৰ ক্ষমা খুজিবলৈ সাজু"। কিন্তু উচ্চতম ন্যায়ালয়ে ইয়াক মানি ল'বলৈ অস্বীকাৰ কৰে। বিচাৰকৰ কঠোৰ পৰ্যবেক্ষণ-- "এইখন ক্ষমাৰ ঠাই নহয়, এয়া আইনী শাস্তিৰ ঠাই।" ইফালে, মধ্যপ্ৰদেশৰ বিজেপিতো বিজয় শ্বাহক লৈ এইমুহূৰ্তত বৃদ্ধি পাইছে চাপ। দলৰ ভিতৰতে তেওঁৰ প্ৰতি অসন্তুষ্টি বাঢ়িছে। উচ্চতম ন্যায়ালয়ৰ কঠোৰ স্থিতিৰ পিছত তেওঁৰ ৰাজনৈতিক ভৱিষ্যতক লৈও প্ৰশ্ন উত্থাপন হ'বলৈ আৰম্ভ কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# টেটক লৈ মুখ্যমন্ত্ৰীৰ নিশা বৃহৎ ঘোষণা

ফেচবুক লাইভ আহে। ফেচবুক লাইভত আহি কেইবাটাও ঘোষণা কৰিছে। এডিআৰই আৰু টেট পৰীক্ষাৰ ফলাফল ঘোষণাক লৈ বিশেষ মন্তব্য প্ৰদান কৰিছে মুখ্যমন্ত্ৰীগৰাকীয়ে। মুখ্যমন্ত্ৰীয়ে পিজিটি আৰু জিটি পৰীক্ষাৰ ফলাফলৰ দিন ঘোষণা কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে ৫ জুনত প্ৰভিজনেল ৰিজাল্ট ঘোষণা কৰিব। প্ৰভিজনেল ৰিজাল্ট ঘোষণা হোৱাৰ পিছত প্ৰাৰ্থীসকলৰ ডকুমেণ্ট ভেৰিফিকেচন কৰা হ'ব। ডকুমেণ্ট ভেৰিফিকেচনৰ পিছতে যিসকলৰ নথি প্ৰকৃত সেইসকলক চূড়ান্তভাৱে পৰীক্ষাত উত্তীৰ্ণ হোৱা বুলি ঘোষণা কৰাৰ কথা উল্লেখ কৰিছে মুখ্যমন্ত্ৰী ড০ শৰ্মাই। লগতে ফেচবুক লাইভত মুখ্যমন্ত্ৰীয়ে এডিআৰইক লৈ ঘোষণা কৰে। এডিআৰই ২.০ ৰ মৌখিক পৰীক্ষা আৰু কম্পিউটাৰ, দক্ষতাৰ পৰীক্ষাৰ দিন ঘোষণা কৰে মুখ্যমন্ত্ৰীয়ে। তৃতীয় বৰ্গৰ পদৰ বাবে কম্পিউটাৰ পৰীক্ষা, চালক পদৰ বাবে পৰীক্ষা, ষ্টেনোগ্ৰাফাৰ পদৰ ব্যৱহাৰিক পৰীক্ষা আৰু ইলেক্ট্ৰিচিয়ান পদৰ দক্ষতা পৰীক্ষা ১৫ জুনৰ পৰা আৰম্ভ হ'ব বুলি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে। চতুৰ্থ বৰ্গৰ পৰীক্ষাত উত্তীৰ্ণ প্ৰাৰ্থীসকলৰ মৌখিক পৰীক্ষা ১৫ জুনৰ পৰা আৰম্ভ হ'ব। অসম চৰকাৰে সমূহ পৰীক্ষা এমাহৰ ভিতৰতে সমাপ্ত কৰাৰ লক্ষ্য লৈছে বুলি কয় মুখ্যমন্ত্ৰীয়ে। লগতে মুখ্যমন্ত্ৰী ড০ শৰ্মাই অসমৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বিশেষ ঘোষণা কৰিছে। মুখ্যমন্ত্ৰী জীৱন প্ৰেৰণা আঁচনি আৰু বিনামূলীয়া ভৰ্তিক লৈ বিশেষ ঘোষণা কৰিছে। মুখ্যমন্ত্ৰী জীৱন প্ৰেৰণা আঁচনি আৰু অৰ্হতাসম্পন্ন ছাত্ৰ-ছাত্ৰীৰ বাবে বিনামূলীয়া ভৰ্তি আঁচনি ঘোষণা কৰে। ২০২৪-২৫ শৈক্ষিক বৰ্ষত স্নাতক উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিমাহে ২,৫০০ আৰ্থিক সহায় লাভ কৰিব। এই আঁচনিৰ অনলাইন প'ৰ্টেল ১ জুনত মুকলি হ'ব আৰু এই সাহায্য এটা বছৰলৈ প্ৰদান কৰা হ'ব। বিপিএল কাৰ্ড পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীয়ে মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ত নামভৰ্তি বিনামূলীয়া হ'ব। বিপিএল কাৰ্ড নথকাসকলে আয়ৰ প্ৰমাণ-পত্ৰ দাখিল কৰিব লাগিব। এই ফেচবুক লাইভৰ পিছতে নিবনুৱাসকলে মুখ্যমন্ত্ৰী ধন্যবাদ যাচে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হাৰিয়ানাৰ পৰা আকৌ গ্ৰেপ্তাৰ হ'ল

চোৰাংচোৱা সংস্থাৰ সৈতে যৌথ অভিযানত গ্ৰেপ্তাৰ কৰা হৈছে স্থানীয় বাসিন্দা তথা স্বঘোষিত চিকিৎসক মহম্মদ তাৰিফক। ইয়াৰ পূৰ্বে ৰাজাকা গাঁৱৰ বাসিন্দা আৰমানৰো একে অভিযোগত মাত্ৰ দুদিন পূৰ্বে গ্ৰেপ্তাৰ কৰা হৈছিল। আৰক্ষীয়ে জনোৱা মতে, ধৃত মহম্মদ তাৰিফ নামৰ ব্যক্তিজন নুহ জিলাৰ কংগাৰকা গাঁৱৰ বাসিন্দা। তেওঁৰ বিৰুদ্ধে পাকিস্তানলৈ গোপন সামৰিক তথ্য সৰবৰাহ কৰাৰ অভিযোগ উত্থাপন হৈছে। তদন্তত প্ৰকাশ পাইছে যে তেওঁ পাকিস্তান উচ্চায়ুক্তৰ এজন কৰ্মচাৰীক ছিম কাৰ্ড ডেলিভাৰী কৰিছিল। আনকি আৰক্ষীয়ে দাবী কৰে যে তেওঁ নিজেই একাধিকবাৰ পাকিস্তান ভ্ৰমণ কৰিছে। তাৰিফৰ বিৰুদ্ধে সদৰ তৌৰু থানাত ৰুজু হৈছে এক গোচৰ। পাকিস্তান উচ্চায়ুক্তত কৰ্মৰত আছিফ বেলুচ আৰু জাফৰ নামৰ দুই পাকিস্তানী নাগৰিকৰ নামো এই গোচৰত সংযোজন কৰা হৈছে। বিএনএছৰ ১৫২ নং ধাৰা আৰু চৰকাৰী গোপনীয়তা আইনৰ ৩, ৪ আৰু ৫ নং ধাৰাত অভিযুক্তৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হৈছে। চোৰাংচোৱা সূত্ৰৰ মতে, তাৰিফে দীৰ্ঘদিন ধৰি পাকিস্তানলৈ গোপন সামৰিক তথ্য সৰবৰাহ কৰি আহিছিল। পাকিস্তানী নম্বৰৰ হোৱাটছএপত সেনা সম্পৰ্কীয় বিভিন্ন ছবি, ভিডিঅ', আৰু অন্যান্য তথ্য প্ৰেৰণ কৰা হৈছিল। আনকি তেওঁ সাধাৰণ মানুহক পাকিস্তানলৈ যাবলৈ ভিছা ল'বলৈও পৰামৰ্শ দিছিল। দেওবাৰে সন্ধিয়া বাওলা গাঁৱৰ সমীপত তাৰিফক গ্ৰেপ্তাৰ কৰে আৰক্ষীয়ে। আৰক্ষীৰ উপস্থিতি অনুভৱ কৰি তেওঁ মোবাইলৰ পৰা কিছুমান গোপন ছেট ডিলিট কৰিবলৈ চেষ্টা কৰে। অৱশ্যে আৰক্ষীয়ে তেওঁৰ পৰা দুটা মোবাইল ফোন জব্দ কৰে। সেই মোবাইল ফোনৰ অনুসন্ধান চলোৱাত একাধিক পাকিস্তানী নম্বৰ, সামৰিক সম্পৰ্কীয় ফটো, ভিডিঅ' আৰু ছেট হিষ্ট্ৰী লাভ কৰিবলৈ সক্ষম হয় আৰক্ষী। নুহৰ মুখ্য কাৰ্যালয়ৰ ডিএছপি হৰিন্দৰ কুমাৰে কয় যে ধৃত তাৰিফে দুখন ভিন্ন ছিম কাৰ্ডৰ জৰিয়তে পাকিস্তানী নম্বৰৰ সৈতে নিয়মীয়াকৈ সংস্পৰ্শত আছিল। ইতিমধ্যে আৰক্ষীয়ে অভিযুক্তক সাত দিনৰ জিম্মাত লৈ জেৰা চলাই আছে। লক্ষণীয় যে হাৰিয়ানাত সংঘটিত ধাৰাবাহিক চোৰাংচোৱাগিৰিৰ ঘটনাই সমগ্ৰ দেশতে ব্যাপক চিন্তাৰ সৃষ্টি কৰিছে। তদন্তত আশ্চৰ্যজনক তথ্য উন্মোচিত হৈছে। সতৰ্ক হৈ আছে নিৰাপত্তা সংস্থাৰ লগতে আন আন চোৰাংচোৱা সংস্থাসমূহ।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নামানে ক'ৰ্টৰ নিৰ্দেশ! শংকৰক পিন্ধালে

বৰুৱাক গ্ৰেপ্তাৰ কৰি আদালতলৈ নিয়া সময়তে আজি অসম আৰক্ষীৰ বিৰুদ্ধে পুনৰ উচ্চতম ন্যায়ালয়ৰ বিশেষ ৰায়দান আৰু মানৰ অধিকাৰ উলংঘাৰ অভিযোগ উত্থাপন হৈছে। ভাৰতীয় সংবিধানৰ ২১ নং অনুচ্ছেদ অনুসৰি উচ্চতম ন্যায়ালয়ে এক বিশেষ ৰায়যোগে কৈছে যে হেণ্ডকাফ লগোৱাটো সাংবিধানিক অধিকাৰ উলংঘা কৰা। অভিযুক্তক হেণ্ডকাফ লগোৱাৰ পূৰ্বে দণ্ডাধীশৰ অনুমতিৰ বিশেষ প্ৰয়োজন আছে। কিন্তু সামান্য এটি ডাবি-ধমকিৰ গোচৰত আছুৰ প্ৰাক্তন সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাক ডিব্ৰুগড়ৰ সদৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি আদালতলৈ লৈ যোৱাৰ সময়ত হেণ্ডকাফ লগাই নিয়াৰ দৃশ্য আজি পৰিলক্ষিত হয়। অসম আৰক্ষীৰ এই মানৱাধিকাৰ উলংঘা কাৰ্যৰ বিৰুদ্ধে ৰাজ্যজুৰি তুমুল প্ৰতিবাদ হৈছে আৰু সামাজিক মাধ্যমত আৰক্ষীৰ উচ্চপদস্থ বিষয়াৰ পৰা বিভিন্ন দায়িত্বশীল লোকে স্পষ্টীকৰণ দাবী কৰিছে। দুলীয়াজানৰ এটা তেল ডিপোত দুটা ফৈদৰ মাজত হোৱা বাক-বিতণ্ডা আৰু হতাহতিৰ সময়ত উপস্থিত থকা আছুৰ প্ৰাক্তন নেতাজনে এগৰাকী মহিলাৰ এজাহাৰৰ ওপৰত ভিত্তি কৰি আৰক্ষীয়ে প্ৰথমে ভাৰতীয় ন্যায় সংহিতাৰ কেইবাটাও গোচৰৰ ধাৰা সন্নিবিষ্ট কৰি পৰৱৰ্তী সময়ত গ্ৰেপ্তাৰ কৰে। শংকৰজ্যোতি বৰুৱাৰ অধিবক্তাই জানিবলৈ দিয়া মতে সাধাৰণ ডাবি-ধমকিৰ গোচৰতো আৰক্ষীয়ে সাম্প্ৰদায়িক মন্তব্য কৰা বুলি অভিযোগ কৰা বুলি কেইবাটাও গুৰুত্বপূৰ্ণ ধাৰা জাপি দিছে। সাধাৰণতে অভ্যাসগত অপৰাধী ধৰ্ষণ, হত্যা আৰু সন্ত্ৰাসবাদৰ লগত জড়িত লোকসকলে আৰক্ষীৰ জিম্মাৰ পৰা পলাই যাবলৈ অপচেষ্টা কৰা মানসিকতা থকা ব্যক্তিৰ ক্ষেত্ৰত হেণ্ডকাফ লগোৱা হয়। কিন্তু শংকৰজ্যোতি বৰুৱাৰ হাতত হেণ্ডকাফ লগাই ৰাজহুৱাভাৱে এজন দাগী অপৰাধীৰ দৰে ঘূৰাই ফুৰোৱা কথাটো এতিয়া ব্যাপক চৰ্চালৈ আহিছে। আছুৰ প্ৰাক্তন সভাপতি তথা অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে সামাজিক মাধ্যমত দিয়া এক মন্তব্যৰ জৰিয়তে এই ঘটনাৰ তীব্ৰ প্ৰতিবাদ কৰিছে আৰু আৰক্ষীক ইয়াৰ জবাব বিচাৰিছে। জ্যেষ্ঠ সাংবাদিক মনোজ গোস্বামীকে ধৰি কেইবাজনো সম্পাদক, সাহিত্যিকে শংকৰজ্যোতি বৰুৱাৰ ক্ষেত্ৰত হোৱা মানৱ অধিকাৰ উলংঘনৰ ঘটনাৰ প্ৰতিবাদ কৰিছে। অসম প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰাই সামাজিক মাধ্যমত দিয়া এটা পোষ্টত শংকৰজ্যোতি বৰুৱাৰ ক্ষেত্ৰত আৰক্ষীয়ে দেখুওৱা আচৰণ অমানৱীয় আৰু উচ্চতম ন্যায়ালয়ৰ ৰায়দানৰ বিৰোধী বুলি উল্লেখ কৰিছে। ইফালে, এই প্ৰতিক্ৰিয়াৰ পিছতে গৃহ বিভাগৰ দায়িত্বত থকা মুখ্যমন্ত্ৰীয়ে শংকৰজ্যোতি বৰুৱাক হেণ্ডকাফ নলগাবলৈ অসম আৰক্ষীক নিৰ্দেশ দিয়ে। উক্ত নিৰ্দেশৰ পিছতে একাংশ লোকে মুখ্যমন্ত্ৰীয়ে নোকোৱালৈকে অসম আৰক্ষীয়ে উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশকো কেৰেপ নকৰে বুলি ছ'চিয়েল মিডিয়াত প্ৰতিক্ৰিয়া ব্যক্ত কৰা দেখা গৈছে। উল্লেখ্য যে শংকৰজ্যোতি বৰুৱাৰ একাংশ সতীৰ্থই এই সমগ্ৰ ঘটনাটো শাসকীয় দলৰ স্ব-সৃষ্ট এক নাটক বুলি অভিযোগ কৰিছে। শংকৰজ্যোতি বৰুৱাৰ ৰাজনৈতিক প্ৰতিদ্বন্দ্বীয়ে এনেধৰণেৰে বৰুৱাক মানসিকভাৱে হাৰাশাস্তি কৰা বুলি তেওঁলোকে দাবী কৰিছে। সামাজিক মাধ্যমৰ পোষ্টত বিশিষ্ট চিন্তাবিদ ময়ূৰ বৰা, নৱনীল বৰুৱা, সাংবাদিক ললিত গগৈ, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ সভাপতি পলাশ চাংমায়ে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থা ডিব্ৰুগৰ জিলাৰ সভাপতি ৰূপম কোচেও উক্ত কাৰ্যৰ তীব্ৰ বিৰোধিতা কৰিছে। ইফালে দেওবাৰে নিশা সোধা-পোছাৰ বাবে আটক কৰাৰ অন্তত আৰক্ষীয়ে আজি গ্ৰেপ্তাৰ কৰি আদালতত হাজিৰ কৰে। আৰক্ষীয়ে শংকৰজ্যোতি বৰৱাক তিনি দিনৰ জিম্মাত বিচাৰিছিল যদিও আৰক্ষীৰ জিম্মাত দিবলৈ সন্মত নহৈ ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে আদালতে। উল্লেখ্য যে শনিবাৰে দুলীয়াজান আৰক্ষী থানাত সমীপৰ বি এন সিং পেট্ৰ'ল পাম্পত দুটা ফৈদৰ মাজত সংঘটিত হৈছিল প্ৰচণ্ড মাৰপিট। এই ঘটনাত পেট্ৰ'ল পাম্পটোৰ কৰ্মচাৰী তানু চাহি, নৰজিৎ চাহি, ৰাজ সিং আৰু অজয় যাদৱ আহত হয়। দুলীয়াজানৰ মাজমজিয়াৰ অইলৰ মাটিত থকা এটা পেট্ৰ'ল পাম্পক কেন্দ্ৰ কৰি দুটা বহিৰাগত ফৈদৰ মাজত হোৱা ব্যৱসায়কেন্দ্ৰিক সংঘাতে গুৰুতৰ ৰূপ ধাৰণ কৰে। এই ঘটনাত সাঙোৰ খাইছিল আছুৰ প্ৰাক্তন সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাৰ নাম। শংকৰজ্যোতিয়ে লগে লগে মাৰপিটৰ ঘটনাত জড়িত নহয় আৰু তেওঁ পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা কৰিছিল বুলি কয় যদিও ভুক্তভোগীয়ে ঘটনা সন্দৰ্ভত দুলীয়াজান আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰে। উক্ত এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে থানাত ৮৯/২৫ নম্বৰৰ গোচৰ ৰুজু কৰি পেট্ৰ'ল পাম্পটো আৰক্ষীয়ে বন্ধ কৰি ৰাখে। নিশাই শংকৰজ্যোতিৰ লগতে কেইবাজনো যুৱকক আটক কৰি পিছত গ্ৰেপ্তাৰ কৰে। শংকৰৰ বিৰুদ্ধে ৰুজু ৯০/২০২৫ গোচৰত জামিন লাভ কৰিলেও দুলীয়াজান থানাত ৰুজু ৮৯/২০২৫ নম্বৰৰ দ্বিতীয় গোচৰত আৰক্ষীয়ে পুনৰ গ্ৰেপ্তাৰ কৰে। জানিব পৰা মতে, দুলীয়াজান আৰক্ষী থানাৰ গাতে লাগি থকা নয়ডাৰ বি এন সিং মালিকানাধীন ইণ্ডিয়ান অইলৰ পেট্ৰ'ল পাম্পটো দীৰ্ঘদিন ধৰি ৰীতেশ সিং নামৰ এজন লোকে লীজত লৈ চলাই আছিল। অভিযোগ অনুসৰি পেট্ৰ'ল পাম্পটোৰ স্বত্বাধিকাৰীয়ে কেইদিনমান পূৰ্বে হঠাতে জনৈক চাহি নামৰ এজন যুৱকক পেট্ৰ'ল পাম্পটো চলাবলৈ দিয়াতেই সংঘাতৰ সূত্ৰপাত ঘটে। পৰিণতিত শনিবাৰে পেট্ৰ'ল পাম্পত ৰীতেশ আৰু চাহিৰ সমৰ্থনত একাংশ যুৱক উপস্থিত হৈ পৰিস্থিতি উত্তপ্ত কৰি তোলাৰ লগতে হতাহতি পৰ্যন্ত হয়। অৱশ্যে দুলীয়াজান আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণলৈ আনিবলৈ সক্ষম হয়। আৰক্ষী সূত্ৰৰ পৰা জানিব পৰা মতে, স্বত্বাধিকাৰীয়ে ৰীতেশ সিঙৰ বিৰুদ্ধে বিত্তীয় লেনদেনৰ অভিযোগ তুলি চাহি নামৰ যুৱকজনক ডিপোটো চলাবলৈ দিছিল। আনহাতে বিত্তীয় লেনদেনত হোৱা খেলিমেলিৰ বাবে ৰীতেশ সিঙে স্বত্বাধিকাৰীক মূল্যৱান সম্পত্তি চমজাই দি থৈছে। ৰীতেশ সিঙক ডিপটো চলাবৰ বাবে ২০২৭ চনলৈকে থকা লীজৰ কাগজো প্ৰদৰ্শন কৰিছে। ইতিমধ্যে ৰীতেশ সিঙে এই সন্দৰ্ভত আদালতত গোচৰ তৰা বুলিও আৰক্ষী সূত্ৰত প্ৰকাশ। শংকৰজ্যোতি বৰুৱাৰ গ্ৰেপ্তাৰৰ পিছতে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ ডিব্ৰুগড় জিলা সমিতি তৎপৰ হৈছে। কাইলৈ অইলে পূৰ্বে লীজত দিয়া মাটিৰ চুক্তি বাতিল কৰাৰ দাবীত প্ৰতিবাদী কাৰ্যসূচী ঘোষণা কৰিছে সংগঠনটোৱে। পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ দ্বাৰা ঘোষিত ডিব্ৰুগড়, তিনিচুকীয়া আৰু চৰাইদেউ জিলা সমিতিৰ উদ্যোগত কাইলৈ অইলৰ মুখ্য কাৰ্যালয়ত ধৰ্ণা কাৰ্যসূচী ৰূপায়ন কৰিব। অইল ইণ্ডিয়া লিমিটেডে বিএন সিঙক তেল ডিপোৰ বাবে দি মাটি লীজত দিব পাৰে তেন্তে অসমৰ যুৱকক কিয় দিব নোৱাৰিব বুলি হুংকাৰ প্ৰদান কৰিছে। আনহাতে বিএন সিঙক তেল ডিপোৰ পূৰ্বৰ লীজ বাতিল কৰি অইল অন্বেষণ স্থলী হিচাপে চিহ্নিত হোৱা ডিব্ৰুগড়, তিনিচুকীয়া আৰু চৰাইদেউ জিলাত অনাঅসমীয়াক লীজত দিয়া মাটিৰ চুক্তি বাতিল কৰি থলুৱাক অধিকাৰ প্ৰদান কৰাৰ দাবী জনাইছে জাতীয়তাবাদী সংগঠনটোৱে।

# নগাঁৱত বুজন পৰিমাণৰ নিষিদ্ধ ড্ৰাগছসহ জালত মন্নাছ

**ই-সংবাদ, বেবেজীয়া, ১৯ মে':** নগাঁও জিলাত যেন এতিয়া আৰক্ষীলৈ কেৰেপ নকৰে ড্ৰাগছ সৰবৰাহকাৰী চক্ৰই । বিশেষকৈ জিলাখনৰ উত্তৰ-পশ্চিম প্ৰান্তৰ গ্ৰামাঞ্চলবোৰ এই চক্ৰটোৱে তেনে দুষ্কাৰ্যৰ একপ্ৰকাৰে ঘাটিলৈহে ৰূপান্তৰিত কৰিছে। কিয়নো, উক্ত গ্ৰামাঞ্চলবোৰত বিগত সময়ছোৱাত নিয়মিতভাৱে আৰক্ষীয়ে অভিযান চলাই ড্ৰাগছসহ ইটোৰ পিছত সিটো সৰবৰাহকাৰী আটক কৰি আহিছে যদিও ড্ৰাগছৰ সৰবৰাহহে বন্ধ হোৱা নাই। ইয়াৰ মাজতে পুনৰ জিলাখনৰ উত্তৰ-পশ্চিম প্ৰান্তত আৰক্ষীৰ জালত পৰে এটা কুখ্যাত ড্ৰাগছ সৰবৰাহকাৰী। প্ৰাপ্ত খবৰ মতে, ধিং থানাৰ এটা আৰক্ষীৰ দলে এক গোপন সূত্ৰৰ আঁত ধৰি নিজ ধিং অঞ্চলত অভিযান চলাই সৰবৰাহকাৰীটোক কৰায়ত্ত কৰে। ধৃত সৰবৰাহকাৰীটো হৈছে মন্নাছ আলী। লগতে আৰক্ষীয়ে সৰবৰাহকাৰীটোৰ পৰা ৩৬ টা কন্টেইনাৰত থকা ১০.৮৩ গ্ৰাম ড্ৰাগছ জব্দ কৰিবলৈ সক্ষম হয়। ধৃত সৰবৰাহকাৰী মন্নাছ আলীয়ে আৰক্ষীৰ চকুত ধূলি দি দীৰ্ঘদিনৰে পৰা ড্ৰাগছৰ বেহা চলাই আহিছিল বুলি জানিব পৰা গৈছে। এই কুখ্যাত ড্ৰাগছ সৰবৰাহকাৰীটো ধৰা পৰাত স্থানীয় লোকসকলে সন্তুষ্টি ব্যক্ত কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বন্ধ বাণিজ্য! ভাৰতৰ সৈতে আলোচনাত

অন্তৰ্বৰ্তীকালীন চৰকাৰৰ বাণিজ্য উপদেষ্টা শ্বেইখ বছিৰুদ্দিনে কয় যে ঢাকা প্ৰশাসনে শান্তিপূৰ্ণ আলোচনাৰ জৰিয়তে দ্বিপাক্ষিক সমস্যা সমাধান কৰিব বিচাৰে। তেওঁ কয়, "এতিয়াও ভাৰতৰ পৰা আমি কোনো আনুষ্ঠানিক বাৰ্তা পোৱা নাই। অৱশ্যে যদি কোনো সমস্যা হয় তেন্তে আলোচনাৰ জৰিয়তে সমাধান কৰিব লাগে।" উল্লেখ্য যে শেহতীয়াকৈ ভাৰতে স্থলবন্দৰৰ জৰিয়তে বাংলাদেশৰ বহুকেইটা ৰপ্তানি সামগ্ৰীৰ প্ৰৱেশ নিষিদ্ধ কৰিছে। যাৰ ভিতৰত আছে ৰেডিমেড কাপোৰ, ফলমূল আৰু ফলৰ সোৱাদযুক্ত কাৰ্বনেটেড পানীয়, বেকাৰীৰ সামগ্ৰী, জলপান, চিপছ, মিঠাই, কপাহ আৰু কপাহৰ আৱৰ্জনা, পিভিচি আৰু প্লাষ্টিকৰ সামগ্ৰী, কাঠৰ আচবাব আদি। এতিয়াৰ পৰা সেই সামগ্ৰীসমূহ কেৱল সাগৰীয় বন্দৰৰ মাজেৰেহে প্ৰৱেশ কৰিব পাৰিব। এই সিদ্ধান্তক লৈ বাংলাদেশে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। শ্বেইখ বছিৰুদ্দিনে কয়, "আমি ছ'চিয়েল মিডিয়া আৰু প্ৰেছৰ জৰিয়তে জানিব পাৰিছো যে ভাৰতে আখৌৰা, ডাউকিকে ধৰি কিছুমান স্থল বন্দৰত বাধা আৰোপ কৰিছে। আমাৰ মূল লক্ষ্য হৈছে প্ৰতিযোগিতামূলক বজাৰ সৃষ্টি কৰা, যিটো দুয়োখন দেশৰ বাবে উপকাৰী।" মন কৰিবলগীয়া যে কিছুদিন পূৰ্বে বাংলাদেশে স্থলপথেৰে ভাৰতীয় সূতা আমদানি কৰাত নিষেধাজ্ঞা আৰোপ কৰিছিল। একে সময়তে ভাৰতে তৃতীয় দেশলৈ ৰপ্তানিৰ বাবে বাংলাদেশৰ বাবে ট্ৰেন্সশ্বিপমেণ্টৰ সুবিধাও বাতিল কৰিছিল। ফলত দুয়োখন দেশে বাণিজ্যৰ প্ৰতিকাৰৰ ব্যৱস্থা গ্ৰহণ কৰিছে। বাণিজ্য উপদেষ্টাগৰাকীয়ে মন্তব্য কৰে, "ভাৰত বস্ত্ৰ উদ্যোগৰ স্বাৱলম্বী দেশ। ইয়াৰ পিছতো আমি সক্ষম হোৱাৰ বাবেই বাংলাদেশৰ পৰা কাপোৰ ৰপ্তানি কৰা হয়। আমি নিজেই বিকল্প পথ বিচাৰি পাইছো। ট্ৰেন্সশ্বিপমেণ্টৰ সুবিধা বন্ধ কৰি দিয়া হৈছে যদিও আমাৰ বাবে ই কোনো সমস্যা হোৱা নাই।" বছিৰুদ্দিনে কয় যে যিহেতু ভাৰত আৰু বাংলাদেশ ভৌগোলিকভাৱে সংযুক্ত, সেয়েহে প্ৰতিযোগিতা, পৰিবহণ খৰচ আৰু অন্যান্য বিষয়বোৰ ঠিক হৈ আছে। তেওঁ কয়, "দুয়োখন দেশেই কেতিয়াবা কৃষিজাত সামগ্ৰীৰ আমদানিত বাধা আৰোপ কৰে। এইটো বাণিজ্য চলোৱাৰ অংশ। যদি কোনো সমস্যাৰ সৃষ্টি হয় তেন্তে আলোচনাৰ জৰিয়তে সমাধান কৰাটো ভাল।" তেওঁ লগতে কয়, "মই মুক্ত বাণিজ্যত বিশ্বাস কৰোঁ। দেশৰ ব্যৱসায়ী আৰু গ্ৰাহকক শক্তিশালী কৰাৰ বাবে বাণিজ্যৰ বাহিৰে আন কোনো উপায় দেখা নাই।" ভাৰতৰ বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয়ে শনিবাৰে ঘোষণা কৰে যে বৈদেশিক বাণিজ্য সঞ্চালকালয়ৰ নিৰ্দেশনা অনুসৰি বাংলাদেশৰ পৰা স্থলপথেৰে অহা কেইবাটাও সামগ্ৰীৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। গ্ল'বেল ট্ৰেড ৰিছাৰ্চ ইনিচিয়েটিভ (জিটিআৰআই) ৰ এক প্ৰতিবেদন অনুসৰি ভাৰতৰ এই সিদ্ধান্তই প্ৰায় ৭৭ কোটি ডলাৰৰ সামগ্ৰীৰ ওপৰত প্ৰভাৱ পেলাব, যিটো মুঠ দ্বিপাক্ষিক আমদানিৰ ৪২ শতাংশ। অন্যহাতে, এতিয়াৰ পৰা সকলো ধৰণৰ ৰেডিমেড কাপোৰ কেৱল ন'ভা শ্বেভা আৰু কলকাতা সাগৰীয় বন্দৰৰ জৰিয়তেহে আমদানি কৰিব পাৰিব। স্থলবন্দৰৰ মাজেৰে প্ৰৱেশ কৰিব নোৱাৰিব। এই সিদ্ধান্ত বাংলাদেশে সূতা আৰু চাউলকে ধৰি কেইবাটাও ভাৰতীয় সামগ্ৰীৰ ওপৰত নিষেধাজ্ঞা আৰু ট্ৰেনজিট মাচুল আৰোপ কৰাৰ প্ৰত্যুত্তৰ বুলি ধাৰণা কৰা হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বৃটিছ সংসদত সন্মানিত অসম কন্যা বৰষা

বৰঠাকুৰক ব্ৰিটেইনত বিশেষ স্বীকৃতি প্ৰদান কৰা হৈছে। বৰ্তমান যুক্তৰাজ্যত বসবাস কৰি থকা শিক্ষাবিদ আৰু আইনী বিশ্লেষক বৰষা বৰঠাকুৰক আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত আগবঢ়োৱা বিশেষ অৱদানৰ স্বীকৃতি প্ৰদান কৰা হৈছে। ব্ৰিটিছ সংসদৰ ৱেষ্টমিনিষ্টাৰ প্ৰাংগণত বিশেষভাৱে সন্মানিত কৰা হৈছে। শিক্ষা, গৱেষণা, জলবায়ু পৰিৱৰ্তন, আন্তঃৰাষ্ট্ৰীয় প্ৰশাসন আৰু নীতি নিৰ্মাণৰ ক্ষেত্ৰত তেওঁৰ গুৰুত্বপূৰ্ণ অৱদানৰ বাবে বৰঠাকুৰে 'এচিভাৰ্ছ অনাৰ্ছ' নামৰ প্ৰতিষ্ঠিত সন্মান লাভ কৰে। এই গৌৰৱজনক স্বীকৃতি ব্ৰিটিছ কাউন্সিল, যুক্তৰাজ্য চৰকাৰৰ বাণিজ্য আৰু উদ্যোগ বিভাগ, ৰাইডাৰ ইউকে হায়াৰ ইডুকেচন আৰু ইউনিভাৰ্ছিটিজ ইউকে ইন্টাৰনেচনেলে প্ৰদান কৰে। এই সংস্থা কেইটাৰ যৌথ উদ্যোগত অনুষ্ঠিত বিশেষ অনুষ্ঠানত বিশ্বৰ কেইবাগৰাকী খ্যাতিসম্পন্ন গৱেষক আৰু পণ্ডিতৰ উপস্থিতিত বৰঠাকুৰক 'এচিভাৰ্ছ অনাৰ্ছ' প্ৰদান কৰা হয়। আসামৰ ৰিজিঅ'নেল জিঅ' ছায়েন্স লেব'ৰেটৰীৰ মুখ্য মহাব্যৱস্থাপক ড০ জ্যোতি বৰঠাকুৰ আৰু প্ৰসিদ্ধ নিৰ্মাণ অভিযন্তা সঞ্জীৱ বৰঠাকুৰৰ কন্যা বৰষাই অসমত স্কুল-কলেজীয়া শিক্ষা গ্ৰহণ কৰিছিল। অসমৰ নেচনেল ল' ইউনিভাৰ্ছিটি এণ্ড জুডিচিয়েল একাডেমীৰ পৰা আইন শাখাত স্নাতক আৰু তাৰপিছত যোধপুৰৰ নেচনেল ল ইউনিভাৰ্ছিটিৰ পৰা এলএলএমত স্বৰ্ণপদকসহ প্ৰথম স্থান লাভ কৰিছিল। উচ্চ শিক্ষাৰ পিছত লণ্ডনৰ কুইন মেৰি ইউনিভাৰ্ছিটিত গৱেষণা সম্পূৰ্ণ কৰি বৰ্তমানে তেওঁ ছাউথহেম্পটন ইউনিভাৰ্ছিটিত স্থায়ী পদত নিযুক্তি লাভ কৰি কৰ্মৰত। ৱেষ্টমিনিষ্টাৰ ইউনিভাৰ্ছিটিসহ যুক্তৰাজ্যৰ একাধিক প্ৰতিষ্ঠানত অতিথি অধ্যাপক হিচাপে পাঠদান কৰি গৈছে। বিশ্বজুৰি খ্যাতি থকা সংস্থাই অসমৰ এগৰাকী কন্যাৰ কৰ্মৰ প্ৰতি স্বীকৃতি প্ৰদান কৰাটো অসমৰ বাবে এক গৌৰৱজনক কথা। অসমৰ যুৱ প্ৰতিভাৰ প্ৰতি আন্তঃৰাষ্ট্ৰীয় স্বীকৃতি। মুঠতে অসম কন্যাৰ স্বীকৃতি অসমবাসীৰ বাবে গৌৰৱৰ বতৰা।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আকৌ বৈদ্যুতিক তিনিচকীয়া বাহনৰ

বিক্ৰীৰ ৯০ শতাংশতকৈ অধিক ভাৰত আৰু চীনৰ। কিন্তু চীনত বিগত তিনি বছৰ ধৰি বৈদ্যুতিক তিনিচকীয়া বাহনৰ ব্যৱহাৰ ১৫ শতাংশৰ তলত সুস্থিৰ হৈ আছে। এনে পৰিস্থিতিত ভাৰতে চীনক অতিক্ৰম কৰি ২০২৩ চনত শীৰ্ষ দেশ হিচাপে পৰিগণিত হৈছিল আৰু ২০২৪ চনত সেই স্থান অক্ষুণ্ণ ৰাখে। চৰকাৰৰ নতুন 'পি এম ই-ড্ৰাইভ' আঁচনিখনে এই বৃদ্ধি ত্বৰান্বিত কৰিছে। এই প্ৰকল্পৰ অধীনত কেৱল ২০২৪ চনত ৩ লাখৰো অধিক বাণিজ্যিক বৈদ্যুতিক তিনিচকীয়া বাহন মুকলি কৰা হৈছে। ভাৰত, চীন আৰু দক্ষিণ-পূৱ এছিয়াৰ দেশসমূহে দুচকীয়া আৰু তিনিচকীয়া বৈদ্যুতিক বাহনৰ বজাৰত আগবাঢ়ি আছে। এই অঞ্চলৰ দেশসমূহে একেলগে ২০২৪ চনত বিশ্বৰ বিক্ৰীৰ ৮০ শতাংশতকৈ অধিক লাভ কৰিছিল। ভাৰতত ২০২৪ চনত বৈদ্যুতিক দুচকীয়া বাহনৰ বিক্ৰী ১৩ লাখ হয় আৰু চাৰিটা ডাঙৰ কোম্পানীয়ে একেলগে ৮০ শতাংশ শ্বেয়াৰ নিয়ন্ত্ৰণ কৰে। প্ৰডাকচন কোম্পানীৰ সংখ্যা ১৮০ৰ পৰা ২২০লৈ বৃদ্ধি পাইছে। প্ৰতিযোগিতা বৃদ্ধিৰ বাবে বহু কোম্পানীয়ে কম দামত মডেল প্ৰৱৰ্তন কৰিছে। নতুন নীতিয়ে মূল্য আৰু সুবিধাৰ মাজৰ ব্যৱধান কমাইছে। ২০২৬ চনৰ মাৰ্চ মাহলৈকে চলিব লগা পিএম ই-ড্ৰাইভ আঁচনিৰ জৰিয়তে ২৫ লাখ বৈদ্যুতিক দুচকীয়া বাহন পথত নমোৱাৰ লক্ষ্য লোৱা হৈছে। ইফালে ২০২৪ চনত ভাৰতত বৈদ্যুতিক বাহনৰ বিক্ৰী বিশেষ বৃদ্ধি হোৱা নাছিল, মাত্ৰ ২ শতাংশ বৃদ্ধি পাই এক লাখ ইউনিট হৈছিল। কিন্তু ২০২৫ চনৰ প্ৰথম তিনিমাহত বিক্ৰী ৪৫ শতাংশ বৃদ্ধিৰ ইংগিত দিছে, বিক্ৰী ৩৫ হাজাৰৰ কাষ চাপিছে। আমদানি শুল্ক অধিক আৰু স্থানীয়ভাৱে উৎপাদিত মডেলৰ সস্তীয়া হোৱাৰ বাবে দেশখনত চীনৰ আমদানিকৃত গাড়ীৰ অংশ ১৫ শতাংশৰ তলত আছে। এম জি কমেট ইভি হৈছে ভাৰতৰ সস্তীয়া ইলেক্ট্ৰিক গাড়ী, যাৰ মূল্য ৮ হাজাৰ ডলাৰতকৈও কম। দেশৰ সকলো বিইভি মডেলৰ মূল্য ২০ হাজাৰ ডলাৰৰ তলত, আনহাতে চীনৰ আমদানিকৃত গাড়ীৰ দাম ইয়াৰ দুগুণ হয়। ইয়াৰ উপৰি দেশত বৈদ্যুতিক বাছৰ ব্যৱহাৰো দ্ৰুতগতিত বৃদ্ধি পাইছে। ২০২০ চনত এই সংখ্যা ৩,০০০ৰ তলত আছিল যদিও ২০২৪ চনৰ শেষলৈকে এই সংখ্যা ১১,৫০০ ৰো অধিক হোৱা পৰিলক্ষিত হয়।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বাকযুদ্ধ তুংগত! অসমৰ ৰাজনীতিৰ চৰ্চিত

গৰম কৰি ৰাখিছে। বিগত দুদিন ধৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু কংগ্ৰেছ দলৰ সাংসদ গৌৰৱ গগৈয়ে সংবাদমেলৰ জৰিয়তে ইজনে-সিজনক দোষাৰোপ কৰি আছে। সাংসদ গৌৰৱ গগৈয়ে নতুন দিল্লীত আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পদত্যাগৰ প্ৰাসংগিকতা উত্থাপন কৰি কয় যে তেওঁ পদত্যাগ কৰিম বুলি কোৱা কথাৰ অসমত কোনো মূল্য নাই। ২০০৯ চনত লোকসভা নিৰ্বাচনত মঙলদৈ লোকসভা সমষ্টিৰ সাংসদ মাধৱ ৰাজবংশী পৰাজিত হ'লে হিমন্ত বিশ্ব শৰ্মাই পদত্যাগ কৰিব বুলি কৈছিল যদিও তেওঁ পদত্যাগ নকৰিলে। পদত্যাগ শব্দটোক লৈ তেওঁলোকে সস্তীয়া ৰাজনীতি কৰে বুলি উল্লেখ কৰি সাংসদজনে কয় যে তেওঁৰ এজন ঘনিষ্ঠ মন্ত্ৰীয়ে যোৰহাট লোকসভা সমষ্টিত কংগ্ৰেছ দলৰ প্ৰাৰ্থী জয়ী হ'লে পদত্যাগ কৰিব বুলি কৈছিল, কিন্তু নকৰিলে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মায়ো প্ৰায়ে পদত্যাগৰ ভাবুকি দি থাকি অসমৰ ৰাইজক প্ৰতাৰণা কৰি আহিছে বুলি সাংসদজনে নতুন দিল্লীত সংবাদমেলত অভিযোগ কৰে। সাংসদজনে আজি তেওঁ পূৰ্বতে পাকিস্তানক সমালোচনা কৰি কৰা মন্তব্যৰ নিউজ ক্লিপিঙো সাংবাদিকৰ আগত প্ৰদৰ্শন কৰে। সাংসদজনে পাকিস্তানলৈ তেওঁ গৈছিল নে নাই সেই কথা স্পষ্ট নকৰাকৈ তেওঁ উল্লেখ কৰে যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই তেওঁক পাকিস্তানৰ এজেণ্ট সজাবলৈ যোৱাৰ বিপৰীতে তেওঁ পাকিস্তানৰ বিৰুদ্ধেহে বিভিন্ন সময়ত সৰৱ ভূমিকা পালন কৰি আহিছে। সাংসদজনে কয়, ভাৰত চৰকাৰে গম নোপোৱাকৈ তেওঁ পাকিস্তানলৈ কেনেকৈ যাব পাৰে আৰু পাকিস্তানৰ সৈতে সহযোগিতা কৰি কেনেকৈ তেওঁ সংসদত ডেপুটি লীডাৰ হৈ থাকিব পাৰে? সাংসদ গৌৰৱ গগৈৰ এই মন্তব্যৰ পিছতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে আমি প্ৰমাণ দিয়াৰ কোনো প্ৰয়োজন নাই। সাংসদ গৌৰৱ গগৈয়ে ৫ টা কথা সাংবাদিকক জনাই দিলেই হ'ল। প্ৰথম কথা, তেওঁ পাকিস্তানলৈ গৈছিল নে নাই? দ্বিতীয় কথা, তেওঁৰ সন্তানদ্বয় ব্ৰিটিছ নাগৰিকত্ব লোৱাটো হয় নে নহয়? তৃতীয় কথা, সাংসদ গৌৰৱ গগৈৰ পত্নীয়ে পাকিস্তানৰ পৰা দৰমহা লোৱাটো হয় নে নহয়? হিমন্ত বিশ্ব শৰ্মাই এইবুলিও কয় যে পাকিস্তানত গৌৰৱ গগৈ ১৫ দিন থকাটো সঁচা নে মিছা? তেওঁ পাকিস্তান চৰকাৰৰ সা-সুবিধা গ্ৰহণ কৰিছিল নে নাই? এইকেইটা প্ৰশ্নৰ উত্তৰ এছআইটিক দিয়াৰ পৰিৱৰ্তে সংবাদ মাধ্যমৰ যোগেদি অসমৰ ৰাইজক জনাই দিব লাগে বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি পুনৰ গৌৰৱ গগৈক উভতি ধৰি পাকচক্ৰত পেলায়। সাংসদ গৌৰৱ গগৈয়ে দিল্লীত সংবাদমেল অনুষ্ঠিত কৰি হিমন্ত বিশ্ব শৰ্মাৰ কথাৰ কোনো মূল্য নাই বুলি কৰা অভিযোগৰ উত্তৰত মুখ্যমন্ত্ৰীজনে কয় যে হিমন্ত বিশ্ব শৰ্মা হিচাপে তেওঁ হাজাৰটা মিছা কথা ক'ব পাৰে। কিন্তু অসমৰ মুখ্যমন্ত্ৰী হিচাপে তেওঁ মিছা কথা ক'ব নোৱাৰে আৰু ক'লে বিধানসভা আৰু ন্যায়ালয়ত তেওঁ জবাবদিহি হ'ব। সাংবাদিকে কৰা প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীজনে আজি হাস্যবদনে গৌৰৱ গগৈৰ প্ৰশ্নৰ উত্তৰ সাংবাদিকসকলকে বিচাৰিবলৈ কৈ এক নতুন জাল গৌৰৱ গগৈৰ গালে দলিয়াই দিলে। ইয়াৰ উত্তৰ গৌৰৱ গগৈয়ে কেনেকৈ দিব সেয়া লক্ষণীয় হ'ব যদিও সাংসদ গৌৰৱ গগৈয়ে দুদিনত দুখনকৈ সংবাদমেল অনুষ্ঠিত কৰি দিয়া চাফাইত হিমন্ত বিশ্ব শৰ্মাই উত্থাপন কৰা অভিযোগসমূহৰ কিন্তু পোনপটীয়া উত্তৰ দিব নোৱাৰিলে। কংগ্ৰেছৰ এক শীৰ্ষ সূত্ৰৰ মতে, সাংসদ গৌৰৱ গগৈক অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি পদত অধিষ্ঠিত কৰিবৰ বাবে নিখিল ভাৰত কংগ্ৰেছৰ একাংশ জ্যেষ্ঠ নেতাই তৎপৰ হৈ পৰাৰ সময়তে অসমৰ ৰাইজৰ আগত হিমন্ত বিশ্ব শৰ্মাই সৃষ্টি কৰা বিভ্ৰান্তিসমূহ দূৰ কৰিবৰ বাবে সাংসদজনে স্পষ্টীকৰণ দিবলগীয়া হৈছে। সূত্ৰটোৰ মতে, অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতিৰ দায়িত্ব লৈ সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত যাতে পাকিস্তান প্ৰসংগ উত্থাপন নহয় তাৰ বাবে বাৰে বাৰে সাংসদজনে এনেদৰে সংবাদমেল অনুষ্ঠিত কৰিবলগীয়া হৈছে। সূত্ৰটোৰ মতে, পঞ্চায়ত নিৰ্বাচনত হোৱা বিফলতাৰ বাবে নিখিল ভাৰত কংগ্ৰেছৰ শীৰ্ষ নেতৃত্বই অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ নতুন সভাপতি হিচাপে গৌৰৱ গগৈক সংস্থাপিত কৰিব বিচাৰিছে। ইতিমধ্যে কংগ্ৰেছ দলত এই বিষয়টো লৈ মতানৈক্যৰো সৃষ্টি হৈছে আৰু দলটোৰ শীৰ্ষ নেতৃত্বৰ মাজত বিভিন্ন পৰ্যায়ত মতানৈক্য হৈছে। সাংসদ ৰকিবুল হুছেইনে সভাপতি হিচাপে গৌৰৱ গগৈক প্ৰক্ষেপ কৰা বিষয়টো লৈয়ো অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ আন একাংশ নেতা অসন্তুষ্ট হৈছে। নিখিল ভাৰত কংগ্ৰেছৰ এক সূত্ৰৰ মতে গৌৰৱ গগৈক অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি হিচাপে মনোনীত কৰি ২০২৬ ৰ বিধানসভা নিৰ্বাচনত সাংসদ ৰকিবুল হুছেইনে দলটো নিজৰ নিয়ন্ত্ৰণত ৰাখি ৰাজনীতি কৰিব বিচাৰিছে। এনে পৰ্যায়ত বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, সাংসদ প্ৰদ্যুৎ বৰদলৈ আৰু বৰ্তমানৰ সভাপতি ভূপেন বৰাৰ স্থিতি কি হ'ব সেই লৈও প্ৰশ্ন উত্থাপিত হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গৃহৰাজ্যতে অপমানিত দেশৰ মুখ্য

বাবে গৃহ ৰাজ্য ভ্ৰমণৰ সময়ত মহাৰাষ্ট্ৰৰ মুখ্য সচিব, ডিজিপি অথবা মুম্বাই আৰক্ষী আয়ুক্তৰ সাক্ষাৎ লাভ নকৰি অসন্তুষ্টি প্ৰকাশ কৰে ভাৰতৰ মুখ্য ন্যায়াধীশ বি আৰ গভায়ে। দেওবাৰে মুম্বাইত মহাৰাষ্ট্ৰ আৰু গোৱা বাৰ কাউন্সিলৰ উদ্যোগত আয়োজিত এক অভ্যৰ্থনা অনুষ্ঠানত ভাষণ দি তেওঁ নিজৰ ক্ষোভ প্ৰকাশ কৰে। উক্ত ঘটনাক লৈ সেই একেখন মঞ্চতে মুখ্য ন্যায়াধীশ গভায়ে কয় যে তেওঁ সাধাৰণতে 'প্ৰ'ট'ক'লত বিশ্বাস নকৰে, কিন্তু সংবিধানৰ প্ৰতিটো স্তম্ভই ইজনে সিজনক সন্মান কৰা উচিত। তেওঁৰ ভাষাত, "যেতিয়া দেশৰ মুখ্য ন্যায়াধীশ হৈ মহাৰাষ্ট্ৰৰ কোনো সন্তানে প্ৰথমবাৰৰ বাবে গৃহ ৰাজ্য মহাৰাষ্ট্ৰলৈ আহে আৰু যদি তেওঁৰ এই ভ্ৰমণৰ সময়ত ৰাজ্যখনৰ মুখ্য সচিব, আৰক্ষী আয়ুক্ত আদিয়ে অনুষ্ঠানত উপস্থিত থাকিব নিবিচাৰে, তেন্তে সেয়া তেওঁলোকৰ বিবেচনাধীন। অৱশ্যে ইয়াৰ দ্বাৰা সন্মান প্ৰদৰ্শন হোৱাৰ আশা কৰা হৈছিল।" অৱশ্যে এনেবোৰ কথাক তেওঁ বিশেষ গুৰুত্ব নিদিয়ে বুলিও মন্তব্য কৰে মুখ্য ন্যায়াধীশ গভায়ে। তেওঁ কয়, "এই সৰু সৰু বিষয়বোৰৰ বিষয়ে মই বেছি ক'ব নিবিচাৰো, মাত্ৰ উল্লেখ কৰিলোঁ।" আনহাতে মুখ্য ন্যায়াধীশৰ সৈতে মহাৰাষ্ট্ৰত সংঘটিত এনে আচৰণক লৈ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে বিৰোধীয়ে। উল্লেখ্য যে বি আৰ গভাই হৈছে মুখ্য ন্যায়াধীশৰ আসনত বহা প্ৰথমগৰাকী দলিত সন্তান। এনে পৰিপ্ৰেক্ষিতত তেওঁ দলিত হোৱাৰ বাবে বিজেপি নেতৃত্বাধীন মহাৰাষ্ট্ৰ চৰকাৰৰ মুখ্য সচিব আৰু শীৰ্ষ বিষয়াসকলে মুখ্য ন্যায়াধীশৰ অনুষ্ঠান এৰাই চলাৰ অভিযোগ কৰিছে বিৰোধীয়ে।

# গোলকগঞ্জত খেদি খেদি ধৰিলে ২ ড্ৰাগছ সৰবৰাহকাৰীক

**ই-সংবাদ, গোলকগঞ্জ, ১৯ মে':** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত অসম-পশ্চিমবংগ সীমান্তৰ হালাকুৰাৰ সমীপৰ ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত আজি সন্ধিয়া আৰক্ষীয়ে নিষিদ্ধ যাবা টেবলেটসহ দুজন সৰবৰাহকাৰীক আটক কৰা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। আটকাধীন বিদ্যাডাবৰী দ্বিতীয় খণ্ড গাঁৱৰ ফৰিদ মিঞাৰ পুত্ৰ ৰাজীৱ সৰকাৰ (৩৭) আৰু আব্দুল হামিদৰ পুত্ৰ হাসমত আলী (৩০)। জানিব পৰা মতে, গোপন খবৰৰ ভিত্তিত গোলকগঞ্জ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দেৱজিৎ কলিতাৰ নেতৃত্বত আৰক্ষীৰ দল এটাই সন্ধিয়া ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত খেদি খেদি সৰবৰাহকাৰী দুজনক আটক কৰে। দুয়োৰে পৰা আৰক্ষীয়ে ১৭৫ টা নিষিদ্ধ যাবা টেবলেট উদ্ধাৰ কৰে। ইয়াৰে ৰাজীৱ সৰকাৰে ছাদ্দাম হুছেইন নামৰ এজন আৰক্ষী কনিষ্টবলক হাতত কামুৰি গুৰুতৰভাৱে আহত কৰে যদিও পলাবলৈ সক্ষম নহ'ল।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

■ **প্ৰথম পৃষ্ঠাৰ পৰা...**

# কৰ্কট ৰোগত আক্ৰান্ত জ' বাইডেন

প্ৰষ্টেট ৰূপত ধৰা পৰা এই কেন্সাৰ বাইডেনৰ হাড়লৈকে বিয়পি পৰা বুলিও প্ৰকাশ কৰিছে তেওঁৰ কাৰ্যালয়ে। দেওবাৰে প্ৰকাশ পোৱা এক বিবৃতি অনুসৰি প্ৰস্ৰাৱৰ সমস্যাৰ পিছত একপ্ৰকাৰৰ নতুন ধৰা পৰিছে, তাৰ পিছত তেওঁৰ কৰ্কট ৰোগ ধৰা পৰে। বৰ্তমান বাইডেন পৰিয়ালে চিকিৎসকৰ পৰামৰ্শ লৈছে আৰু সম্ভাব্য চিকিৎসা বিকল্পৰ বিষয়ে বিবেচনা কৰি আছে। বিবৃতিটোত আৰু কোৱা হৈছে, "যদিও এইটো এটা আক্ৰমণাত্মক কেন্সাৰ, ই হৰমʼনৰ প্ৰতি সংবেদনশীল, যাৰ ফলত ফলপ্ৰসূ চিকিৎসা সম্ভৱ হʼব। ৰাষ্ট্ৰপতি আৰু তেওঁৰ পৰিয়ালে চিকিৎসকৰ সৈতে মিলি চিকিৎসাৰ পদ্ধতি নিৰ্ধাৰণ কৰি আছে।" উল্লেখ্য যে প্ৰাক্তন ৰাষ্ট্ৰপতি বাইডেনৰ বৰ্তমান বয়স হৈছে ৮২ বছৰ। ২০১৫ চনত তেওঁৰ পুত্ৰ বিউ বাইডেনৰ কৰ্কট ৰোগত মৃত্যু হয়। চিকিৎসকে কয় যে বাইডেনৰ কৰ্কট ৰোগৰ গ্লিছন স্ক'ৰ ৯ (গ্ৰেড গ্ৰুপ ৫), যিয়ে ৰোগৰ অগ্ৰগতি আৰু জটিলতাৰ ইংগিত দিয়ে। ইফালে, এই খবৰ লাভ কৰাৰ পিছত তেওঁৰ ৰাজনৈতিক সহকৰ্মীসকলেও প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। ড'নাল্ড ট্ৰাম্পে ইয়াক "দুখজনক" বুলি অভিহিত কৰে। কমলা হেৰিছে কয় যে বাইডেন এগৰাকী যুঁজাৰু। আনহাতে প্ৰাক্তন ৰাষ্ট্ৰপতি বাৰাক অ'বামাই লিখিছে যে তেওঁ নিজৰ দৃঢ়তা আৰু আত্মবিশ্বাসেৰে এই যুঁজখনত জয়ী হ'ব। উল্লেখ্য যে ২০২০ চনত ট্ৰাম্পক পৰাস্ত কৰাৰ পিছতো বিতৰ্কিত প্ৰদৰ্শনৰ অন্তত ২০২৪ চনত বাইডেনে নিৰ্বাচনী দৌৰৰ পৰা আঁতৰি আহিছিল। ইফালে, তেওঁৰ এটা পুৰণি মন্তব্যও এই মুহূৰ্তত পুনৰ ভাইৰেল হৈ পৰিছে। ২০২২ চনত মেছাচুচেটছৰ কয়লাচালিত এটা পুৰণি বিদ্যুৎ কেন্দ্ৰত ভাষণ দি বাইডেনে কৈছিল, 'মোৰ কেন্সাৰ আছে।' পিছত হোৱাইট হাউছে কয় যে তেওঁ পুৰণি ছালৰ কৰ্কট ৰোগৰ কথা কৈছিল, যিটো তেওঁ ৰাষ্ট্ৰপতি হোৱাৰ পূৰ্বে চিকিৎসা কৰা হৈছিল।

■ **প্ৰথম পৃষ্ঠাৰ পৰা...**

# 'সন্মান দিব নাজানে অসমৰ মুখ্যমন্ত্ৰীয়ে'

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। প্ৰমাণ তেওঁ দিব পৰা নাই, কিন্তু সংবাদ মাধ্যমৰ সন্মুখতে নিতৌ কৰি আহিছে ন ন বিস্ফোৰণ। ১০ ছেপ্টেম্বৰত গৌৰৱ গগৈৰ পাকিস্তান সংযোগৰ সকলো তথ্য ৰাজহুৱা কৰিব বুলিও ইতিমধ্যে কৈ থৈছে মুখ্যমন্ত্ৰীয়ে। তেওঁ মিডিয়াৰ আগত কৈ থকা কথাবোৰ মিছা হ'লে ৰাজনীতি জীৱন ত্যাগ কৰাৰো দিছে প্ৰতিশ্ৰুতি। এগৰাকী নিৰ্বাচিত জনপ্ৰতিনিধিৰ বিৰুদ্ধে মুখ্যমন্ত্ৰীৰ এনে বিষোদগাৰৰ মাজতে পাকিস্তানৰ চৰিত্ৰ উদঙাবলৈ কেন্দ্ৰই বিদেশলৈ প্ৰেৰণ কৰিবলগীয়া সৰ্বদলীয় প্ৰতিনিধিৰ তালিকাৰ পৰা বাদ পৰিল গৌৰৱ গগৈ। আৰু তাৰ পিছতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ এই ৰাজনৈতিক আক্ৰোশক লৈ সৰৱ হৈ পৰিছে ৰাষ্ট্ৰীয় ৰাজনীতি। ৰাষ্ট্ৰীয় জনতা দলৰ সাংসদ মনোজ ঝাই কংগ্ৰেছৰ সাংসদ গৌৰৱ গগৈৰ বিৰুদ্ধে মুখ্যমন্ত্ৰীয়ে কৰি অহা মন্তব্যক তীব্ৰ সমালোচনা কৰে। তেওঁ কয়, "এয়া এতিয়া ৰাজনীতি নহয়, এয়া ব্যক্তিগত ঘৃণাৰ প্ৰকাশ। বিৰোধীক শত্ৰু বুলি গণ্য কৰাৰ প্ৰৱণতা গণতন্ত্ৰৰ বাবে এক বিপজ্জনক সংকেত।" সাংসদ গৌৰৱ গগৈৰ প্ৰতি হিমন্তৰ কটূক্তিক আৰজেডি সাংসদগৰাকীয়ে অপ্ৰয়োজনীয় আৰু অনুচিত বুলি অভিহিত কৰে। সংবাদ মাধ্যমৰ সন্মুখত তেওঁ কয় যে বিগত ১০-১২ বছৰত এই দেশত আটাইতকৈ ডাঙৰ পৰিৱৰ্তন হৈছে ৰাজনৈতিক মানসিকতা। তেওঁ কয়, "বিৰোধীক এতিয়া প্ৰতিদ্বন্দ্বী বুলি গণ্য কৰা নহয়, তেওঁলোকক শত্ৰু বুলি গণ্য কৰা হয়। এই মানসিকতাই গণতন্ত্ৰক ধ্বংস কৰি আছে।" মনোজ ঝাই আৰু কয়, "এজন নিৰ্বাচিত প্ৰতিনিধিৰ বিৰুদ্ধে এনে ভাষা কেনেকৈ ব্যৱহাৰ কৰিব পাৰি? এইটো কেৱল ৰাজনৈতিক শালীনতা উলংঘা নহয়, ই এক ৰাজনৈতিক অপৰাধৰ সমান।" তেওঁ ৰাজনৈতিক পৰিণতিৰ প্ৰশ্ন উত্থাপন কৰে, যিয়ে কেৱল দেশতে নহয়, বিদেশতো ভাৰতীয় গণতন্ত্ৰক লৈ প্ৰশ্ন উত্থাপন কৰিছে। তেওঁৰ মতে, "বিশ্বৰ আন দেশসমূহেও ভাৰতৰ ৰাজনৈতিক ভাষা আৰু আচৰণ পৰ্যবেক্ষণ কৰি আছে। হিমন্ত বিশ্ব শৰ্মাৰ দৰে মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ সীমাৰ ভিতৰতে গণতান্ত্ৰিকভাৱে প্ৰতিদ্বন্দ্বিতা কৰা উচিত। ব্যক্তিগত আক্ৰমণ, অসন্মানজনক মন্তব্য-এইবোৰ ৰাজনৈতিক অনৈতিকতা আৰু বহু ক্ষেত্ৰত আনকি অপৰাধো।" এনে পৰিপ্ৰেক্ষিতত বিৰোধী শিবিৰৰ অভিযোগ যে বিজেপিয়ে সাম্প্ৰতিক ৰাজনৈতিক আলোচনাত ব্যক্তিগত আক্ৰমণক আহিলা হিচাপে ব্যৱহাৰ কৰিছে। গৌৰৱ গগৈ আৰু হিমন্ত বিশ্ব শৰ্মাৰ মাজত চলি থকা তীব্ৰ ৰাজনৈতিক বাকযুদ্ধৰ মাজতে ক'ব পাৰি যে মনোজ ঝাৰ এই বক্তব্যই শাসকীয় দলটোৰ ওপৰত হেঁচা বৃদ্ধি কৰিব।

■ **প্ৰথম পৃষ্ঠাৰ পৰা...**

# আইজিএছটিৰ সংগ্ৰহত মুখ্যমন্ত্ৰী হিমন্তৰ

কৰ চমুকৈ আইজিএছটিৰ সংগ্ৰহ বৃদ্ধি কৰিব। ইতিমধ্যে ৰাজ্য চৰকাৰে আইজিএছটি সংগ্ৰহ বৃদ্ধি কৰিবলৈ পৰিকল্পনা যুগুত কৰিছে। আইজিএছটিৰ সংগ্ৰহ বৃদ্ধি কৰিবলৈ সাজু অসমৰ চৰকাৰৰ বিত্তীয় বিভাগে আজি কৰ ভৱনত এই বিষয়ত বিশেষ পৰ্যালোচনা বৈঠক অনুষ্ঠিত কৰিছে। বৈঠকখনত ৰাজ্যত সংহত পণ্য আৰু সেৱা কৰ আদায়ৰ বৰ্তমান পৰিস্থিতি মূল্যায়ন কৰা হয়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, বিত্তীয় মন্ত্ৰী অজন্তা নেওগৰ উপস্থিতিত কৰ ভৱনত অনুষ্ঠিত বিশেষ পৰ্যালোচনা বৈঠক ৰাজ্য চৰকাৰৰ বিত্তীয় বিভাগে আইজিএছটিৰ সংগ্ৰহ বৃদ্ধিৰ ৰোডমেপ সাজু কৰা বুলি জানিব পৰা গৈছে। এই বৈঠকত মুখ্যমন্ত্ৰী ডᴼ হিমন্ত বিশ্ব শৰ্মাই গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়ায়। মুখ্যমন্ত্ৰীগৰাকীয়ে আইজিএছটিৰ সংগ্ৰহ বঢ়োৱাৰ উদ্দেশ্যে সময়োপযোগী আৰু কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট বিষয়া-কৰ্মচাৰীক নিৰ্দেশ দিয়ে।বিভিন্ন বিভাগৰ মাজত সমন্বয় আৰু জবাবদিহিৰ প্ৰয়োজনীয়তাত গুৰুত্ব আৰোপ কৰে। কৰ সংগ্ৰহৰ দ্বাৰা আয় যাতে বৃদ্ধি হয়, ৰাজহুৱা উপাৰ্জন শক্তিশালী কৰিব পৰা যায় তাক গুৰুত্ব দিব লাগে বুলিও কয় মুখ্যমন্ত্ৰীয়ে। লগতে কৰ সংগ্ৰহ লেহেমীয়া, আয়ৰ ঘাটি আদি বিষয়সমূহক লৈ মুখ্য সচিব ডᴼ ৰবি কোটাক বৈঠক অনুষ্ঠিত কৰাৰ নিৰ্দেশ দিয়ে মুখ্যমন্ত্ৰীয়ে। আয়ৰ ঘাটিৰ কাৰণসমূহ কি সেয়া বিচাৰি উলিয়াবলৈ ৰণনীতি তৈয়াৰ কৰি আয় সংগ্ৰহ ব্যৱস্থা অধিক শক্তিশালী কৰাৰো নিৰ্দেশ দিয়ে মুখ্যমন্ত্ৰীয়ে।

# মঙলদৈত আৰক্ষী বিষয়াৰ ঘৰতে চোৰে চলালে লুট-পাত

**ই-সংবাদ, দুনী, ১৯ মে':** মঙলদৈ চহৰৰ নিকটৱৰ্তী চপাই অঞ্চলত চোৰৰ উপদ্ৰৱ দিনক দিনে দ্ৰুতগতিত বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। কিছুদিন আগতে চপাইস্থিত শ্ৰীশ্ৰী নৱগ্ৰহ মন্দিৰ, উত্তৰ মঙলদৈ উচ্চ মাধ্যমিক বিদ্যালয়, চপাইচৌকাৰ এখন হাৰ্ডৱেৰ দোকানত চুৰি কাৰ্য সংঘটিত হোৱাৰ পিছত কালি নিশা বসু নাথৰ ঘৰত কোনো নথকাৰ সুযোগ লৈ চোৰে প্ৰায় ডেৰ লাখ টকাৰ সামগ্ৰী চুৰি কৰি নিয়ে। জানিব পৰা মতে, চপাই শালৈপাৰা নিবাসী জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী বাসু নাথে সৰু কন্যা ডাঃ ইভলীনা যোগীৰ সা-সামগ্ৰী আনিবলৈ গৈছিল যোৰহাটলৈ। ইপিনে তেওঁৰ সহধৰ্মিণী, আৰক্ষী পৰিদৰ্শক যমুনা দাস ব্যস্ত দেৰগাঁও আৰক্ষী প্ৰশিক্ষণ কেন্দ্ৰত। ডাঙৰ জীয়ৰী ডাঃ দেৱলীনা নাথ বৰ্তমান গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ভেষজ বিভাগৰ স্নাতকোত্তৰ পাঠ্যক্ৰম অধ্যয়ন কৰি আছে। যোৰহাট মেডিকেল কলেজৰ পৰা সদ্যঘোষিত এম বি বি এছ পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা সৰু কন্যা ডাঃ ইভলীনা যোগীৰ বয়বস্তু আনিবলৈ পিতৃ বসু নাথ যোৰহাটলৈ যোৱাৰ সুযোগতে কালি নিশা ইনভাৰ্টাৰ, সোণৰ অলংকাৰ, কাঁহৰ বাচন-বৰ্তন আদি চোৰে লুট কৰি নিয়ে। আজি পুৱা যোৰহাটৰ পৰা আহি ঘৰত চুৰি কাৰ্য সংঘটিত হোৱা দেখি বসু নাথে লগে লগে মঙলদৈ আৰক্ষীক খবৰ দিয়াত আৰক্ষীয়ে প্ৰাথমিক তদন্ত আৰম্ভ কৰিছে যদিও এতিয়ালৈ কাকো গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হোৱা নাই বুলি জানিব পৰা গৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ভুৱা প্ৰমাণ পত্ৰৰে চিকিৎসক হোৱাৰ

সোমবাৰে সংবাদমেলযোগে এই ভয়ংকৰ অভিযোগ উত্থাপন কৰিছে অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ সভাপতি ধীৰাজ গোৱালাই। সোমবাৰে গুৱাহাটীস্থিত অসম চাহ জনজাতি আবাসত এখন সংবাদমেল সম্বোধন কৰি ধীৰাজ গোৱালাই কয় যে দীৰ্ঘদিন ধৰি কিছু লোকে চাহ জনগোষ্ঠীৰ নামত ভুৱা জাতিগত প্ৰমাণ-পত্ৰ উলিয়াই শিক্ষা আৰু চাকৰিৰ ক্ষেত্ৰত সুবিধা গ্ৰহণ কৰি আছে। সংবাদমেলত গোৱালাই কয় যে এই বিষয়টো সম্পৰ্কত আমি দায়িত্বত থকা প্ৰত্যেকটো বিভাগক জনাইছিলো যে এইসকল চাহ জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰী নহয়। তাৰ পৰৱৰ্তী সময়ত আমাৰ অভিযোগৰ ভিত্তিত ষ্টেট লেভেল কাষ্ট স্ক্ৰুটিনি কমিটিয়ে চলিত বৰ্ষৰ ১ ফেব্ৰুৱাৰীত অবিনাশ সিং কৈৰী নামৰ এজন ছাত্ৰৰ জাতিগত প্ৰমাণ-পত্ৰখন ভুৱা বুলি চিনাক্ত কৰিছিল। কিন্তু দুৰ্ভাগ্যজনকভাৱে সেই ছাত্ৰজনে এতিয়াও চিকিৎসা বিজ্ঞানত অধ্যয়ন কৰি আছে। তেওঁৰ ওপৰত চিকিৎসা শিক্ষা সঞ্চালকালয় বা চৰকাৰী অধিবক্তাই কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। তেনেকৈ নগাঁৱত ছাইনী ভূঞা নামৰ এগৰাকী ছাত্ৰীয়ে এনে ভুৱা জাতিগত প্ৰমাণ-পত্ৰেৰে চিকিৎসা বিজ্ঞানৰ শিক্ষা গ্ৰহণ কৰি আছে। ছাইনী ভূঞাৰ জাতিগত প্ৰমাণ-পত্ৰখন জিলা আয়ুক্তৰ কাৰ্যালয়ে ভুৱা বুলি কোৱাৰ পিছতো তেওঁৰ ওপৰত কোনো ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। একেদৰে কৃতিকা কৈৰী, জ্যোতি যাদৱ, হীৰণ্ময় মণ্ডল নামৰ শিক্ষাৰ্থী কেইগৰাকীয়েও এনে ভুৱা প্ৰমাণ-পত্ৰেৰে চিকিৎসা বিজ্ঞানৰ শিক্ষা গ্ৰহণ কৰি আছে। কিন্তু দুৰ্ভাগ্যৰ বিষয় যে চিকিৎসা বিজ্ঞান মহাবিদ্যালয় বা সংশ্লিষ্ট বিভাগৰ পৰা কোনো ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই। গোৱালাই লগতে কয় যে এইসকল ছাত্ৰ-ছাত্ৰীয়ে এনেদৰে ভুৱা জাতিগত প্ৰমাণ-পত্ৰেৰে চাহ জনগোঠীৰ প্ৰকৃত ছাত্ৰ-ছাত্ৰীসকলক বঞ্চিত কৰি আহিছে। ইয়াৰ লগত এটা ডাঙৰ নেক্সাছ জড়িত হৈ আছে। এই বিষয়টো সম্পৰ্কে চাহ জনগোষ্ঠীৰ হৈ যুঁজি থকা চৰকাৰী অধিবক্তাজনেও এই ভুৱা প্ৰমাণ-পত্ৰেৰে শিক্ষা গ্ৰহণ কৰা শিক্ষাৰ্থীসকলক ৰক্ষণাবেক্ষণ দিবলৈ চেষ্টা কৰাৰ অভিযোগ উত্থাপন হৈছে। লগতে গোৱালাই কয়, “ ব্যক্তিগত খণ্ডত চিকিৎসা বিজ্ঞানৰ শিক্ষা গ্ৰহণ কৰিলে প্ৰায় ১ কোটি টকা খৰচ হয়। কিন্তু চৰকাৰী প্ৰতিষ্ঠানত ই খুব কম খৰচতেই হয়। যাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে ভুৱা প্ৰমাণ-পত্ৰ লৈ চৰকাৰী চিকিৎসা মহাবিদ্যালয়ৰ চাহ জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে সংৰক্ষিত আসনসমূহত নামভৰ্তি কৰিছে। কিন্তু যিসকল ছাত্ৰ-ছাত্ৰীয়ে এইদৰে ভুৱা প্ৰমাণ-পত্ৰ উলিয়াইছে তেওঁলোক কোনো দুখীয়া পৰিয়ালৰ ছাত্ৰ-ছাত্ৰী নহয়। আৰ্থিকভাৱে স্বচ্ছল পৰিয়ালৰ হৈও তেওঁলোকে ভুৱা জাতিগত প্ৰমাণ-পত্ৰেৰে প্ৰকৃত আৰু দৰিদ্ৰ চাহ জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীসকলৰ অধিকাৰ কাঢ়ি নিছে। ধীৰাজ গোৱালাই লগতে অভিযোগ উত্থাপন কৰি কয় যে আমি বা জিলা উপায়ুক্তই জাতিৰ প্ৰমাণ-পত্ৰসমূহ ভুৱা বুলি কোৱাৰ পিছতো তেওঁলোকক অস্থায়ী নামভৰ্তিৰ সুবিধা দিয়া হয়। যাৰ ফলত প্ৰকৃত চাহ জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীসকল বঞ্চিত হ'ব লগা হয়। আনকি আদালতেও তেওঁলোকক পাঠ্যক্ৰম সমাপ্ত কৰাৰ সুবিধা দিয়ে। কেৱল চিকিৎসা বিভাগতেই নহয়, অভিযান্ত্ৰিক মহাবিদ্যালয়তো ফুকন, গগৈ, কলিতা, নাথ আদি উপাধিৰ ছাত্ৰ-ছাত্ৰীয়ে চাহ জনগোষ্ঠীৰ ভুৱা জাতিগত প্ৰমাণ-পত্ৰৰে শিক্ষা গ্ৰহণ কৰি আছে। গোটেই ব্যৱস্থাটোত এটা বৃহৎ নেক্সাছ জড়িত হৈ আছে। আনকি অসমৰ গৃহ বিভাগেও এই ক্ষেত্ৰত মৌনতা অৱলম্বন কৰিছে। লগতে ১০ দিনৰ ভিতৰত এই সম্পৰ্কে কোনো ব্যৱস্থা নল'লে আন্দোলন কৰা হ'ব বুলি গোৱালাই সকীয়াই দিয়ে।

# ডাইনী হত্যাৰ গোচৰত সোণাৰিত একেলগে ২৩ জনক বিহিলে যাৱজ্জীৱন কাৰাদণ্ড

**ই-সংবাদ, সোণাৰি, ১৯ মে':** এটা ঐতিহাসিক ৰায়ৰ সাক্ষী হৈ ৰ'ল চৰাইদেউ জিলা ন্যায়িক আদালত চৌহদ। ২০১২ চনত সংঘটিত এক অমানুষিক ঘটনাৰ যেন ওৰ পৰিল আজি! একাংশ নৰপিপাসু লোকৰ অত্যাচাৰত প্ৰাণ ত্যাগ কৰা এগৰাকী মহিলাৰ পৰিয়ালক দিয়া হ'ল উচিত ন্যায়। ঘটনাৰ তথ্য অনুসৰি ২০১২ চনৰ ৯ ফেব্ৰুৱাৰীত চৰাইদেউ জিলাৰ জলহা গাঁৱৰ একাংশ উন্মত্ত লোকৰ অত্যাচাৰত প্ৰাণ হেৰুৱাইছিল ফুলেশ্বৰী হালোৱা নামৰ মহিলাগৰাকীয়ে। অন্ধবিশ্বাসৰ বশৱৰ্তী হৈ গাঁৱৰ একাংশ লোকে ওৰে নিশা বিভিন্ন ধৰণৰ অত্যাচাৰ চলাই এজোপা ঔটেঙা গছত বান্ধি কাঁইটেৰে মাৰপিট কৰাৰ পিছত জীৱিত অৱস্থাতে জ্বলাই দিয়া হৈছিল মহিলাগৰাকীক। এই সন্দৰ্ভত মহিলাগৰাকীৰ পুত্ৰই সোণাৰি আৰক্ষী থানাত দিয়া এজাহাৰৰ ভিত্তিত প্ৰায় ৩৫ গৰাকী লোকক আটক কৰা হৈছিল আৰু পৰৱৰ্তী সময়ত বিষয়টো ন্যায়ালয়ৰ মজিয়া পাইছিল। এই ঘটনাৰ বিচাৰ প্ৰক্ৰিয়া ১৩ বছৰ ধৰি ন্যায়ালয়ৰ মজিয়াত চলি থকাৰ পাছত আজি অন্তিমটো শুনানিৰ পাছতে ন্যায়ালয়ৰ ৰায় প্ৰদান কৰে। ন্যায়ালয়ৰ ৰায় অনুসৰি এই ঘটনাৰ লগত জড়িত বুলি প্ৰমাণিত ২৩ জন লোকক যাৱজ্জীৱন কাৰাদণ্ডৰ লগতে ৫ হাজাৰকৈ টকা জৰিমনা বিহা হৈছে। আনহাতে, ভুক্তভোগী পৰিয়ালক ক্ষতিপূৰণ হিচাপে ৮ লাখ টকা প্ৰদানৰ ৰায় দান কৰিছে ন্যায়ালয়ে। সুদীৰ্ঘ দিনৰ অন্তত প্ৰদান কৰা এই ৰায়ে ভুক্তভোগীৰ পৰিয়ালক যথেষ্ট সকাহ প্ৰদান কৰিছে।

# কলগাছিয়াৰ বালাৰপাথাৰত গৃহস্থৰ হাত-ভৰি বান্ধি ডকাইতে লুটিলে ৮ লক্ষাধিক টকা

**ই-সংবাদ, কলগাছিয়া, ১৯ মে':** বৰপেটা জিলাৰ কলগাছিয়া আৰক্ষী থানাৰ অন্তৰ্গত বালাৰপাথাৰ গাঁৱত দেওবাৰে নিশাৰ ভাগত সংঘটিত হয় এক ভয়ংকৰ ডকাইতি কাণ্ড। নিশাৰ অন্ধকাৰত ১০/১২ জনীয়া দুৰ্বৃত্তৰ দলে ঘৰৰ গ্ৰীল ভাঙি ঘৰৰ ভিতৰত সোমাই গৃহস্থক হাত-ভৰি বান্ধি লুটি নিলে প্ৰায় ৮ লক্ষাধিক নগদ ধনসহ ৪ লক্ষাধিক টকা মূল্যৰ সোণৰ আ-অলংকাৰ। উল্লেখ্য যে, কলগাছিয়া আৰক্ষী থানাৰ অন্তৰ্গত বালাৰপাথাৰ গাঁৱৰ আব্দুল কৰিম নামৰ এজন ব্যক্তিৰ ঘৰত নিশা প্ৰায় ১.৩০ বজাত সংঘটিত হয় এই ভয়ংকৰ ডকাইতি কাণ্ড। ডকাইতৰ দলটোৱে বৃদ্ধ আব্দুল কৰিম আৰু তেওঁৰ পত্নীক আক্ৰমণ কৰি, হাত-ভৰি বান্ধি সংঘটিত কৰে ডকাইতি কাণ্ড। ডকাইতৰ দলটোৱে লাঠীৰে কোৰাই গৃহস্থ তথা অৱসৰপ্ৰাপ্ত শিক্ষক আব্দুল কৰিমৰ মূৰ ফালি ৰক্তাক্ত কৰে ঘৰৰ মজিয়া। চাকৰি সূত্ৰে তেওঁলোকৰ সন্তান দূৰত থকাৰ সুযোগ গ্ৰহণ কৰি ঘৰত থকা একমাত্ৰ বৃদ্ধ দম্পতীক ডকাইতৰ দলটোৱে প্ৰহাৰ কৰে যদিও কোনোমতে প্ৰাণ ৰক্ষা পৰে বৃদ্ধ দম্পতীৰ। কিন্তু ঘৰৰ আচবাব পত্ৰ লণ্ড ভণ্ড কৰি ডকাইতৰ দলটোৱে লুটি নিলে সমগ্ৰ ধন সম্পত্তি। এই ঘটনাক কেন্দ্ৰ কৰি বৃহত্তৰ কলগাছিয়া অঞ্চলত তীব্ৰ চাঞ্চল্য সৃষ্টি হৈছে। ডকাইতৰ দলটোৰ মাজত স্থানীয় একাংশ উদণ্ড যুৱক জড়িত হৈ আছে বুলি ভুক্তভোগী আব্দুল কৰিমে অভিযোগ কৰাৰ লগতে অতি শীঘ্ৰে ডকাইতৰ দলটোক গ্ৰেপ্তাৰ কৰি কঠোৰ শাস্তি বিহিবলৈ দাবী জনাইছে। সোমবাৰে পুৱাৰ ভাগত কলগাছিয়া আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লোৱাৰ লগতে তদন্ত অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে যদিও বাতৰি লিখা সময়লৈকে কোনো ডকাইত গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হোৱা নাই।

# যোৰহাট জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ তৃতীয় দ্বি-বাৰ্ষিক অধিৱেশন সম্পন্ন

## ৰাতুল চন্দ্ৰ বৰা সভাপতি, ক্ষেত্ৰধৰ বৰুৱা সাধাৰণ সম্পাদক নিৰ্বাচিত

**ই-সংবাদ, পশ্চিম যোৰহাট, ১৯ মে':** জ্যেষ্ঠ নাগৰিকে চৰকাৰৰ পৰা প্ৰাপ্য সুবিধা লাভ কৰা নাই। ২০০৭ চনতে জ্যেষ্ঠ নাগৰিকৰ বাবে গ্ৰহণ কৰা আইন দেশ আৰু ৰাজ্যত ৰূপায়ণ কৰা নাই। ৰাইজৰ সজাগ-সচেতনতা নথকাৰ বাবে আৰু আইনখনৰ সম্পৰ্কত বহুল প্ৰচাৰ নোহোৱাৰ বাবে চৰকাৰে সা-সুবিধাবোৰ প্ৰদান কৰা নাই।' যোৰহাট জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ তৃতীয় দ্বি-বাৰ্ষিক অধিৱেশনৰ মুকলি সভাত এই মন্তব্য কৰে ৰাজ্য চৰকাৰৰ যুটীয়া সঞ্চালকৰূপে অৱসৰ গ্ৰহণ কৰা যোৰহাটৰ জগত চন্দ্ৰ বৰঠাকুৰে। যোৰহাট নগৰ জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সদস্যাসকলে পৰিৱেশন কৰা সমবেত সংগীতেৰে আৰম্ভ হোৱা, সন্মিলনৰ সাধাৰণ সম্পাদক ক্ষেত্ৰধৰ বৰুৱাই আঁতধৰা, সভাপতি দেবেন্দ্ৰনাথ বৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাখন উদ্বোধন কৰে যুগল কিশোৰ আগৰৱালাই। ডক্টৰ ৰাতুল চন্দ্ৰ বৰাই উদ্বোধন কৰা সভাখনত বিশিষ্ট অতিথিৰূপে যোৰহাট জিলা চৰকাৰী পেঞ্চনাৰ সন্থাৰ সভাপতি ডক্টৰ দীনেশচন্দ্ৰ বৰুৱাই জ্যেষ্ঠ নাগৰিকসকলক নিজৰ ঘৰখন শৃংখলিত কৰি ৰাখিবলৈ আহ্বান জনায়। ঘৰ একোখন শৃংখলিত হ'লে সমাজখন শৃংখলিত হ'ব বুলি মন্তব্য কৰাৰ লগতে শৃংখলিত পৰিৱেশ গঢ়ি উঠিব বুলি কয়। বিশিষ্ট অতিথি ডাক্তৰ গোলাপ ডেকাই জ্যেষ্ঠ নাগৰিকৰ বয়স বাঢ়িলে অভিজ্ঞতাও বাঢ়ে বুলি উল্লেখ কৰি শাৰীৰিক, মানসিক, সক্ষমতা কমিলে কথা পাহৰে বুলি বক্তব্যত উল্লেখ কৰে। অসমীয়াৰ খাদ্য বিজ্ঞানসন্মতভাৱে উৎকৃষ্ট বুলি উল্লেখ কৰি তেনে খাদ্য গ্ৰহণ কৰিবলৈ জ্যেষ্ঠসকলৰ প্ৰতি আহ্বান জনায়। মামণি বৰুৱাই কবিতা আবৃত্তি কৰা সভাখনত তিতাবৰৰ বুধীন্দ্ৰনাথ শইকীয়া আৰু যোৰহাটৰ মহেন্দ্ৰ কুমাৰ খনিকৰে মনৰ ভাব প্ৰকাশ কৰে। ৰাজ্যিকৰ সদস্য ঘন লাহন উপস্থিত থকা সভাখনতে যোৰহাট জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ আগন্তুক কাৰ্যকালৰ বাবে ডক্টৰ ৰাতুল চন্দ্ৰ বৰাক সভাপতি, ডক্টৰ পৰাণ বৰুৱাক কাৰ্যকৰী সভাপতি, প্ৰবীণ কুমাৰ গোস্বামীক উপ-সভাপতি, ক্ষেত্ৰধৰ বৰুৱাক সাধাৰণ সম্পাদক, অঞ্জন বৰদলৈক সহকাৰী সাধাৰণ সম্পাদক, মহেন্দ্ৰ কুমাৰ খনিকৰক সাংগঠনিক সম্পাদক, ঘন লাহনক ৰাজ্যিকৰ সদস্য, প্ৰসেনজিৎ নেওগক বিত্ত সম্পাদক, ডক্টৰ বিপিন খঙীয়া, হিমেন বৰদলৈ, অজিত চন্দ্ৰ বৰা, প্ৰবীণ চন্দ্ৰ শৰ্মা, চিত্তৰঞ্জন বৰুৱা, পূৰ্ণ শইকীয়া, প্ৰবীণ কলিতা, মামণি বৰুৱাক সদস্যৰূপে লৈ কাৰ্যনিৰ্বাহক সমিতিখন গঠন কৰে। জিলাখনৰ ১৭ খন জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সৈতে জড়িত থকা লোকসকল উপস্থিত থকা সভাখন যোৰহাট জিলা চৰকাৰী পেঞ্চনাৰ ভৱনত ১৮ মে'ত অনুষ্ঠিত হয়। এই উদ্দেশ্যে পুৱা পতাকা উত্তোলন কৰে সন্মিলনৰ সভাপতি দেবেন্দ্ৰনাথ বৰাই। স্মৃতি তৰ্পণ, বন্তি প্ৰজ্বলন কৰে উপদেষ্টা জগত চন্দ্ৰ বৰঠাকুৰে। জ্যেষ্ঠ নাগৰিকৰ সাংস্কৃতিক সমাৰোহত অংশগ্ৰহণ কৰা আৰু প্ৰতিযোগীৰ লগতে স্থানপ্ৰাপ্তসকলক মানপত্ৰ প্ৰদান কৰা সভাখনলৈ যোৰহাট বিধান সভা সমষ্টিৰ বিধায়ক হিতেন্দ্ৰনাথ গোস্বামীক আমন্ত্ৰণ জনাইছিল যদিও উপস্থিত থাকিব নোৱৰাত প্ৰেৰণ কৰা বাৰ্তা সভাখনতে সাধাৰণ সম্পাদক ক্ষেত্ৰধৰ বৰুৱাই পাঠ কৰে। গুৱাহাটী আৰু ডিব্ৰুগড় মেডিকেলৰ বাদে ৰাজ্যখনৰ প্ৰতিখন জিলাৰ চিকিৎসালয়তে 'জেৰিয়াট্ৰিক' বিভাগ সুবিধাযুক্তকৈ খুলিবলৈ, বাছ-ৰে'লত আসন সংৰক্ষণ, ভাড়া ৰেহাই ব্যৱস্থা বাহাল ৰাখিবলৈ ৰাষ্ট্ৰীয় পথত থকা টোল গেটত জ্যেষ্ঠ নাগৰিকৰ বাহনক কৰ মুক্ত কৰিবলৈ, ২৫০ টকাৰ চৰকাৰী বৃদ্ধ পেঞ্চনৰ ধন বৃদ্ধি কৰিবলৈ, পুৰণা পেঞ্চন আঁচনি বাহাল ৰাখিবলৈ চৰকাৰৰ প্ৰতি আহ্বান জনোৱাৰ লগতে সন্মিলনৰ স্থায়ী কাৰ্যালয় নিৰ্মাণৰ বাবে যোৰহাটৰ জেইল ৰোডৰ কাষত প্ৰশাসনে আৱণ্টন দিয়া ১০ লেচা ভূমিৰ পৰিমাণতকৈ অধিক ভূমিৰ আৱণ্টন দিবলৈ যোৰহাট জিলা প্ৰশাসনৰ প্ৰতি আহ্বান জনায়।

# ভৱানীপুৰত বাঁওপন্থী নেতা মনোহৰ দাসৰ স্মৃতিচাৰণ

**ই-সংবাদ, ভৱানীপুৰ, ১৯ মে':** "বৃহত্তৰ ভৱানীপুৰ অঞ্চলত কৃষক-শ্ৰমিক সংগঠনৰ পতাকা উৰুৱাই ৰখাত আগভাগ লৈছিল বাঁওপন্থী নেতা মনোহৰ দাসে। সংগঠিত বিপ্লৱৰ যাত্ৰাপথৰ এগৰাকী অন্যতম নেতা আছিল প্ৰয়াত মনোহৰ দাস। তেওঁ আছিল দলৰ এগৰাকী শ্ৰেষ্ঠ সংগঠক। অঞ্চলটোৰ বিভিন্ন আওহতীয়া ঠাইত সৰু-সুৰা সভা অনুষ্ঠিত কৰি দলীয় সংগঠন তেওঁ গঢ়ি তুলিছিল। নিপীড়িত জনতা আৰু কৃষকৰ মনোবেদনা তেওঁ বুজিছিল। বাঁওপন্থী গণ আন্দোলনৰ মাজেৰে সমাজখনক সংগঠিত আৰু জাগ্ৰত কৰি ৰখা তেওঁ আছিল এগৰাকী অন্যতম সেনানী।" এই মন্তব্য প্ৰবীণ বাঁওপন্থী নেতা ধৰণী শৰ্মাৰ। চি পি আই (এম) দলৰ বৰপেটা জিলা সমিতিৰ সদস্য, প্ৰবীণ নেতাগৰাকীয়ে তেওঁৰ ভাষণত আমেৰিকাৰ নেতৃত্বত সাম্প্ৰতিক বিশ্ব অৰ্থনীতি আৰু সমগ্ৰ বিশ্বতে গোলকীয় ৰাজনৈতিক পৰিবেশৰ পৰিবৰ্তনৰ লগে লগে ভাৰতৰ কৃষি ক্ষেত্ৰখনৰ সন্মুখত উপস্থিত হোৱা বিভিন্ন সমস্যাৰ বিশ্লেষণো তেওঁ দাঙি ধৰে। প্ৰবীণ নেতাগৰাকীয়ে কয়-- দিল্লীৰ কৃষক আন্দোলনতো নেতাগৰাকীয়ে যোগদান কৰিছিল। মানৱদৰদী নেতাগৰাকীয়ে গৰিষ্ঠসংখ্যক ৰাইজৰ সুখ-দুখৰ সম্যক উপলব্ধি কৰিছিল আৰু আমৃত্যু সেই যন্ত্ৰণা নিৰাময়ৰ পথেৰে অগ্ৰসৰ হৈছিল। উল্লেখ্য, কালি দিনৰ প্ৰায় চাৰে এঘাৰ বজাত যোৱা ৫ ফেব্ৰুৱাৰীত হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ ৭৬ বছৰ বয়সত ভৱানীপুৰৰ নিজ গৃহতে দেহাৱসান ঘটা বাঁওপন্থী নেতা মনোহৰ দাসৰ স্মৃতিচাৰণ উপলক্ষে ভৱানীপুৰৰ ৩৩৯ নং নিম্ন বুনিয়াদী বিদ্যালয়ত প্ৰবীণ বাঁওপন্থী নেতা অক্ষয় ডেকাৰ সভাপতিত্বত আৰু দলটোৰ ভৱানীপুৰ আঞ্চলিক সমিতিৰ সম্পাদক অজিত দাসে উদ্দেশ্য ব্যাখ্যা কৰা স্মৃতিচাৰণ সভাত উপস্থিত থাকি আন এগৰাকী প্ৰবীণ বাঁওপন্থী নেতা চিত্তৰঞ্জন দাসে দলীয় সাংগঠনিক কামত ১৯৭৫ চনৰ পৰা ঘনিষ্ঠভাৱে লগ পোৱা প্ৰয়াত দাসৰ গভীৰ সান্নিধ্যৰ সোঁৱৰণ কৰে। বৃত্তিত এগৰাকী শিক্ষক প্ৰয়াত দাসে ছাত্ৰ-ছাত্ৰীৰ প্ৰতি দেখুওৱা মৰম আৰু তত্ত্বাৱধানৰ বিষয়েও তেওঁ সৰস বৰ্ণনা কৰে। দলীয় সাংগঠনিক কামত কাহানিও আপোচ নকৰা প্ৰয়াত দাসে চি পি আই (এম) দলৰ প্ৰয়াত বিধায়ক নিজামুদ্দিন খানক বোকোচাত তুলি বোকা-পানী অতিক্ৰম কৰাৰো তেওঁ বৰ্ণনা কৰে। ১৯৭৮ চনত চি পি আই (এম) দলৰ প্ৰাথমিক সদস্যপদ লাভ কৰা মনোহৰ দাসৰ শাৰীৰিক অসুস্থতালৈ লক্ষ্য ৰাখি ২০১৯ চনৰ পৰা দলীয় সক্ৰিয় কাম-কাজৰ পৰা আঁতৰাই ৰখা হৈছিল যদিও ইয়াৰ মাজতে দলটোলৈ পাৰ্যমানে আগবঢ়োৱা সেৱাৰো তেওঁ উল্লেখ কৰে। প্ৰতিবছৰে ৫ ফেব্ৰুৱাৰীৰ দিনটোত মনোহৰ দাসৰ স্মৃতিচাৰণ অনুষ্ঠান অনুষ্ঠিত কৰিবলৈও তেওঁ আহ্বান জনায়। স্মৃতিচাৰণ অনুষ্ঠানৰ আন এগৰাকী বক্তা চি পি আই(এম) দলৰ ৰাজ্যিক সমিতিৰ সদস্য পিয়াৰুল ইছলাম আহমেদে কেৱল চাইকেল চলায়েই দলীয় সাংগঠনিক কামত ঘূৰিফুৰা প্ৰয়াত মনোহৰ দাসৰ কৰ্মোদ্যমৰ শলাগ লয়। আন এগৰাকী বক্তা হিতেশ নাথে এগৰাকী শিক্ষক হৈয়ো প্ৰয়াত মনোহৰ দাসে ছাত্ৰ-ছাত্ৰীসকলক নিষ্ঠাৰে শিক্ষাদান কৰাৰ লগতে সময় উলিয়াই দলৰ হকে সেৱা আগবঢ়াই যোৱাৰ কথা উল্লেখ কৰে। তেওঁ কয়-- ইয়াৰ দ্বাৰাই এগৰাকী শিক্ষক যে প্ৰকৃততে সমাজৰো শিক্ষক হ'ব পাৰে, সেই কথাষাৰিকেই তেওঁ প্ৰতিপন্ন কৰিছিল। কৃষক-শ্ৰমিকৰ যৌথ আন্দোলনেহে যে দেশৰ জনগণৰ সমস্যা সমাধান কৰিব পাৰে, সেই কথাও তেওঁ হৃদয়ংগম কৰিছিল বুলি আন এক মন্তব্য কৰে। অনুষ্ঠানত প্ৰয়াত দাসৰ সহধৰ্মিনী হিৰণ দাসে প্ৰয়াত দাসৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধা তৰ্পণ কৰে।

## ভাৰতত আক্ৰান্ত ২৫৭ জন, ছিংগাপুৰত ১৪ হাজাৰৰো অধিক

# আকৌ ঘূৰি আহিছে ক'ভিড! বিশ্ব স্বাস্থ্য সংস্থাৰ মতে সত্যটো কি?

**নতুন দিল্লী, ১৯ মে':** আকৌ ঘূৰি আহিছে নেকি ক'ভিড-১৯ সংক্ৰমণৰ ভয়াৱহ দিনবোৰ? শেহতীয়া কিছুমান বাতৰিয়ে সম্প্ৰতি বহুতকে আতংকিত কৰি ৰাখিছে। প্ৰকৃততে দক্ষিণপূৱ এছিয়াৰ কিছু অংশত ক'ভিড-১৯ৰ সংক্ৰমণৰ সংখ্যা কিছু বৃদ্ধি পোৱাৰ পাছতে ভাৰততো শংকাৰ সৃষ্টি হৈছে। অঞ্চলটোত সম্ভাব্য নতুন ঢৌৰ আশংকা বৃদ্ধি পাইছে। বিগত ১২ মে'ত দেশৰ স্বাস্থ্য মন্ত্ৰালয়ে প্ৰকাশ কৰা তথ্য মতে বৰ্তমান কেৰালা, তামিলনাডু আৰু মহাৰাষ্ট্ৰকে ধৰি বিভিন্ন স্থানত ২৫৭ টা সক্ৰিয় ক'ভিড কে'ছ আছে। এই সংক্ৰমণসমূহ দক্ষিণ-পূৱ এছিয়াৰপৰা হোৱা বুলি অনুমান কৰা হৈছে। উল্লেখ্য যে, ২০২৩ চনৰ আগষ্ট মাহত প্ৰথমবাৰৰ বাবে ক'ভিড-১৯ৰ জেএন.১ ষ্ট্ৰেইন পোৱা গৈছিল আৰু বিশ্ব স্বাস্থ্য সংস্থাই সেই বছৰৰ ডিচেম্বৰ মাহত ইয়াক 'ভেৰিয়েন্ট অৱ ইন্টাৰেষ্ট' বুলি চিহ্নিত কৰিছিল। বিশ্ব স্বাস্থ্য সংস্থাৰ মতে জেএন.১ ভেৰিয়েন্টত প্ৰায় ৩০টা মিউটেচন আছে, আৰু ইয়াৰ ভিতৰত এলএফ.৭ আৰু এনবি.১.৮, শেহতীয়া সপ্তাহত পোৱা ৰোগীৰ ভিতৰত আটাইতকৈ বেছিকৈ পোৱা গৈছে। ইফালে দক্ষিণ-পূব এছিয়াত বেছিভাগ ৰোগীয়েই অমাইক্ৰন ভেৰিয়েন্ট জেএন.১ আৰু ইয়াৰ সম্পৰ্কীয় ভেৰিয়েন্টত আক্ৰান্ত। মে' মাহৰ আৰম্ভণিতে ছিংগাপুৰত ১৪,০০০তকৈ অধিক লোক ক'ৰোনাত আক্ৰান্ত হৈছিল, হংকং আৰু থাইলেণ্ডতো একেধৰণৰ সংক্ৰমণ দেখা গৈছে। ইটি হেল্‌থৱৰ্ল্ডৰ এক প্ৰতিবেদন অনুসৰি হংকং, ছিংগাপুৰ, চীন, থাইলেণ্ডত শেহতীয়াকৈ এই সংক্ৰমণ বৃদ্ধিৰ কাৰণ হৈছে সংক্ৰমণৰ বিৰুদ্ধে যুঁজিবলৈ এন্টিব'ডি হ্ৰাস পোৱা। প্ৰতিবেদনৰ উদ্ধৃতিৰে চিকিৎসা বিশেষজ্ঞসকলে মতে ভাৰততো সেয়াই হ'ব পাৰে বুলি আশংকা ব্যক্ত কৰিছে। এই পৰ্যন্ত ক'ভিড-১৯ৰ নতুন ভেৰিয়েন্টটো অধিক সংক্ৰামক বা মাৰাত্মক বুলি প্ৰমাণিত হোৱা নাই। কিন্তু ২০২০-২০২১ চনত এই ৰোগে সৃষ্টি কৰা বিধ্বংসী পৰিস্থিতিৰ পুনৰাবৃত্তিৰ পৰা আঁতৰি হাত সাৰিবলৈ সাৱধানতা অৱলম্বন কৰাটো প্ৰয়োজন।



বাংগালুৰুত কৃত্ৰিম বানত আবদ্ধ লোকক ট্ৰেক্টৰেৰে উদ্ধাৰৰ চেষ্টা, ফটো সোমবাৰৰ

# সকলোকে আশ্ৰয় দিবলৈ ভাৰত ধৰমশালা নহয়: ছুপ্ৰিম ক'ৰ্ট

**নতুন দিল্লী, ১৯ মে':** ভাৰতবৰ্ষ সমগ্ৰ বিশ্বৰ শৰণাৰ্থীক আতিথ্য দিব পৰা 'ধৰমশালা' নহয় বুলি দৃঢ়তাৰে মন্তব্য কৰি উচ্চতম ন্যায়ালয়ে আজি শ্ৰীলংকাৰ এজন নাগৰিকে কাৰাদণ্ডৰ পাছৰ বিতাড়নক প্ৰত্যাহ্বান জনাই দাখিল কৰা আবেদনক গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰে। ন্যায়াধীশ দিপাংকৰ দত্ত আৰু কে বিনোদ চন্দ্ৰনেৰে গঠিত বিচাৰপীঠে কয় যে, "ভাৰতত সমগ্ৰ বিশ্বৰ শৰণাৰ্থীক আতিথ্য দিয়া হ'বনে? আমি ইতিমধ্যে ১৪০ কোটি জনসংখ্যাৰ সৈতে সংগ্ৰাম কৰি আছো। এয়া কোনো ধৰ্মশালা নহয় য'ত আমি সকলো ঠাইৰ পৰা বিদেশী নাগৰিকক আমোদ আঁকোৱালি ল'ব পাৰোঁ।" আবেদনকাৰী শ্ৰীলংকাৰ তামিল নাগৰিকজনে নিজৰ দেশলৈ উভতি আহিলে নিজৰ জীৱনলৈ ভাবুকি আহিব বুলি উল্লেখ কৰি বিতাড়নৰ পৰা সুৰক্ষা বিচাৰিছিল। বিচাৰপীঠখন অৱশ্যে এই আবেদন নাকচ কৰি তেওঁক আন কোনোবা দেশলৈ যাবলৈ কয়। মাদ্ৰাজ উচ্চ ন্যায়ালয়ৰ আদেশক প্ৰত্যাহ্বান জনাই শীৰ্ষ আদালতে এক আবেদনৰ শুনানি গ্ৰহণ কৰিছিল, য'ত নিৰ্দেশ দিয়া হৈছিল যে বেআইনী কাৰ্যকলাপ (প্ৰতিৰোধ) আইনৰ অধীনত দোষী সাব্যস্ত হোৱা আবেদনকাৰীজনক ৭ বছৰৰ শাস্তি সম্পূৰ্ণ কৰাৰ লগে লগে বিতাড়িত কৰিব লাগিব। আজিৰ শুনানিৰ সময়ত আবেদনকাৰীৰ অধিবক্তাই যুক্তি আগবঢ়ায় যে তেওঁ শাস্তিৰ পিছত প্ৰায় তিনি বছৰ ধৰি আটক হৈ আছিল, কোনো ধৰণৰ বিতাড়নৰ প্ৰক্ৰিয়া আৰম্ভ নকৰাকৈ। তেওঁ লগতে কয় যে ভিছাৰে ভাৰতত প্ৰৱেশ কৰা আবেদনকাৰীয়ে শ্ৰীলংকালৈ ঘূৰাই পঠিয়ালে তেওঁৰ জীৱনলৈ গুৰুতৰ ভাবুকিৰ আহিব। অৱশ্যে বিচাৰপীঠখন নিজৰ সিদ্ধান্তত অটল থাকিল।

# ই-জিৰ' এফআইআৰ, চাইবাৰ অপৰাধীৰ বিৰুদ্ধে কঠোৰ গৃহ মন্ত্ৰণালয়

**নতুন দিল্লী, ১৯ মে':** অভূতপূৰ্ব গতিৰে চাইবাৰ অপৰাধীক গ্ৰেপ্তাৰ কৰিবলৈ নতুন ই-জিৰ' এফআইআৰ ব্যৱস্থা প্ৰৱৰ্তন কৰিছে গৃহ পৰিক্ৰমা মন্ত্ৰালয়ৰ অধীনস্থ ভাৰতীয় চাইবাৰ অপৰাধ সমন্বয় কেন্দ্ৰই। আজি 'এক্স'যোগে এই কথা প্ৰকাশ কৰে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে। দিল্লীৰ বাবে পাইলট প্ৰজেক্ট হিচাপে আৰম্ভ কৰা এই নতুন ব্যৱস্থাই ৰাষ্ট্ৰীয় চাইবাৰ অপৰাধ প্ৰতিবেদন পৰ্টেল (এনচিআৰপি) আৰু ১৯৩০ নং হেল্পলাইনত দাখিল কৰা চাইবাৰ বিত্তীয় অপৰাধক স্বয়ংক্ৰিয়ভাৱে এফআইআৰলৈ ৰূপান্তৰিত কৰিব। মন্ত্ৰীগৰাকীয়ে এই পদক্ষেপ অতি সোনকালে সমগ্ৰ দেশলৈ সম্প্ৰসাৰিত কৰা হ'ব বুলি জানিবলৈ দিয়ে। মোদী চৰকাৰে চাইবাৰ নিৰাপদ ভাৰত নিৰ্মাণৰ বাবে চাইবাৰ সুৰক্ষা গ্ৰীডক শক্তিশালী কৰি তুলিছে বুলিও গৃহমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

# ধাৰাসাৰ বৰষুণ, ভয়াৱহ কৃত্ৰিম বানৰ কবলত বাংগালুৰু

**বেংগালুৰু, ১৯ মে':** সোমবাৰে বাংগালুৰুত বছৰটোৰ আটাইতকৈ বেছি বৰষুণ হোৱাৰ ফলত সমগ্ৰ চহৰখন কৃত্ৰিম বানৰ কবলত পৰে। ২৪ ঘণ্টাত প্ৰায় ৪০ মিলিমিটাৰ বৰষুণ হয়। এই তীব্ৰ বৰষুণৰ ফলত ছাই লেআউটকে ধৰি কেইবাটাও নিম্নভূমি অঞ্চলত পানী জমা হয় আৰু বাসিন্দাসকলৰ ঘৰ প্লাৱিত হৈ পৰে আৰু সামগ্ৰীৰ ক্ষয়-ক্ষতি হয়। বতৰৰ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ভাৰতৰ বতৰ বিজ্ঞান বিভাগে বাংগালুৰু আৰু কৰ্ণাটকৰ আন ২২খন জিলাৰ বাবে য়েল্ল' এলাৰ্ট জাৰি কৰিছে, যিটো ২২ মে'লৈকে কাৰ্যকৰী হ'ব। অনাগত দিনত মহানগৰখনত অধিক বৰষুণ আৰু বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে। বতৰৰ প্ৰত্যাহ্বানৰ মাজতে কৰ্তৃপক্ষই চহৰখনত সম্ভাব্য যাতায়াতৰ ব্যাঘাত পৰিচালনা আৰু জনসাধাৰণৰ সুৰক্ষা নিশ্চিত কৰাত মনোনিৱেশ কৰিছে।

# পিক পেলোৱাৰ বাবে ৩২ লাখ টকাৰ জৰিমনা!

**কলকাতা, ১৯ মে' :** ইষ্টাৰ্ণ ৰে'লৱেয়ে চলিত বৰ্ষৰ প্ৰথম তিনিমাহত ৰে'ল ষ্টেচনত পিক পেলোৱা লোকৰ পৰা ৩২ লাখৰো অধিক জৰিমনা সংগ্ৰহ কৰিছে বুলি এগৰাকী বিষয়াই জানিবলৈ দিয়ে। সমগ্ৰ ইআৰ নেটৱৰ্কত ২০২৫ৰ জানুৱাৰীৰ পৰা মাৰ্চলৈকে পিক পেলোৱা আৰু আৱৰ্জনা পেলোৱাৰ বাবে মুঠ ৩১,৫৭৬ জন ব্যক্তিক শাস্তি প্ৰদান কৰা হৈছিল, যাৰ ফলত জৰিমনা হিচাপে ৩২,৩১,৭৪০ টকা সংগ্ৰহ কৰা হৈছিল বুলি তেওঁ কয়।

# বিভিন্ন দেশত কাৰাবন্দী ২৩, ৪৫৬ পাকিস্তানী নাগৰিক

**কৰাচী, ১৯ মে':** পাকিস্তানৰ বৈদেশিক মন্ত্ৰালয়ে প্ৰকাশ কৰিছে যে বৰ্তমান ২৩,৪৫৬ জন পাকিস্তানী নাগৰিক বিভিন্ন দেশত কাৰাগাৰত বন্দী হৈ আছে। ৰাষ্ট্ৰীয় বিধানসভাৰ প্ৰশ্নৰ সময়ত কৰা এক প্ৰশ্নৰ উত্তৰত মন্ত্ৰালয়ে কয় যে কাৰাগাৰত বন্দী হোৱা লোকৰ আধাতকৈ অধিক লোক চৌদি আৰৱত আছে, ১২,১৫৬ জন পাকিস্তানী কাৰাগাৰত আছে। ইউএইত দ্বিতীয় স্থানত আছে ৫,২৯২ জন, তাৰ পিছতে বাহৰেইনত ৪৫০ জন পাকিস্তানী লোক কাৰাবন্দী হৈ আছে। ড্ৰাগছ সম্পৰ্কীয় অপৰাধ আৰু জালিয়াতিৰ বাবে সৰ্বাধিক লোক আটক হৈ আছে। চীনত প্ৰায় ৪০০ পাকিস্তানী নাগৰিকে ড্ৰাগছ সৰবৰাহ, ধৰ্ষণ, ডকাইতি, নকল মুদ্ৰা ৰখাকে ধৰি অপৰাধৰ বাবে শাস্তি ভুগি আছে। ইফালে কাটাৰে চুৰি, নিচাযুক্ত দ্ৰব্য, হত্যা, ধন সৰবৰাহৰ, আৰ্থিক জালিয়াতিৰ দৰে একাধিক অপৰাধত ৩৩৮ জন পাকিস্তানীক কাৰাগাৰত ৰাখিছে। ওমানত ৩০৯ জন দোষী সাব্যস্ত হোৱা পাকিস্তানী, আৰু মালয়েছিয়া, য'ত ২৫৫ জন অবৈধ প্ৰৱেশ, ড্ৰাগছ সৰবৰাহ, হত্যা, যৌন নিৰ্যাতনকে ধৰি অপৰাধৰ বাবে জিম্মাত আছে।

# ছিপাঝাৰত পুখুৰীসদৃশ পথেৰে যাতায়াত তিনি বছৰেও মেৰামতি নহ'ল বানবিধ্বস্ত পথ

**ই-সংবাদ, ছিপাঝাৰ, ১৯ মে':** বাৰিষা নমাৰ লগে লগে দৰং জিলাৰ ছিপাঝাৰ সমষ্টিৰ কেইবাটাও পথত ৰাইজে যাতায়াতৰ নামত যমৰ যাতনা ভুগিবলগীয়া হোৱাটোৱে সমষ্টিটোৰ উন্নয়নৰ ফোঁপোলা স্বৰূপটো জলজল-পটপটকৈ উদঙাই দেখুৱাইছে। গুৰুত্বপূৰ্ণ পথসমূহৰ দুৰৱস্থাৰ বিষয়ে বিগত সময়ত সচেতন লোকসকলে সামাজিক মাধ্যমত বিযোদগাৰ কৰি অহাৰ সমান্তৰালভাৱে ছপা মাধ্যম আৰু বৈদ্যুতিন মাধ্যমত ধাৰাবাহিকভাৱে বাতৰি প্ৰকাশ হৈ অহাৰ পিছতো বিয়াগোম লোক নিৰ্মাণ বিভাগৰ বৰ বৰ বিষয়া সকলৰ লগতে সমষ্টিটোৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশী কুম্ভকৰ্ণ নিদ্ৰাত ব্যস্ত। একেদৰে বিগত পঞ্চায়ত নিৰ্বাচনত দলীয় প্ৰাৰ্থীক জিকাই অনাৰ স্বাৰ্থত এই পথসমূহেৰে একাধিকবাৰ বিধায়কজনে বিলাসী গাড়ীত উঠি যাতায়াত কৰি আহিছে যদিও পথৰ দুৰৱস্থাৰ ক্ষেত্ৰত ধৃতৰাষ্ট্ৰৰ ভাও লৈ আহিছে। বানে বিধ্বস্ত কৰি থৈ যোৱা কেইবাটাও পথ মেৰামতিৰ নামত মাথোঁ ভাষণবাজিতে সীমাৱদ্ধ থকা বিধায়কজনে তিনি বছৰ উকলি যোৱাৰ পিছতো কোনো পদক্ষেপ গ্ৰহণ নকৰিলে। এই কাকততে কেইবাবাৰো পথসমূহৰ দুৰৱস্থাকলৈ বাতৰি প্ৰকাশ হোৱাৰ পিছত একাংশ ৰাইজে কোৱা আৰম্ভ কৰিছে যে বিধায়কজনে বাতৰি কাকত নপঢ়ে আৰু সমষ্টি উন্নয়নক লৈও তেওঁ চূড়ান্তভাৱে ব্যৰ্থ বিধায়ক। উল্লেখ্য যে সমষ্টিটোৰ গুৰুত্বপূৰ্ণ কঠামাৰা চেঙেলীয়াঝাৰ পথ, ছিপাঝাৰ লাউজান পথ, লাউজান হালধা পথ, দুমুনিচকী লাউজান পথ, গণেশ কুঁৱৰীৰ কলিতাপাৰা সানোৱা পথ, হেতামতোলা সাহিত্য মনীষী উপবন পথকে ধৰি কেইবাটাও পথৰ দুৰৱস্থাই চৰম সীমা চুইছে। পথকেইটাত পথৰ নামত পুখুৰীসদৃশ গাঁতেৰে যান-বাহনকে ধৰি পথচাৰীসকলে যমৰ যাতনা ভুগি যাতায়াত কৰিবলৈ বাধ্য হোৱাৰ সমান্তৰালভাৱে সংঘটিত হৈ আহিছে প্ৰাণঘাতি দুৰ্ঘটনা। প্ৰণিধানযোগ্য যে ছিপাঝাৰ লাউজান পথ, লাউজান হালধা পথ, কলিতাপাৰা সানোৱা পথ কেইটা ২০২২ ৰ প্ৰলয়ংকৰী বানতে বিধ্বস্ত হোৱাৰ বিপৰীতে কঠামাৰা চেঙেলীয়াঝাৰ পথৰ একাংশ বিগত বৰ্ষত ননৈয়ে মথাউৰি ভঙাৰ ফলত বিনষ্ট হৈছিল। ইয়াৰ কঠামাৰা চেঙেলীয়াঝাৰ পথটোৰ পকীসমূহ এৰি গৈ যাতায়াতৰ অনুপযোগী হোৱাৰ লগতে নিতৌ সহস্ৰাধিক দুচকীয়া, তিনিচকীয়া আৰু চাৰিচকীয়া বাহন চলা পথটো তেনেই ঠেক হোৱাত যাতায়াতৰ নামত ৰাইজৰ অৱস্থা ভূতৰ ওপৰত দানহ পৰাৰ দৰে হৈছে। উল্লেগযোগ্য যে সমষ্টিটোৰ গুৰুত্বপূৰ্ণ পথসমূহৰ দুৰৱস্থাই ৰাইজক জীয়াতু ভোগাই আহিছে যদিও পথ মেৰামতি কৰাৰ ক্ষেত্ৰত লোকনিৰ্মাণ বিভাগ বা বিধায়কজনৰ তৎপৰতা ৰহস্যজনভাৱে হিমশীতল। তেনে পৰিপ্ৰেক্ষিতত সমাগত বিধানসভা নিৰ্বাচনত সমষ্টিটোত শাসকীয় দলটোক শ'লঠেকত পেলাবলৈ বিধায়কজনৰ সমষ্টি উন্নয়নত ব্যৰ্থতাই যথেষ্ট হ'ব বুলি সচেতন ৰাইজৰ মত। স্মৰ্তব্য যে মাথোঁ লোক নিৰ্মাণ বিভাগৰ পথেই নহয়, ছিপাঝাৰ উন্নয়ন খণ্ডৰ অন্তৰ্গত শতাধিক উপপথৰ অৱস্থাও তেনেই শোচনীয়। যাৰ বাবে ১ নং চেঙাপাৰাত কালি এগৰাকী বৃদ্ধাক চিকিৎসাৰ বাবে ঠেলাত কঢ়িয়াই নিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে। এইবেলি আগতীয়া বৰষুণৰ প্ৰকোপত পথসমূহৰ দুৰৱস্থাই এতিয়াই ৰাইজক জলা-কলা খুওৱাৰ বিপৰীতে সমাগত চাৰি মাহৰ ভৰ বাৰিষাৰ ছবিখন কল্পনা কৰিবলৈও ভয় লগা হ'ব। তেনে পৰিপ্ৰেক্ষিতত বিধায়ক ড° পৰমানন্দ ৰাজবংশীয়ে কি পদক্ষেপ গ্ৰহণ কৰে সেয়া লক্ষণীয় হ'ব।

# ধূলি আৰু বোকাৰ মাজত স্বকীয়তা হেৰুৱাইছে ঐতিহাসিক ধোদৰ আলিয়ে

**ই-সংবাদ, নাজিৰা, ১৯ মে':** আহোম শাসনৰ সময়ত নিৰ্মাণ হোৱা এটি বিশেষ পথ বৰ্তমান একেবাৰে ধ্বংস হৈ পৰা দেখা গৈছে। এই ঐতিহাসিক পথটো হৈছে ধোদৰ আলি। স্বৰ্গদেউ গদাধৰ সিংহৰ শাসনৰ সময়তে নিৰ্মাণ কৰা হৈছিল ধোদৰ আলিটো। ১৬৮১-১৬৯৫ চনৰ সময়ছোৱাত আহোম স্বৰ্গদেউ গদাধৰ সিংহৰ শাসনকালত প্ৰায় ২১২ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই আলিবাটটো নিৰ্মাণ কৰা হৈছিল। এই পথছোৱা নিৰ্মাণ কৰাৰ অন্তৰালত এটা বিশেষ ইতিহাস জড়িত হৈ আছে। সেই সময়ত ৰজাঘৰীয়া দায়িত্বৰপৰা হাত সাৰিবৰ বাবে ধোদৰ ভাও ধৰা গোঁসাই আৰু ভকতক ধৰি আনি এই পথটো সজোৱা হৈছিল বুলিও এক জনশ্ৰুতি বহুতৰে মুখত শুনিবলৈ পোৱা যায় অৰ্থাৎ ধোদসকলে এই পথটো নিৰ্মাণ কৰিছিল বাবেই পথটোৰ নাম ধোদৰ আলি হয়। কিন্তু চাৰিশ বছৰীয়া ঐতিহাসিক পথটো বৰ্তমান অস্তিত্বৰ সংকটত ভুগিছে। স্বৰ্গদেউ গদাধৰ সিংহই নিৰ্মাণ কৰি থৈ যোৱা পথটো বৰ্তমান ছিন্ন-বিছিন্ন হৈ পৰিছে। ধোদৰ আলিটোৰ নামতিৰ পৰা আমগুৰিলৈ যোৱা পথছোৱা ইমানেই বেয়া হৈ পৰিছে যে প্ৰতিজন আৰোহীয়ে কোনফালে গাড়ী, বাইক চলাব তাক লৈয়ে বিবুদ্ধিত পৰে। ৰ'দ দিয়া লগে লগেই চাৰিওফালে ধূলিময় হৈ পৰা পথছোৱাত প্ৰতিদিনেই আৰোহীসকল দুৰ্ঘটনাত পতিত হ'ব লগা হৈছে, বৰষুণ দিয়াৰ লগে লগে এই পথছোৱাত যাতায়ত ব্যৱস্থাই বন্ধ হৈ পৰে। ঐতিহাসিক পথটোৰ কাষত থকা বৃহত্তৰ অঞ্চলটোৰ প্ৰতিঘৰ লোকেই জীয়াতু ভুগিব লগা হৈছে। সমান্তৰালভাৱে নিজ নিজ কৰ্মৰ বাবে প্ৰতিদিনে এই পথেদি যাত্ৰা কৰা লোকসকলে সদায়ে কষ্ট অনুভৱ কৰিব লগা হৈছে। সমান্তৰালভাৱে বিদ্যালয়লৈ যোৱা ছাত্ৰ-ছাত্ৰীসকলেও প্ৰতিদিনে সমস্যাৰ সন্মুখীন হ'ব লগা হৈছে। বোকা আৰু ধূলিৰ মাজেৰে বিদ্যালয়লৈ যাব লগা হোৱা বাবেই ছাত্ৰ-ছাত্ৰীসকলেও ৰোগত আক্ৰান্ত হৈছে। ঐতিহাসিক পথটোলৈ নামি অহা বিপৰ্যয়ে বৰ্তমান চিন্তিত কৰি তুলিছে সচেতন মহলক।

# সোণাৰিত ত্ৰিৰংগা যাত্ৰা কাৰ্যসূচী সম্পন্ন



**ই-সংবাদ, সোণাৰি, ১৯ মে':** ৰাজ্যৰ অন্য প্ৰান্তৰ দৰে কালি চৰাইদেউ জিলাৰ সদৰ সোণাৰিতো দেশৰ বীৰ সৈনিকসকলক সন্মান আৰু উৎসাহ জনোৱাৰ লগতে ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নিৰ্ণায়ক নেতৃত্বক ধন্যবাদ জ্ঞাপন কৰাৰ উদ্দেশ্যে নাগৰিক সমাজৰ উদ্যোগত এক ত্ৰিৰংগা যাত্ৰা অনুষ্ঠিত কৰা হয়।। চৰাইদেউ জিলা বিজেপি কাৰ্যালয়ৰপৰা হাতে হাতে ত্ৰিৰংগ পতাকা লৈ সোণাৰি নগৰত উলিওৱা হয় সমদল। চৰাইদেউ জিলা বিজেপিৰ সভানেত্ৰী নিতুমণি প্ৰধান, সোণাৰি সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ, এপিজিচিএলৰ সঞ্চালক অনুপ সিং ৰাজপুৰোহিতৰ লগতে প্ৰাক্তন সৈনিক তথা নাগৰিক সমাজে অংশগ্ৰহণ কৰে ত্ৰিৰংগ যাত্ৰাৰ শোভাযাত্ৰাত।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

# লাহৰীঘাটত কৃষি জ্ঞান আৰু প্ৰশিক্ষণ কেন্দ্ৰ মুকলি

**ই-সংবাদ, লাহৰীঘাট, ১৯ মে':** শনিবাৰে ভাৰত চৰকাৰৰ কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ৰ মন্ত্ৰী শিৱৰাজ সিং চৌহানে ভাৰ্চুৱেল মাধ্যমৰ জৰিয়তে লাহৰীঘাট কৃষি জ্ঞান আৰু প্ৰশিক্ষণ কেন্দ্ৰ আনুষ্ঠানিকভাৱে মুকলি কৰে। শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত অনুষ্ঠানত অংশ গ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ মুঠ ২১ টা কেন্দ্ৰৰ লগতে মৰিগাঁও জিলাৰ লাহৰীঘাট কৃষি জ্ঞান আৰু প্ৰশিক্ষণ কেন্দ্ৰ মুকলি কৰি ৰাইজৰ বাবে উচৰ্গা কৰে। এই কাৰ্যসূচীৰ অংশস্বৰূপে বগলিপাৰাত নৱনিৰ্মিত কেন্দ্ৰটোৰ চৌহদত লাহৰীঘাটৰ সম জিলা আয়ুক্ত প্ৰাঞ্জল বৰুৱা আৰু জিলা কৃষি বিষয়া অশোক কুমাৰ শৰ্মাৰ উপস্থিতিত কৃষক ৰাইজৰ বাবে অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰৰ আয়োজন কৰাৰ লগতে কৃষক ৰাইজৰ সৈতে মতবিনিময় অনুষ্ঠানৰ আয়োজন কৰা হয়। ইয়াৰ উপৰি কলাক্ষেত্ৰত আয়োজিত উক্ত অনুষ্ঠানতে মৰিগাঁও জিলাৰ জাগীৰোড কৃষি চক্ৰৰ অধীনৰ উদ্যমী মহিলা কৃষক ইলা ডেকাক মন্ত্ৰীগৰাকীয়ে আনুষ্ঠানিকভাৱে ৰঞ্জিত চাব-১ জাতৰ ধানৰ বীজ প্ৰদান কৰে। ইয়াৰ লগতে জিলাখনৰ অগ্ৰণী খুচুৰা সাৰ ব্যৱসায়ী বাপ্পী ৰয়ক সাৰ ব্যৱসায়ত সুবিধা হোৱাকৈ এটা অত্যাধুনিক POS-L1 মেচিন আনুষ্ঠানিকভাৱে আগবঢ়ায়।

# খাৰুপেটীয়াত বিদ্যুৎস্পৃষ্ট হৈ যুৱকৰ মৃত্যু

**ই-সংবাদ, খাৰুপেটীয়া, ১৯ মে':** দৰঙৰ খাৰুপেটীয়া বিদ্যুৎ উপ-সংমণ্ডলৰ গাফিলতিত বিদ্যুৎস্পৃষ্ট হৈ এজন যুৱকৰ মৃত্যু হয়। এই ঘটনাই শোকৰ ছাঁ পেলায় ভোট পুখুৰী গাঁৱত। দীৰ্ঘদিন ধৰি ভোট পুখুৰী গাঁৱত তললৈ ওলমি আছিল উচ্চ ক্ষমতাসম্পন্ন বিদ্যুৎ পৰিবাহী তাঁৰ। গাঁওখনৰ আব্দুল ৰহমানৰ ২৪ বছৰীয়া পুত্ৰ জামাল হুছেইন আজি পুৱা গৈছিল ঘৰৰ কাষৰ মাকৈ খেতিত। মাকৈ খেতিৰ মাজত বিদ্যুৎস্পৃষ্ট হৈ ঢলি পৰে জামাল হুছেইন। মাকৈ খেতিত ধোঁৱা ওলোৱা দেখি আগবাঢ়ি যায় ওচৰ-চুবুৰীয়া লোক। সংকটজনক অৱস্থাত ততাতৈয়াকৈ যুৱকজনক মঙলদৈ অসামৰিক চিকিৎসালয়লৈ নিয়া হয় যদিও চিকিৎসকে যুৱকজনক মৃত বুলি ঘোষণা কৰে। বিদ্যুৎ বিভাগৰ বিষয়াসকল উপস্থিত নোহোৱা পৰ্যন্ত যুৱকজনক কবৰস্থ নকৰে বুলি মন্তব্য কৰে গাঁৱৰ ৰাইজে।

# মিৰ্জাত মি ফাউণ্ডেচনৰ উদ্যোগত এদিনীয়া কৰ্মশালা সম্পন্ন

**ই-সংবাদ, মিৰ্জা, ১৯ মে':** চৰ্চা আৰু অৱহেলা বাবে নিঃশেষ হৈ যাবলৈ ধৰা সংস্কৃত ভাষাৰ সজাগতাৰ ওপৰত মি ফাউণ্ডেচন স্বেচ্ছাসেৱী সংস্থাৰ উদ্যোগত দক্ষিণ কামৰূপৰ মিৰ্জা ছোৱালী হাইস্কুল প্ৰাংগণত ১৮ মে'ত সংস্কৃত পৰিচয়বৰ্গ নামেৰে এখনি এদিনীয়া কৰ্মশালা অনুষ্ঠিত কৰা হয়। শিক্ষয়িত্ৰী ইভা মজুমদাৰে আতঁধৰা এই অনুষ্ঠানটোত বন্তি প্ৰজ্বলন কৰে পলাশবাৰী আৰ বি উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ তথা সংস্কৃত শিক্ষক কৈলাস নাথ শৰ্মাই। ইয়াৰ পিছত জ্ঞানম মাইণ্ড একাডেমী বৰিহাট যোগ প্ৰশিক্ষিকা পুনম কলিতাই অংশগ্ৰহণকাৰীসকলক যোগ আৰু প্ৰাণায়ম কৰায়। কৰ্মশালাৰ সমল ব্যক্তি তথা অন্যতম সংস্কৃত শিক্ষক, সংস্কৃত চৰ্চাকাৰী ৰঞ্জন গোস্বামীয়ে প্ৰদৰ্শনী এখনি মুকলি কৰি এখন প্ৰতিযোগিতাৰ আয়োজন কৰে। উক্ত অনুষ্ঠানটোত শিক্ষক ৰঞ্জন গোস্বামীয়ে সংস্কৃতত সাৰুৱা ভাষণ ৰাখি কৰ্মশালাত উপস্থিত অংশগ্ৰহণকাৰীসকলক সংস্কৃত গীত আৰু শ্লোক পাঠ কৰায়। শেষত মি ফাউণ্ডেচন স্বেচ্ছাসেৱী সংস্থাৰ সভাপতি ড° শৈলেন্দ্ৰ কুমাৰ দাস, সম্পাদক পলাশ কুমাৰ দাস আৰু সমন্বয়ক স্বৰূপজ্যোতি শৰ্মাই প্ৰতিযোগীসকলক প্ৰ-পত্ৰ বিতৰণ কৰে। উল্লেখযোগ্য সংস্কৃত ভাষা শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰ বাবে কৰ্মশালা আয়োজন কৰিব লগা হোৱাটো একপ্ৰকাৰ দুৰ্ভাগ্যজনক কাৰণ সংস্কৃত ভাষা শিক্ষা হৈছে পুৰণি বৈদিক ভাষা এই ক্ষেত্ৰত চৰকাৰে বিষয়টো গুৰুত্বসহকাৰে লৈ ভাষাটো নিঃশেষ যাতে নহয় তাৰবাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাই মি ফাউণ্ডেচনৰ সভাপতি ড° শৈলেন্দ্ৰ কুমাৰ দাসে লগতে এই সংস্থাৰ জৰিয়তে আগন্তুক দিনত লেংগুৱেজ ছেন্টাৰ আৰু সংস্থাৰ তত্বাৱধানত দবা খেল অনুষ্ঠিত কৰি এই অঞ্চলৰ খেলুৱৈসকলক ৰাষ্ট্ৰীয় পৰ্যায়লৈ আগুৱাই নিবলৈ প্ৰচেষ্টা হাতত লৈছে। সংস্কৃত ভাষা শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যে আয়োজিত অনুষ্ঠানটোত উপস্থিত সমূহ ৰাইজৰ সহায়-সহযোগিতাত সাফল্যমণ্ডিত হোৱাত কৃতজ্ঞতা জনাই উদ্যোগক্তাসকলে।

# হৰিৰহাট গাঁও পঞ্চায়তত চাৰে সাত লাখ টকাৰ কাম এক লাখতে সমাপ্ত

**ই-সংবাদ, গোলকগঞ্জ, ১৯ মেঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ উন্নয়ন খণ্ডৰ হৰিৰহাট গাঁও পঞ্চায়তৰ অন্তৰ্গত পূৰ্ণী গাঁৱৰ কুঠিৰপাৰৰ এটা পথ নিৰ্মাণত ব্যাপক দুৰ্নীতি-অনিয়মৰ তথ্য পোহৰলৈ আহিছে। জানিব পৰা মতে, ২০২৩-২৪ বিত্তীয় বৰ্ষৰ এনৰেগা আঁচনিৰ অধীনত কুঠিৰপাৰৰ শিৱেন্দ্ৰ নাথ ৰায়ৰ মাটিৰ পৰা মনসা মন্দিৰ হৈ হৰিকান্ত ৰায়ৰ মাটিলৈ কৃষি বান্ধ (পথ) নিৰ্মাণৰ বাবে ৭.৪৮ লাখ টকা আৱণ্টন লাভ কৰে। উক্ত পথটো নিৰ্মাণৰ নামত অতিৰিক্ত এক লাখ টকা খৰচ কৰি বাকী ধন আত্মসাতৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। অভিযোগ মতে, এনৰেগা আঁচনিৰ অধীনত বনুৱাৰ দ্বাৰা মাটি পেলাব লাগে যদিও দায়িত্বত থকা বিষয়া-ঠিকাদাৰ-অভিযন্তা মিলি মাত্ৰ বিশ-পঁচিশ ট্ৰেক্টৰ মাটি পেলাই দায়িত্ব সামৰে। পথটোত থকা একমাত্ৰ কালভাৰ্টটোও মেৰামতি কৰা নাই আনকি কালভাৰ্ট ওপৰত এচপৰা মাটিও পেলোৱা নাই। যাৰফলত কালভাৰ্টৰ ওপৰেৰে যাতায়াত কৰা সমস্যা হৈ পৰিছে। উল্লেখ্য যে নিৰ্ধাৰিত পথটোৰ আধা অংশত এচপৰাকৈ মাটি পেলায়। বাকী আধা অংশত অলপো মাটি নেপেলোৱাৰ অভিযোগ উত্থাপিত হৈছে। মনসা মন্দিৰ লৈ পথটোৰ বহল মাত্ৰ তিনিফুট। মনসা পূজাৰ সময়ত ঐতিহ্যপূৰ্ণ মন্দিৰত সহস্ৰাধিক ৰাইজৰ সমাগম হয়। কিন্তু অহা-যোৱাৰ সুচল পথ নথকাৰ বাবে যমৰ যাতনা ভুগিব লগা হয়। মনসা মন্দিৰ হৈ হৰিকান্তৰ ঘৰলৈ পথটো নিৰ্মাণৰ বাবে যি বুজন পৰিমাণৰ ধন বিভাগীয়ভাৱে আৱণ্টন দিছিল মনসা মন্দিৰৰ ওচৰে-পাজৰে কোনো কাম নকৰাকৈ কেনেদৰে ব্যয় হোৱা দেখুৱালে সেয়াই গাঁওখনৰ ৰাইজৰ মাজত কৌতুহলৰ সৃষ্টি হৈছে। গোলকগঞ্জ উন্নয়ন খণ্ড কাৰ্যালয়ৰপৰা খণ্ড উন্নয়ন বিষয়া কণিষ্ঠ অভিযন্তা নিজে চব জমিন তদন্ত কৰি সকলো প্ৰতক্ষ কৰাৰ পিছতো কাম সম্পূৰ্ণ নকৰাকৈ কেনেকৈ আৱন্টিত ধন তুলিবলৈ সক্ষম হল ইয়াৰ এক উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী জনাইছে ৰাইজে।



অসম-নাগালেণ্ডৰ মাজত সমন্বয় স্থাপনৰ উদ্দেশ্যে ইয়ংলকত সাংস্কৃতিক বিনিময়, ফটোঃ ই-সংবাদ, নাজিৰা

# স্বৰ্গদেউসকলৰ স্মৃতি তৰ্পণৰ স্থায়ী সমিতিৰ গঠন

**ই-সংবাদ, মথুৰাপুৰ, ১৯ মে':** চৰাইদেউ মৈদাম ক্ষেত্ৰত অনুষ্ঠিত ৰাজহুৱা সভাত স্বৰ্গদেউসকলৰ স্মৃতি তৰ্পণৰ স্থায়ী সমিতিখন পুনৰ গঠন কৰা হয়। সমাজকৰ্মী তথা অধিবক্তা ডম্বৰু ৰাজকোঁৱৰৰ সভাপতিত্বত অনুষ্ঠিত হোৱা এখন ৰাজহুৱা সভাত চৰাইদেউৰ লগতে শিৱসাগৰ জিলাৰ বহুকেইজন বিশিষ্ট ব্যক্তিৰ উপস্থিতিত সোণাৰিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰক সভাপতি, সত্যেন কোঁৱৰ, অৰুণ গগৈ আৰু অতুল ৰাজকোঁৱৰক কাৰ্যকৰী সভাপতি, ৰিতুল ৰাজকোঁৱৰ, পবিত্ৰ গগৈক যুটীয়া সম্পাদক, মৃদুল কোঁৱৰক কোষাধ্যক্ষ, বিৰেশ্বৰ বড়া আৰু প্ৰসূন ৰাজকোঁৱৰক মুখ্য ব্যৱস্থাপক হিচাপে লৈ স্থায়ী সমিতিখন গঠন কৰা হয়। উল্লেখ্য যে যোৱা ১৮ মাৰ্চত পুৰণা সমিতিয়ে পদত্যাগ কৰাত ৬ এপ্ৰিলত অনুষ্ঠিত ৰাজহুৱা সভাই সৰ্বসন্মত প্ৰস্তাৱ অনুসৰি স্থায়ী সমিতি গঠনৰ বাবে এখন তদৰ্থ সমিতি গঠন কৰে। সেই অনুসৰি দেওবাৰে ৰাজহুৱা সভাই পৰৱৰ্তী কাৰ্যকালৰ বাবে স্বৰ্গদেউসকলৰ স্মৃতি তৰ্পণ স্থায়ী সমিতিখন সৰ্বসন্মতিক্ৰমে গঠন কৰে।

# অগপই গঠন কৰিব বিধায়ক ডঃ হাফিজ ৰফিকুলৰ গৃহ পঞ্চায়ত

**ই-সংবাদ, কলগাছিয়া, ১৯ মে':** মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই পঞ্চায়ত গঠনৰ দিন ঘোষণা কৰাৰ পিছতেই গাঁও পঞ্চায়ত গঠনক লৈ বিভিন্ন কূট কৌশল ৰচনা কৰিছে নিৰ্বাচিত ৱাৰ্ড মেম্বৰসকলে। একাংশ পঞ্চায়ত সদস্যই সভাপতিৰ আসন দখল কৰিবলৈ লাখ লাখ টকা খৰচ কৰি সদস্য ক্ৰয় কৰিবলৈ উঠি পৰি লাগিছে। এনে সময়ত ৪০ নং কলগাছিয়া গাঁও পঞ্চায়তৰ সভাপতিৰ আসন দখল কৰিবলৈ কলগাছিয়া ৮ নং খণ্ডৰ সদস্য মোস্তাক মহম্মদ মেহেদিৰ নেতৃত্বত ৭ গৰাকীকৈ নিৰ্বাচিত ৱাৰ্ড সদস্যই সোমবাৰে অসম গণ পৰিষদ দলত আনুষ্ঠানিকভাৱে যোগদান কৰে। মন কৰিবলগীয়া যে, জনীয়া সমষ্টিৰ বিধায়ক ডঃ হাফিজ ৰফিকুল ইছলামৰ গৃহ পঞ্চায়ত ৪০ নং কলগাছিয়া গাঁও পঞ্চায়তখন অগপ দলে দখল কৰাটো প্ৰায় নিশ্চিত হৈ পৰিছে। পঞ্চায়তৰ ৱাৰ্ড সদস্যসকল নিৰ্দলীয়ভাৱে নিৰ্বাচিত হৈছিল যদিও টকাৰ লোভত ভোটাৰ ৰাইজক বুঢ়া আঙুলি দেখুৱাই ৬/৭ লাখ টকাত নিজকে বিক্ৰী কৰি এজনক সভাপতি বনোৱাৰ স্বাৰ্থত অসম গণ পৰিষদ দলত আনুষ্ঠানিক যোগদান কৰা বুলি ৰাইজে অভিযোগ উত্থাপন কৰিছে। এই ঘটনাক কেন্দ্ৰ কৰি কলগাছিয়াত সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়াৰ। জানিব পৰা মতে, ৪০ নং কলগাছিয়া গাঁও পঞ্চায়তৰ অন্তৰ্গত ১ নং খণ্ডৰ নাজমা খাতুন, ৩ নং খণ্ডৰ ছালেহা খাতুন, ৪ নং খণ্ডৰ জাকিৰ হুছেইন, ৫ নং খণ্ডৰ ছাইফুল ইছলাম খান, ৬ নং খণ্ডৰ শিৰাজুল হক, ৮ নং খণ্ডৰ সদস্য মোস্তাক মহম্মদ মেহেদি আৰু ১০ নং খণ্ডৰ সদস্য সাহানাজ পাৰবীনে সোমবাৰে বৰপেটাস্থিত অসম গণ পৰিষদৰ মুখ্য কাৰ্যালয়ত অগপৰ বৰপেটা জিলা সভাপতি গুনিন্দ্ৰ নাথ দাস আৰু ৰাজ্যিক উপ-সভাপতি তাৰা প্ৰসাদ দাসৰ উপস্থিতিত আনুষ্ঠানিকভাৱে অগপত যোগদান কৰে। ফলত ৮ নং খণ্ডৰ সদস্য মোস্তাক মহম্মদ মেহেদিয়ে ৪০ নং কলগাছিয়া গাঁও পঞ্চায়তৰ সভাপতি হোৱাটো প্ৰায় নিশ্চিত হৈ পৰিছে। ইফালে, নিৰ্বাচনত জয়ী হোৱাৰ পিছত জনপ্ৰতিনিধিয়ে ৰাইজৰ কাম কৰিব বুলি ভোটাৰ ৰাইজে আশা কৰিছে যদিও কোটি টকা খৰচ কৰি সভাপতিৰ আসন দখল কৰা প্ৰতিনিধিগৰাকীয়ে দুৰ্নীতি নকৰাকৈ এই বৃহৎ সংখ্যক টকা কেনেকৈ তুলিব বুলি ভোটাৰ ৰাইজে প্ৰশ্ন উত্থাপন কৰিছে। সেয়ে পঞ্চায়তত যাতে দুৰ্নীতি সংঘটিত নহয়, বিষয়টোৰ প্ৰতি চোকা দৃষ্টি ৰাখিবলৈ অসম চৰকাৰক আহ্বান জনাইছে ভোটাৰ ৰাইজে।

# নলবাৰীত অসম প্ৰদেশ সাংবাদিক সন্থাৰ দ্বিতীয় দ্বি-বাৰ্ষিক অধিৱেশন সম্পন্ন

**ই-সংবাদ, বাঁহজানী, ১৯ মে':** অসম প্ৰদেশ সাংবাদিক সন্থা চমুকৈ আপজুৰ নলবাৰী জিলা সমিতিৰ আতিথ্যত কালি নলবাৰীৰ এম এন চি বালিকা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায় দ্বিতীয় দ্বি-বাৰ্ষিক কেন্দ্ৰীয় অধিৱেশন। দুপৰীয়া অসম প্ৰদেশ সাংবাদিক সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি কুন্তল কলিতাৰ পৌৰোহিত্যত অনুষ্ঠিত অধিৱেশনৰ মুকলি সভাত জাৰ্ণাল এম্পʼৰিয়ামৰ স্বত্বাধিকাৰ তথা পুথি প্ৰকাশক সুৰেন্দ্ৰ চন্দ্ৰ বৈশ্য, সমাজসেৱক তাহেৰ আলীক সম্বৰ্ধনা জনোৱা হয়। আদৰণি সমিতিৰ কাৰ্যকৰী সভাপতি ডঃ সঞ্জীৱ কুমাৰ গোস্বামীয়ে আদৰণি ভাষণ দিয়া আৰু কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক চম্পক বৈশ্যই আঁতধৰা অনুষ্ঠানৰ সভাখন উদ্বোধন কৰি বিশিষ্ট সমাজসেৱক তথা নলবাৰীৰ নৰদ্বীপ হস্পিতালৰ অধ্যক্ষ গনেশ তামুলীয়ে ভাষণত এগৰাকী প্ৰকৃত সাংবাদিকে সংবাদ ক্ষেত্ৰখনত নিজকে সেৱাৰ মনোভাবেৰে উচৰ্গিত কৰে বুলি উল্লেখ কৰে। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি নাট্যকাৰ, লেখক সমালোচক নৰৰত্ন পাটোৱাৰীয়ে ভাষণত সাংবাদিক সকল কণ্ঠহীনৰ কণ্ঠ আৰু দৰিদ্ৰ নিপীড়িতসকলৰ মুখৰ মাত বুলি উল্লেখ কৰি সাংবাদিকসকলক সংবাদ জগতৰ সংসদ বুলি অভিহিত কৰে। আদৰণি সমিতিৰ কাৰ্যকৰী সভাপতি ডঃ সঞ্জীৱ কুমাৰ গোস্বামীয়ে ভাষণত সাংবাদিকসকলৰ নীতি-নিয়মৰ ওপৰত বক্তব্য ৰাখে। নিমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক বিজন বায়ন, সদৌ অসম ছাত্ৰ সন্থাৰ উপ-সভাপতি ভৱজিৎ বেজবৰুৱা। মুকলি সভাখনত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি বক্তব্য ৰাখে নলবাৰী জিলা সাহিত্য সভাৰ সভাপতি ডঃ বীৰেণ কুমাৰ চক্ৰৱৰ্তীয়ে। শলাগৰ শৰাই আগবঢ়াই আদৰণি সমিতিৰ সাধাৰণ সম্পাদক দিলজিত বৰ্মনে। ইয়াৰ পূৰ্বে ৰাতিপুৱাৰ ভাগত আপজুৰ কেন্দ্ৰীয় সমিতিৰ পতাকা উত্তোলন কৰে সভাপতি কুন্তল কলিতাই। নলবাৰী জিলা সমিতিৰ সাধাৰণ সম্পাদক প্ৰণৱজ্যোতি কলিতাই আঁতধৰা স্মৃতি তৰ্পণ অনুষ্ঠানটোত আপজুৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি অৰূপ ৰঞ্জন বৰ্মন, সাধাৰণ সম্পাদক চম্পক বৈশ্য, উপদেষ্টা তথা সাংবাদিক পেঞ্চনাৰ ৰত্নেশ্বৰ তালুকদাৰ, উপদেষ্টা কুঞ্জমোহন ৰায়, বিশিষ্ট অভিনেতা তথা নাট্যকাৰ ধীৰেণ কুমাৰ বৰ্মন, ক্ৰীড়া সংগঠক সত্যেন্দ্ৰ শৰ্মাই বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰে। ইয়াৰ পিছত আপজুৰ সভাপতি কুন্তল কলিতাৰ পৌৰোহিত্যত অনুষ্ঠিত হয় কাৰ্যনিৰ্বাহক সভা। মুকলি সভাখনৰ পিছতেই অনুষ্ঠিত বিষয় বাচনি সভাত আগন্তুক দুটা বৰ্ষৰ বাবে আপজুৰ নতুন সমিতিত অৰূপ ৰঞ্জন বৰ্মনক সভাপতি, প্ৰণৱ ডেকাক কাৰ্যকৰী সভাপতি, আব্দুল চোবাহান আলীক সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত কৰা হয়। সন্ধিয়া বন্তি প্ৰজ্বলন কৰে আপজুৰ নলবাৰী জিলা সমিতিৰ উপদেষ্টা প্ৰদীপ কুমাৰ কলিতাই।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

# দলীয় ক্ষমতা কৰ্তনৰ পাছত সংবাদমেলত নিজৰ চাফাই দিলে ন-বিজেপি নেতা মুজিবুৰ ৰহমানে

**ই-সংবাদ, ৰূপহীহাট, ১৯ মে:** সদ্যসমাপ্ত পঞ্চায়ত নিৰ্বাচনত চামগুৰিত বিজেপি বিফল হোৱাক লৈ দলীয় কৰ্মীৰ মাজত চলিছে তীব্ৰ বিতৰ্ক। অগপ নেতা মুজিবুৰ ৰহমানৰ মইমতালিৰ বাবে চামগুৰিত বিজেপি বিফল হোৱাৰ অভিযোগ।বিগত উপ-নিৰ্বাচনত চামগুৰি সমষ্টিৰ পৰা প্ৰায় ২৭ হেজাৰ ভোটৰ ব্যৱধানত বিজেপিৰ প্ৰাৰ্থী দিল্লুৰঞ্জন শৰ্মা জয়ী হোৱাৰ পিচত গেৰুৱা দলটোৰ ৰাজ্যিক নেতৃত্বই সংখ্যালঘু বসতিপ্ৰধান সমষ্টিসমূহত ২০২৬ত খোপনি পোতাৰ লক্ষ্য স্থিৰ কৰিছিল। তদুপৰি উপ-নিৰ্বাচনত সংখ্যালঘু অধ্যুষিত সমষ্টিটোত বিজেপি প্ৰাৰ্থীগৰাকী জয়ী হোৱাৰ বাবেই ৰূপহী, ধিং আৰু লাহৰীঘাটত দলটোৰ নেতৃত্ব বিশেষভাবে সক্ৰিয় হৈ উঠিছিল। যাৰবাবে চামগুৰিত প্ৰাক্তন পঞ্চায়ত সভাপতি তথা সাংসদ ৰকিবুল হুছেইনৰ একালৰ অতি ঘনিষ্ঠ মজিবুৰ ৰহমানে লাভ কৰিছিল বহু ক্ষমতা। ব্যাপক ক্ষমতাৰে বলীয়ান হৈ পৰা মজিবুৰ ৰহমান আৰু তেওঁৰ সাংগো-পাংগোৰ বিগত সময়ছোৱাত কৰি অহা কেতবোৰ কাম-কাজৰ বাবেই ক্ৰমান্নয়ে বিজেপিৰ জনপ্ৰিয়তা হ্ৰাস পাইছিল চামগুৰি সমষ্টিত। যাৰ স্পষ্ট ৰূপ দেখিবলৈ পোৱা গ'ল সদ্যসমাপ্ত পঞ্চায়ত নিৰ্বাচনত। কিয়নো সমষ্টিটোৰ অন্তৰ্গত চাৰিওটা জিলা পৰিষদৰ বাহিৰেও ওঠৰখন গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য পদত অগপ, বিজেপি মিত্ৰজোটৰ প্ৰাৰ্থীসকলে শোচনীয় পৰাজয়বৰণ কৰে। মজিবুৰ ৰহমানৰ শ্ৰুতলিপি অনুসৰি এচাম গণবিচ্ছিন্ন আৰু ন-বিজেপি নেতাক দলীয় টিকট প্ৰদান কৰাটোৱেই অগপ-বিজেপি মিত্ৰজোঁট পঞ্চায়ত নিৰ্বাচনত বেয়াকৈ মুখথেকেচা খোৱাৰ অন্যতম কাৰণ হিচাপে সৰ্বত্ৰ চৰ্চিত হৈছে। মজিবুৰ ৰহমানৰ অহংকাৰ, বহু জেষ্ঠ তথা পুৰণি কৰ্মীক গুৰুত্ব নিদিয়া, সমষ্টিটোৰ একাংশ বিজেপি সমৰ্থকৰ উদ্ভণ্ডালি আৰু সাংসদ ৰকিবুল হুছেইনৰ ওপৰত সমাজবিৰোধী চক্ৰই চলোৱা আক্ৰমণৰ বাবেই সমষ্টিবাসী ভীষণ অতিষ্ঠ হৈ মিত্ৰজোটৰ প্ৰাৰ্থীসকলক পঞ্চায়ত নিৰ্বাচনত প্ৰত্যাখ্যান কৰিলে বুলি ইতিমধ্যে বিভিন্ন সংবাদ মাধ্যমত ব্যাপক চৰ্চা চলিছে। তদুপৰি যোৱা ৩ মে'ৰ নিশা শিঙিমাৰী জিলা পৰিষদৰ নিৰ্দলীয় প্ৰাৰ্থী আনজুমা বেগমক একাংশ লোকে একাংশ লোকে মুখত ক'লা কাপোৰ পিন্ধি মুকলিভাৱে প্ৰহাৰ কৰি গুৰুতৰভাৱে আহত কৰে তিনিজনকৈ লোকক। এনেবোৰ কাৰণতে বিজেপি প্ৰাৰ্থীসকলৰ পৰাজয়ৰ পৰিপ্ৰেক্ষিতত সমষ্টিটোত অগপ-বিজেপি মিত্ৰজোঁটৰ পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ দায়িত্বত থকা মজিবুৰ ৰহমানৰ সকলোধৰণৰ দলীয় ক্ষমতা কৰ্তন কৰিবলৈ বিজেপিৰ শীৰ্ষ নেতৃত্ব বাধ্য হয়। ইয়াৰ পিছতেই মজিবুৰ ৰহমানে নগাঁও প্ৰেছ ক্লাবত এখন সংবাদমেল আয়োজন কৰি নিজকে ধোৱা তুলসীৰ পাত সজাবলৈ চেষ্টা কৰে। ৰহমানে চামগুৰি সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা বৰ্তমানৰ ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনে পঞ্চায়ত নিৰ্বাচনত বিজেপিৰ বিৰুদ্ধে বিভিন্ন সাম্প্ৰদায়িক মন্তব্য প্ৰকাশ কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। ৰহমানে সংবাদমেল সম্বোধন কৰি কয়-- চামগুৰিত সাম্প্ৰদায়িক অপ-প্ৰচাৰৰ জৰিয়তে কংগ্ৰেছ জয়ী হৈছে। চৰম মিথ্যাচাৰৰ আশ্ৰয় লৈছিল ৰকিবুল হুছেইনে। আনকি মুছলমান মৰিলে কবৰ দিয়া বন্ধ হ'ব বুলি প্ৰচাৰ চলাইছিল। মছজিদত আজান দিয়া বন্ধ কৰা হ'ব, বোৰ্খা নিষিদ্ধ কৰা হ'ব বুলি প্ৰচাৰ চলাইছিল ৰকিবুলে। এনেধৰণৰ অপপ্ৰচাৰৰ বাবেই বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীসকল হাৰিলে যদিও কম ভোটৰ ব্যৱধানত পৰাজিত হোৱা বুলি মজিবুৰ ৰহমানে মত প্ৰকাশ কৰে। তদুপৰি পৰাজয়ৰ বাবে মজিবুৰে নগাঁও জিলা প্ৰশাসনকো জগৰীয়া কৰি নিজৰ ব্যৰ্থতা ঢাকিবলৈ অপচেষ্টা চলায়। তেওঁ জিলা প্ৰশাসনৰ বিৰুদ্ধে গণনা কক্ষত বিজেপি কাউন্টিং এজেন্টৰ ওপৰত সন্ত্ৰাস চলোৱাৰ গুৰুতৰ অভিযোগ তোলাৰ লগতে জিলা প্ৰশাসনে বিজেপিৰ কাউন্টিং এজেন্টৰ সৈতে সহযোগ নকৰা বুলি কয়। ইপিনে কংগ্ৰেছৰ আশীৰ্বাদপুষ্ট একাংশ ৰেব প'ৰ্টেলৰ বিৰুদ্ধে এক কোটি টকাৰ মানহানি গোচৰ তৰাৰো সিদ্ধান্ত লোৱা হৈছে বুলি নেতাজনে সদৰী কৰে।

---

## ‘আমাৰ অঞ্চল আমাৰ গৌৰৱ’ শীৰ্ষক অভিনন্দন, মত বিনিময় অনুষ্ঠান সম্পন্ন

**ই-সংবাদ, আমগুৰি, ১৯ মেঃ** “প্ৰতিযোগিতাসৰ্বস্ব পৃথিৱীত প্ৰতিযোগিতা আৰু প্ৰতিদ্বন্দ্বিতাত টিকি থাকিবলৈ হ’লে নিজকে সৰ্বতোপ্ৰকাৰে সাজু কৰিব লাগিব । সমন্তৰালভাৱে জীৱনটোক আত্মিক আৰু আন্তৰিকভাৱে সজাই তুলিবলৈও যত্নবান হ’ব লাগিব। নহলে জীৱনটো জীৱন নহৈ এটা যন্ত্ৰত পৰিণত হ’ব। যান্ত্ৰিক পৃথিৱীখনত হেৰাই যাবলৈ বেছি সময় নালাগে। নিজৰ মাজত থকা উদ্ভাৱনী শক্তিক কামত লগাই মন আৰু মগজুত পিতৃ-মাতৃৰ প্ৰতি স্নেহ সমাজৰ প্ৰতি দায়বদ্ধ হৱলৈ সন্তানক সমাজৰ সৈতে একাত্ম কৰি তোলা পক্ৰিয়াটো অভিভাৱকসকলে কৰি তুলিব লাগিব। নশ্বৰসৰ্বস্ব শিক্ষাক ছাত্ৰ-ছাত্ৰীসকলে জ্ঞানলৈ ৰূপান্তৰ কৰিব লাগিব। জনপ্ৰিয় কণ্ঠশিল্পী মনোজ বড়াৰ বিশেষ উদ্যোগত গৌৰীসাগৰ নকটানীৰ নবীন নগৰৰ নিজা বাসগৃহত আমাৰ অঞ্চল আমাৰ গৌৰৱ শীৰ্ষক অভিনন্দন আৰু মত বিনিময় অনুস্থানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি এইদৰে কয় গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ তথা বিশিষ্ট নিবন্ধকাৰ ড° সব্যসাচী মহন্তই। উচ্চ আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা মুঠ ৪৩ গৰাকী ছাত্ৰ-ছাত্ৰীক ফুলাম গামোচা, সম্বৰ্দ্ধনা-পত্ৰ আৰু কিতাপৰ টোপোলাৰে সম্বৰ্ধনা জনোৱা অনুস্থানটিত ড০ মহন্তই আৰু কয়-- শিল্পী মনোজ বৰাৰ এই বদান্যতাক ছাত্ৰ-ছাত্ৰীসকলে সামাজিক দায়বদ্ধতা বুলি গণ্য কৰি হৃদয়ৰে হৃদয়ৰ লগত সংযোগ কৰি কেৱল যন্ত্ৰৰ ওপৰত নিৰ্ভৰশীল নহৈ নিজক উপযোগীকৈ গঢ় দিলে জীৱন অনপম হৈ পৰিব। বিশিষ্ট সাহিত্যিক জীৱনকৃষ্ণ গোস্বামী আৰু শিল্পী মনোজ বড়াই আঁতধৰা অনুস্থানটিত অনন্যা দত্তই দশাৱতাৰ নৃত্য আৰু জ্যোৎস্না বৰাই আধুনিক নৃত্য প্ৰদৰ্শন আৰু বিশিষ্ট চিকিৎসক কণ্ঠশিল্পী ডা° প্ৰবোদ্ধ প্ৰসাদ চেতিয়াই গীত পৰিৱেশন কৰে। দিখৌমুখ মহাবিদ্যালয় অধ্যক্ষ ড° ৰঞ্জিত কুমাৰ বৰুৱাই অভিনন্দিত ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি বক্তব্য প্ৰদান কৰা সভাখনত অৱসৰী শিক্ষক প্ৰদীপ দত্ত, তৰুণ গগৈ, ধ্ৰুৱ শইকীয়া, ফুলেশ্বৰ বৰা, শিক্ষক ৰাতুল দত্ত, বিশিষ্ট সমাজকৰ্মী শান্তনু চেতিয়া, ঠানু ভৰালী, জিতু দত্ত, মাধুৰ্য্য দত্ত, ৰুণুমী বৰা, ভূপেন্দ্ৰ বৰা, পংকজ বৰা, সাংস্কৃতিক কৰ্মী মন্টু কলিতাকে ধৰি বহুকেইজন বিশিষ্ট ব্যক্তি অতিথি হিচাপে উপস্থিত থাকে।

## গোলকগঞ্জত যুৱতী অপহৰণৰ চেষ্টা, চাঞ্চল্য

**ই-সংবাদ, গোলকগঞ্জ, ১৯ মেঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত দক্ষিণ টোকৰেৰছৰা প্ৰথম খণ্ড গাঁৱত কালি পুৱা ঘৰত সোমাই এগৰাকী যুৱতীক বলপূৰ্বক অপহৰণ কৰাৰ চেষ্টা চলোৱা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, ওতাৰবন্দ গাঁৱৰ প্ৰসন্ন ৰায়ৰ পুত্ৰ মনজিত ৰায়ে পুৰা পূৰ্ব পৰিকল্পিতভাৱে কাষৰীয়া দক্ষিণ টোকৰেৰছৰা প্ৰথম খণ্ড গাঁৱৰ এগৰাকী যুৱতীৰ ঘৰত অতৰ্কিত আক্ৰমণ চলায়। মনজিতে দুৱাৰ ভাঙি ঘৰৰ ভিতৰত অনধিকাৰ প্ৰৱেশ কৰি যুৱতী গৰাকীক কান্ধত দাঙি লগত লৈ অহা বাহনত উঠাই অপহৰণৰ চেষ্টা চলায়। যুৱতীগৰাকীৰ চিঞৰ-বাখৰত ওচৰ-চুবুৰীয়া আগবাঢ়ি অহাত যুৱতীগৰাকীক এৰি পলায়ন কৰে। উল্লেখ্য যে যোৱা এক আগষ্টতো অনুৰূপ ঘটনা সংঘটিত কৰিছিল মনজিত ৰায়ে। জোৰ-জবৰদস্তি দিয়া বিবাহ প্ৰস্তাৱ যুৱতীগৰাকীয়ে নাকচ কৰাত সেইবাৰো চোকা অস্ত্ৰ দেখুৱাই অপহৰণৰ চেষ্টা চলাইছিল। নিৰাপত্তাহীনতাত ভোগা যুৱতীগৰাকী আজি উপায়ন্তৰ হৈ গোলকগঞ্জ থানাত এজাহাৰ দাখিল কৰে।

# সন্ত্ৰাসবাদীৰ বিৰুদ্ধে চৰকাৰে লোৱা সিদ্ধান্তৰ প্ৰতি পূৰ্ণ সমৰ্থন জমিয়তৰ

## বেচিমাৰীত সম্বৰ্ধনা সভা

**ই-সংবাদ, দলগাঁও, ১৮ মে':** সন্ত্ৰাসবাদীৰ বিৰুদ্ধে চৰকাৰে লোৱা যিকোনো সিদ্ধান্তৰ সপক্ষে আছে জমিয়ত। দৰং জিলা জমিয়তৰ উদ্যোগত বেচিমাৰী পৰিদৰ্শন বঙলা প্ৰেক্ষাগৃহত আয়োজিত এখনি সম্বৰ্ধনা অনুষ্ঠানত এই মন্তব্য আগবঢ়াই অসম ৰাজ্যিক জমিয়ত উলামাৰ সভাপতি মৌলানা মোস্তাক আনফৰ নেতৃত্বাধীন জমিয়তৰ ৰাজ্যিক সাধাৰণ সম্পাদক মৌলানা কলিম উদ্দিন আহমেদে। কালি দৰং জিলা জমিয়তৰ উদ্যোগত সদ্য ঘোষিত ২০২৪-২৫ বৰ্ষৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত ৮৫ শতাংশ উৰ্ধৰ নম্বৰ লাভ কৰা কীৰ্তিমান বিদ্যাৰ্থীৰ লগতে মক্তবৰ ৯০ শতাংশ উৰ্ধৰ নম্বৰ লাভ কৰা প্ৰায় দুশ গৰাকী ছাত্ৰ-ছাত্ৰীক একোখনকৈ ফুলাম গামোচা, মানপত্ৰ আদিৰে সম্বৰ্ধনা জনোৱা হয়। দলগাওঁ সমষ্টিৰ বেচিমাৰী পৰিদৰ্শন বঙলা প্ৰেক্ষাগৃহত দ্বীনি তালিম বৰ্ডৰ দৰঙৰ সভাপতি মৌলানা আব্দুল বাতেনৰ সভাপতিত্বত অনুষ্ঠিত সম্বৰ্ধনা অনুষ্ঠানত উপস্থিত থাকি অসম ৰাজ্যিক জমিয়ত উলামাৰ সাধাৰণ সম্পাদক মৌলানা কৰিম উদ্দিন আহমেদে তেওঁৰ ভাষণ প্ৰসংগত কয়, "ভাৰতত সাম্প্ৰদায়িকতাৰ বীজ বিয়পাই দিবলৈ পেহেলগামত চিৰশত্ৰু পাকিস্তানে সন্ত্ৰাসবাদীৰ দ্বাৰা আক্ৰমণ কৰা কাৰ্যক গৰিহণা দিছো। পাকিস্তানৰ নাপাক মনোবাঞ্ছা কেতিয়াও বাস্তৱত পৰিণত নহ'ব। তেওঁ ভাষণ প্ৰসংগত ভাৰতৰ স্বাধীনতা আন্দোলনৰ সময়ত জমিয়তৰ বলিদানক লৈ মূল্যবান বক্তব্য প্ৰদান কৰে। কীৰ্তিমান ছাত্ৰ-ছাত্ৰীসকলক দেশৰ একো একোজন ভৱিষ্যত সম্পদ বুলি আখ্যায়িত কৰি কয় যে, প্ৰত্যেকজন কীৰ্তিমান ছাত্ৰ-ছাত্ৰীয়ে ভৱিষ্যত ডাঙৰ ডাঙৰ মানুহ হৈ দেশৰ নাম উজ্জীৱিত কৰিব।" সম্বৰ্ধনা অনুষ্ঠানটোত পেহেলগামত সন্ত্ৰাসবাদীৰ গুলীত নিহত শ্বহীদৰ আত্মাৰ সদ্গতিৰ হকে দোৱা কৰা হয়। অনুষ্ঠানটোত দ্বীনি তালিম বৰ্ডৰ সঞ্চালক মৌলানা আব্দুল কাদিৰ, দৰং জমিয়তৰ সভাপতি মৌলানা আবু বক্কৰ চিদ্দিক, সমাজ সংস্কাৰ দৰং জিলা সমিতিৰ সভাপতি মুক্তাৰুল ইছলাম, দ্বীনি তালিম বৰ্ডৰ দৰঙৰ সাধাৰণ সম্পাদক মৌলানা বাহাৰুল ইছলাম, সদ্য নিৰ্বাচিত বেচিমাৰী জিলা পৰিষদৰ সদস্য মহিবুদ্দিন আহমেদ, সমাজ সেৱক আইনুল হক, দৰং জমিয়তৰ উপ সভাপতি মৌলানা নুৰুল আমিন, প্ৰাক্তন সভাপতি মৌলানা আবুল হুছেইন, সাধাৰণ সম্পাদকদ্বয় মৌলানা আব্দুল ওৱাকিল, ইমদাদুল ইছলাম, মৌলানা আব্দুল হামিদ প্ৰমুখ্যে কেবাজনো বিশিষ্ট অতিথিসকলে উপস্থিত থাকি কীৰ্তিমান ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি বহু মূল্যবান বক্তব্য প্ৰদান কৰে।

# অসম-নাগালেণ্ডৰ সমন্বয়েৰে ইয়ংলকত সাংস্কৃতিক বিনিময় কাৰ্যসূচী

**ই-সংবাদ, নাজিৰা, ১৯ মে':** অসম-নাগালেণ্ড সীমান্তৱৰ্তী এলেকাৰ প্ৰান্তে প্ৰান্তে দুয়োখন ৰাজ্যৰ সীমাক লৈয়ে প্ৰধানত নগা জনগোষ্ঠী আৰু অসমীয়াৰ মাজত সংঘাত দীৰ্ঘদিন ধৰি চলি অহাৰ সময়তে ১৮ মে'ত নাগালেণ্ডৰ লংলেং জিলা প্ৰশাসন আৰু ভিলেজ কাউঞ্চিলৰ উদ্যোগত দুয়োখন ৰাজ্যৰ মাজত সমন্বয় সাঁকো সুদৃঢ় কৰি ৰখাৰ প্ৰয়াসেৰে সাংস্কৃতিক বিনিময়ৰ এক ব্যতিক্ৰমী কাৰ্যসূচী অনুষ্ঠিত হয়। দুয়োখন ৰাজ্যৰ জনগণৰ মাজৰ সাতামপুৰুষীয়া ঐক্য, সম্প্ৰীতি, সম্পৰ্ক, ব্যৱসায়-বাণিজ্য আৰু সমন্বয় অধিক দৃঢ় কৰাৰ বাবেই লংলেং জিলাৰ ইয়ংলক ৰাজহুৱা খেলপথাৰত এই অসম-নাগালেণ্ড সাংস্কৃতিক বিনিময় শীৰ্ষক বিশেষ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে বুলি অনুষ্ঠানত আদৰণি ভাষণ প্ৰসংগত লংলেং বিধানসভা সমষ্টিৰ বিধায়ক এ ফংচি ফমে ব্যক্ত কৰে। অনুষ্ঠানত অসমৰ হৈ নাজিৰা বিধানসভা সমষ্টিৰ বিধায়ক তথা অসম বিধানসভাৰ বিধায়িনী দলৰ দলপতি দেৱব্ৰত শইকীয়াই বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি ভাষণ প্ৰসংগত দুয়োখন ৰাজ্যৰ সাতামপুৰুষীয়া ঐক্য-সম্প্ৰীতি, সম্পৰ্কৰ দিশত বহুল বক্তব্য দাঙি ধৰে। নাগালেণ্ডৰ তামলু সমষ্টিৰ বিধায়ক বি বাংতিক ফম, লংলেং বিধানসভা সমষ্টিৰ বিধায়ক এ পংশী ফম, অসমৰ থাওৰা সমষ্টিৰ প্ৰাক্তন বিধায়ক কুশল দুৱৰী, অসমৰ টাই আহোম উন্নয়ন পৰিষদৰ অধ্যক্ষ ময়ূৰ বৰগোহাঁই, লংলেং জিলাৰ আয়ুক্ত ডব্লিউ মানপাই ফম, শিৱসাগৰ জিলা আয়ুক্ত আয়ুষ গৰ্গ আদিকে ধৰি দুয়োখন ৰাজ্যৰ উচ্চ পদস্থ প্ৰশাসনীক বিষয়াই অতিথি হিচাপে অংশগ্ৰহণ কৰে। কাৰ্যসূচীত অসমৰ বিহু হুঁচৰি আৰু জেং বিহুৰ নৃত্যৰ লগতে নাগালেণ্ডৰ পং সাংস্কৃতিক দল, তামলু ভিলেজ, নামচাং, কাংচিং আদিৰ পুৰুষ-মহিলাৰ ঐতিহ্যমণ্ডিত লোক নৃত্যৰ মাধ্যমেৰে নিজৰ সংস্কৃতি প্ৰদৰ্শন কৰে। এই সাংস্কৃতিক মিলনে দুয়োখন ৰাজ্যৰ সাংস্কৃতিক পাৰস্পৰিক বুজাপৰা আৰু ভাতৃত্ববোধৰ এক সমন্বয়ৰ সুন্দৰ পৰিৱেশ সূচনা কৰে।

# গাঁও পঞ্চায়ত গঠনক লৈ আৰম্ভ কূট-কৌশল, সভাপতি আসনৰ দৰ-দাম

## কলগাছিয়াত ৭ ৱাৰ্ড সদস্যৰ অগপত যোগদান

**ই-সংবাদ, কলগাছিয়া, ১৯ মে':** মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই পঞ্চায়ত গঠনৰ দিন ঘোষণা কৰাৰ পিছতেই গাঁও পঞ্চায়ত গঠনক লৈ বিভিন্ন কূট কৌশল ৰচনা কৰিছে নিৰ্বাচিত ৱাৰ্ড মেম্বৰসকলে। একাংশ পঞ্চায়ত সদস্যই সভাপতিৰ আসন দখল কৰিবলৈ লাখ লাখ টকা খৰচ কৰি সদস্য ক্ৰয় কৰিবলৈ উঠি পৰি লাগিছে। এনে সময়ত ৪০ নং কলগাছিয়া গাঁও পঞ্চায়তৰ সভাপতিৰ আসন দখল কৰিবলৈ কলগাছিয়া ৮ নং খণ্ডৰ সদস্য মোস্তাক মহম্মদ মেহেদিৰ নেতৃত্বত ৭ গৰাকীকৈ নিৰ্বাচিত ৱাৰ্ড সদস্যই সোমবাৰে অসম গণ পৰিষদ দলত আনুষ্ঠানিকভাৱে যোগদান কৰে। মন কৰিবলগীয়া যে, জনীয়া সমষ্টিৰ বিধায়ক ডঃ হাফিজ ৰফিকুল ইছলামৰ গৃহ পঞ্চায়ত ৪০ নং কলগাছিয়া গাঁও পঞ্চায়তখন অগপ দলে দখল কৰাটো প্ৰায় নিশ্চিত হৈ পৰিছে। পঞ্চায়তৰ ৱাৰ্ড সদস্যসকল নিৰ্দলীয়ভাৱে নিৰ্বাচিত হৈছিল যদিও টকাৰ লোভত ভোটাৰ ৰাইজক বুঢ়া আঙুলি দেখুৱাই ৬/৭ লাখ টকাত নিজকে বিক্ৰী কৰি এজনক সভাপতি বনোৱাৰ স্বাৰ্থত অসম গণ পৰিষদ দলত আনুষ্ঠানিক যোগদান কৰা বুলি ৰাইজে অভিযোগ উত্থাপন কৰিছে। এই ঘটনাক কেন্দ্ৰ কৰি কলগাছিয়াত সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়াৰ। জানিব পৰা মতে, ৪০ নং কলগাছিয়া গাঁও পঞ্চায়তৰ অন্তৰ্গত ১ নং খণ্ডৰ নাজমা খাতুন, ৩ নং খণ্ডৰ ছালেহা খাতুন, ৪ নং খণ্ডৰ জাকিৰ হুছেইন, ৫ নং খণ্ডৰ ছাইফুল ইছলাম খান, ৬ নং খণ্ডৰ শিৰাজুল হক, ৮ নং খণ্ডৰ সদস্য মোস্তাক মহম্মদ মেহেদি আৰু ১০ নং খণ্ডৰ সদস্য সাহানাজ পাৰবীনে সোমবাৰে বৰপেটাস্থিত অসম গণ পৰিষদৰ মুখ্য কাৰ্যালয়ত অগপৰ বৰপেটা জিলা সভাপতি গুনিন্দ্ৰ নাথ দাস আৰু ৰাজ্যিক উপ-সভাপতি তাৰা প্ৰসাদ দাসৰ উপস্থিতিত আনুষ্ঠানিকভাৱে অগপত যোগদান কৰে। ফলত ৮ নং খণ্ডৰ সদস্য মোস্তাক মহম্মদ মেহেদিয়ে ৪০ নং কলগাছিয়া গাঁও পঞ্চায়তৰ সভাপতি হোৱাটো প্ৰায় নিশ্চিত হৈ পৰিছে। ইফালে, নিৰ্বাচনত জয়ী হোৱাৰ পিছত ৰাইজৰ কাম কৰিব বুলি ভোটাৰ ৰাইজে আশা কৰিছে যদিও কোটি টকা খৰচ কৰি সভাপতিৰ আসন দখল কৰা প্ৰতিনিধিয়ে দুৰ্নীতি নকৰাকৈ এই বৃহৎ সংখ্যক টকা কেনেকৈ তুলিব বুলি ভোটাৰ ৰাইজে প্ৰশ্ন উত্থাপন কৰিছে। সেয়ে পঞ্চায়তত যাতে দুৰ্নীতি সংঘটিত নহয়, তালৈ লক্ষ্য ৰাখিবলৈ অসম চৰকাৰক আহ্বান জনাইছে ভোটাৰ ৰাইজে।

# বৰপথাৰৰ টেঙানিত পিস্তলসহ এজনক আটক

**ই-সংবাদ, সৰুপথাৰ, ১৯ মে':** সৰুপথাৰ সমজিলাৰ অন্তৰ্গত বৰপথাৰৰ ২ নং টেঙানিত কালি পিস্তলসহ দুলন লাহন নামৰ এজন যুৱকক আৰক্ষীয়ে আটক কৰাৰ বাতৰিয়ে অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে গোপন সূত্ৰৰ খবৰৰ ভিত্তিত সমজিলাখনৰ আৰক্ষীৰ এটা দলে উক্ত লোকজনৰ বাসগৃহত অভিযান চলাই দেশতে নিৰ্মিত পিস্তলটোৰ লগতে দুজাঁই সজীৱ গুলী উদ্ধাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে ইতিমধ্যে তদন্ত আৰম্ভ কৰিছে।

# দেওমৰনৈত পুখুৰীত পৰিল বাহন, কথমপি প্ৰাণ ৰক্ষা চাৰিজনৰ

**ই-সংবাদ, দুনী, ১৯ মে':** দেওমৰনৈত সংঘটিত হয় এক ভয়ংকৰ দুৰ্ঘটনা। দৰঙৰ দেওমৰনৈ বড়িগাঁও পথত সংঘটিত হয় এই দুৰ্ঘটনা। নিয়ন্ত্ৰণ হেৰুৱাই পথৰ পৰা চাৰিচকীয়া বাহন সোমাই পৰে পুখুৰীত। পথৰ দুৰৱস্থাৰ বাবেই এই ঘটনা সংঘটিত হোৱা বুলি অভিযোগ কৰিছে স্থানীয় ৰাইজে। উল্লেখ্য যে বড়িগাঁৱৰ বেংক বিষয়া কৌশিক বৈশিষ্ঠই নিজৰ চাৰিচকীয়া বাহনত পত্নীসহ দুই সন্তানক বিদ্যালয়লৈ লৈ গৈ থকা সময়ত এই দুৰ্ঘটনা সংঘটিত হয়। ঘটনাটোত বেংক বিষয়া, পত্নীসহ দুই সন্তানৰ কথমপি প্ৰাণ ৰক্ষা পৰে। দুৰ্ঘটনাগ্ৰস্ত বাহনখনৰ নম্বৰ হ'ল AS-13 K-7503। স্থানীয় ৰাইজে তৎপৰতাৰে চাৰিওজনকে উদ্ধাৰ কৰে। পথটো মেৰামতি তথা উন্নয়নৰ বাবে স্থানীয় ৰাইজে পঞ্চায়ত তথা স্থানীয় বিধায়কগৰাকীক বাৰম্বাৰ আবেদন নিবেদন কৰিছিল যদিও স্থানীয় বিধায়ক ডঃ পৰমানন্দ ৰাজবংশীয়ে কোনো গুৰুত্ব প্ৰদান কৰা নাছিল। ইয়াকে লৈ আজি তীব্ৰ ক্ষোভ উজাৰে অঞ্চলটোৰ ৰাইজে।

# বৰপেটাৰোডত বৃহৎ পৰিমাণৰ ড্ৰাগছসহ জালত পৰিল দুই সৰবৰাহকাৰী

**ই-সংবাদ, বৰপেটাৰোড, ১৯ মে':** শেহতীয়াকৈ বৰপেটাৰোডৰ আৰক্ষীয়ে নিষিদ্ধ ড্ৰাগছৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে। আজি নিশা বৰপেটাৰোড আৰক্ষীৰ অভিযানত বৃহৎ পৰিমাণৰ ড্ৰাগছসহ দুই সৰবৰাহকাৰী আটক হয়। নিশা বৰপেটাৰোড আৰক্ষীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া শ্যামল জ্যোতি শইকীয়াৰ নেতৃত্বত যোৱা আৰক্ষীৰ দলে এক গোপন সূত্ৰৰ ভিত্তিত অভিযান চলাই আটক কৰে দুই সৰবৰাহকাৰীক। সৰবৰাহকাৰী দুটা বৰপেটাৰোডৰ মণিপুৰৰ মৈজুদ্দিন আলী আৰু উত্তৰ আঠিয়াবাৰীৰ জেহেৰুল ইছলাম। সৰবৰাহকাৰী দুটাৰ পৰা বৃহৎ পৰিমাণৰ সন্দেহযুক্ত হেৰ'ইনৰ পেকেট সহ ৬৬টা কন্টেইনাৰ আৰু ইনচুলিন চিৰিঞ্জ জব্দ কৰে। সম্প্ৰতি অধিক তথ্যৰ বাবে গ্ৰেপ্তাৰ কৰা সৰবৰাহকাৰী দুটাক জেৰা অব্যাহত ৰাখিছে বৰপেটাৰোড আৰক্ষীয়ে।

# সোনাহাট আন্তৰ্জাতিক বাণিজ্য কেন্দ্ৰত বন্ধ বাংলাদেশী সামগ্ৰীৰ আমদানি

**ই-সংবাদ, গোলকগঞ্জ, ১৯ মে':** বাংলাদেশ চৰকাৰৰ মুখ্য উপদেষ্টা মহম্মদ ইউনুছ উত্তৰ পূৰ্বাঞ্চলৰ বিৰুদ্ধে বাৰে বাৰে বিষোদগাৰ মন্তব্য প্ৰকাশ কৰি অৱশেষত দিল্লীৰ ৰোষত পৰিছে। কেন্দ্ৰীয় চৰকাৰে বাংলাদেশৰ পৰা স্থল পথেৰে বিভিন্ন সামগ্ৰীৰ আমদানি বন্ধ কৰি দিয়ে। ইয়াৰ লগে লগে যোৱা ১৭ মে'ৰ পৰা ধুবুৰী জিলাৰ গোলকগঞ্জৰ ভাৰত বাংলাদেশ সীমান্তৰ সোনাহাট আন্তৰ্জাতিক বানিজ্য কেন্দ্ৰৰে বন্ধ হৈ পৰিছে বাংলাদেশৰ পৰা বিভিন্ন সামগ্ৰীৰ আমদানি। উল্লেখ্য যে বাংলাদেশৰ পৰা সোনাহাট আন্তৰ্জাতিক বানিজ্য কেন্দ্ৰৰে নিতৌ বাংলাদেশৰ পৰা ৰেডিমেড কাপোৰ, আঠুৱা, কপাহ, কপাহৰে প্ৰস্তুত কৰা সামগ্ৰী প্লাষ্টিকৰ সামগ্ৰী, প্লাইউদ কেচা সামগ্ৰী আদি নিতৌ ট্ৰাকেৰে বাংলাদেশৰ পৰা আমদানি হয়। আমদানি বন্ধ হ'লেও কিন্তু প্ৰভাৱ পৰা নাই ৰপ্তানিৰ ক্ষেত্ৰত। ট্ৰাকে ট্ৰাকে শিল কঢ়িওৱা ট্ৰাক বাংলাদেশলৈ গৈ আছে। বাংলাদেশত শ্বেখ হাছিনা চৰকাৰৰ পতনৰ পিছত এটাৰ পিছত এটাকৈ ভাৰত বিৰোধী মন্তব্য কৰি অহা বাংলাদেশ চৰকাৰৰ মুখ্য উপদেষ্টাগৰাকীয়ে শেহতীয়াকৈ বেইজিঙত দম্ভালি মাৰি কৈছিল, "উত্তৰ পূৱ ভাৰতৰ কোনো নদী বন্দৰ নাই। আমি সাগৰৰ একমাত্ৰ অভিভাৱক। " তেঁওৰ এনে দম্ভালিৰ যোগ্য প্ৰত্যুত্তৰ হিচাপে ভাৰত চৰকাৰে বাংলাদেশৰ পাৰা স্থলপথেৰে আমদানি বন্ধৰ নিৰ্দেশ দিয়ে। ইয়াৰ ফলত বাংলাদেশৰ কোম্পানী আৰু ব্যৱসায়ীসকল আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হব বুলি ভাৰতীয় আমদানি-ৰপ্তানিকাৰী ব্যৱসায়ীসকলৰ লগতে বজাৰ বিশেষজ্ঞসকলে মন্তব্য কৰিছে।

# তিনিচুকীয়াৰ শুকানপুখুৰীত দুৰ্ঘটনাত আহত ৪

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ১৯ মে':** আজি বাণিজ্যিক চহৰ তিনিচুকীয়াৰ সমীপৰ ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ শুকানপুখুৰীত এক পথ দুৰ্ঘটনা সংঘটিত হয়। দুৰ্ঘটনাত চাৰিজন লোক আহত হোৱাৰ বিষয়ে জানিব পৰাৰ লগত ইয়াৰে এজনৰ অৱস্থা সংকটজনক বুলি জানিব পৰা গৈছে । ঘটনাৰ বিৱৰণী মতে, তিনিচুকীয়াৰ পৰা মাকুম অভিমুখে আহি থকা এ এছ-২৩ আৰ-৫৮৯৮ নম্বৰৰ হুণ্ডাই য়ন গাড়ীখনৰ সৈতে মাকুমৰ পৰা তিনিচুকীয়া অভিমুখে গৈ থকা এ এছ-২৩ ই-৮০৬০ নম্বৰৰ অটোখনৰ মুখামুখি সংঘৰ্ষ হয়। ফলত দুয়োখন বাহনৰ দুগৰাকীকৈ মুঠ চাৰিজন আৰোহী আঘাতপ্ৰাপ্ত হয় । আঘাতপ্ৰাপ্তসকলক ততাতৈয়াকৈ সমীপৰ মাকুমস্থিত তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়লৈ নিয়া হয় যদিও এজনৰ অৱস্থা সংকটজনক হোৱা হেতুকে ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে।

# ডিমাপুৰলৈ গৈ থকা অৱস্থাত সন্ধানহীন লাহৰীঘাটৰ যুৱক



**ই-সংবাদ, লাহৰীঘাট, ১৯ মে':** মৰিগাঁও জিলাৰ লাহৰীঘাট থানাৰ অধীনস্থ টেঙাগুৰি এজন যুৱক সন্ধানহীন। ১০ দিন ধৰি সন্ধানহীন হোৱা ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে অঞ্চলটোত। লাহৰীঘাটৰ টেঙাগুৰি গাঁৱৰ ছাদিকুল হক নামৰ যুৱকজন কৰ্মসূত্ৰে ডিমাপুৰত থাকে। যোৱা ৬ তাৰিখে ভোটদান কৰাৰ উদ্দেশ্যে নিজ গৃহ টেঙাগুৰিলৈ আহিছিল। পিছত যোৱা ৯ মে'ত যুৱকজন ডিমাপুৰলৈ যোৱাৰ উদ্দেশ্যে ঘৰৰ পৰা ওলাই গৈছিল। সেইদিনাৰ পৰা যুৱক জনৰ লগত পৰিয়ালৰ যোগাযোগ বিচ্ছিন্ন হয়। বহু বিচাৰ-খোঁচাৰ কৰিও যুৱকজনৰ সন্ধান নাপাই পিছদিনা পৰিয়ালৰ লোক লাহৰীঘাট আৰক্ষী থানাত যুৱকজন নিৰুদ্দেশ হোৱা বুলি জাননী দিয়ে। লগতে পৰিয়ালৰ লোকে ডিমাপুৰৰ এখন থানাত নিৰুদ্দেশৰ জাননী দিয়ে। কিন্তু ১০ দিন উকলি যোৱাৰ পিছতো যুৱকজনৰ কোনো সন্ধান ওলাব পৰা নাই আৰক্ষী-প্ৰশাসনে। পৰিয়ালৰ লোকৰ সন্দেহ কোনোবাই ডিমাপুৰ যোৱা পথত অপহৰণ কৰিছে। যুৱকজনৰ সন্ধান কৰিবলৈ পৰিয়ালৰ লোকে আৰক্ষী-প্ৰশাসনৰ লগতে মুখ্যমন্ত্ৰীক কান্দি কান্দি অনুৰোধ জনায়। কাৰণ পৰিয়ালটোৰ একমাত্ৰ উপাৰ্জনকাৰী হোৱা বাবে যুৱকজন সন্ধানহীন হোৱাত পৰিয়ালৰ মাজত হাহাকাৰময় পৰিস্থিতিৰ সৃষ্টি হৈছে। কোনোবা সদাশয় ব্যক্তিয়ে যদি যুৱকজনৰ সন্ধান পায় ৯৩৬৫৮১৫১০৮ আৰু ৮৭৩২৮৭২০৬২ নম্বৰত যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে।

# মুছলপুৰত স্কুটি বিচাৰি প্ৰতিবাদ ছাত্ৰীৰ

**ই-সংবাদ, মুছলপুৰ, ১৯ মে':** প্ৰজ্ঞান ভাৰতী আঁচনিৰ স্কুটি বিচাৰি আজি বাক্সাৰ সদৰ মুছলপুৰত একাংশ ছাত্ৰীয়ে প্ৰতিবাদ সাব্যস্ত কৰে। 'মামা আমাক স্কুটি লাগে', 'পূৰ্বৰ আঁচনি বাহাল ৰাখক', 'আমাৰ লগত অন্যায় নকৰিব' ইত্যাদি ধ্বনি দি মুছলপুৰ দুৰ্গা মন্দিৰ প্ৰাংগণৰ পৰা ছাত্ৰীসকলে তেওঁলোকৰ প্ৰাপ্য দাবী কৰে। উল্লেখ্য যে উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ৮০ শতাংশ নম্বৰ প্ৰাপ্ত ছাত্ৰ-ছাত্ৰীয়েহে স্কুটি পাব বুলি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰিছিল। তাৰ পাছতে হতাশ হৈ পৰিছে একাংশ ছাত্ৰ-ছাত্ৰী। কিয়নো পূৰ্বতে ৬০শতাংশ নম্বৰৰ পৰা দিছিল এই আঁচনিৰ সুবিধা। সেয়ে পূৰ্বৰ সিদ্ধান্ত বাহাল ৰখাৰ বাবে মুখ্যমন্ত্ৰীক এইসকল প্ৰতিবাদকাৰী ছাত্ৰীয়ে আহ্বান জনাইছে।

# উত্তৰ গুৱাহাটীত কামৰূপ জিলা ভিত্তিত 'ৰেপিড দবা' খেল, শ্ৰেষ্ঠ স্থান লাভ চোহান পাটিৰ

**ই-সংবাদ, গুৱাহাটী, ১৯ মে':** নৰ্থ গুৱাহাটী চেচ্ এচোছিয়েশ্যনৰ উদ্যোগত আৰু আউনীআটী কমলদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহযোগত কালি বৃহত্তৰ কামৰূপ জিলা ভিত্তিত এখন মুকলি "ৰেপিড দবা" খেল প্ৰতিযোগিতা অনুষ্ঠিত হৈ যায়। প্ৰতিযোগিতাৰ মুকলি শাখাত প্ৰথম স্থান লাভ কৰে চোহান পাটিয়ে। দ্বিতীয়, তৃতীয়, চতুৰ্থ, পঞ্চম, ষষ্ঠ আৰু সপ্তম স্থান লাভ কৰে ক্ৰমে জিতাব্ৰত নাথ, উদ্দীপ্ত বুঢ়াগোহাঁই, কমল ডেকা, চয়াংক তহবিলদাৰ, স্বস্তিক ৰঞ্জন কলিতা আৰু চন্দনেশ্বৰ গোস্বামীয়ে। ১৫ বছৰ তলত প্ৰথম, দ্বিতীয়, তৃতীয়, চতুৰ্থ আৰু পঞ্চম স্থান লাভ কৰে ক্ৰমে প্ৰিয়াঞ্চু শইকীয়া, জিষ্ণু ডেকা, শুভম কাশ্যপ, ৰাজন্য শেখৰ পাল, প্ৰজ্ঞান জ্যোতি বৰুৱাই। ১৩ বছৰ তলত প্ৰথম, দ্বিতীয়, তৃতীয়, আৰু চতুৰ্থ স্থান লাভ কৰে ক্ৰমে নিহাৰ দাস, অভিজ্ঞান পদ্মনাভ হাজৰিকা, আদিশ কলিতা আৰু অঞ্চিত নেৱাৰে। ৯ বছৰ তলত প্ৰথম আৰু দ্বিতীয় স্থান লাভ কৰে ক্ৰমে জিয়াচ গগৈ আৰু ম্ৰিগাচ দাসে। ছোৱালীৰ শাখাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে ক্ৰমে ভৰ্চিতা চহৰীয়া, হিমাদ্ৰী ৰাজবংশী আৰু দিম্পী শইকীয়াই। বৰ্ষীয়ান শাখাত প্ৰথম স্থান লাভ কৰে মুনিন্দ্ৰ দাসে। প্ৰতিযোগিতাৰ অন্তত নৰ্থ গুৱাহাটী চেচ্ এচোছিয়েশ্যনৰ সভাপতি সৌৰভ কুমাৰ বৰকাকতিৰ সঞ্চালনাত অনুষ্ঠিত আৰু ভাৰ্বিনা বৰকাকতিয়ে আঁতধৰা বঁটা বিতৰণী সভাত বঁটা বিতৰণ কৰে গুৱাহাটী আই আই টিৰ অধ্যাপক ড০ অৰূপ কুমাৰ শইকীয়া, আউনীআটী কমলদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষা পূৰবী ভৰালী, উত্তৰ গুৱাহাটী চেন্ট এন্থনী স্কুলৰ ফাদাৰ এচ ৰাজু'ৱে। প্ৰতিযোগিতাৰ বিচাৰক নীতিশ পৰ্বত, সভাপতি সৌৰভ কুমাৰ বৰকাকতি, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক তথা আয়োজক সমিতিৰ সমন্বয়ক ড০ ঈশাংকুৰ শইকীয়াউ, এচোছিয়েশ্যনৰ সম্পাদক চিত্তৰঞ্জন চাংকাকতি উত্তৰ গুৱাহাটী সাহিত্য সভাৰ সভাপতি ৰমেন নাথ, বিশিষ্ট খেলুৱৈ দিগন্ত বৰা সমাজকৰ্মী দিলীপ বৰাই। ইয়াৰ আগেয়ে প্ৰতিযোগিতা খন বন্তি প্ৰজ্বলন কৰি মুকলি কৰে গুৱাহাটী আই আই টিৰ অধ্যাপক ড০ অৰূপ কুমাৰ শৰ্মাই। সভাত নৰ্থ গুৱাহাটী চেচ্ এচোছিয়েশ্যনৰ সমন্বয়ক দিবাকৰ নেৱাৰ, ৰঞ্জন কলিতাকে ধৰি সন্থাৰ সমূহ বিষয়ববীয়া উপস্থিত থাকে।



আইপিএল ২০২৫: আকৌ ব্যৰ্থতা! হায়দৰাবাৰ বিৰুদ্ধে পেভিলিয়নমুখী এলএছজিৰ কেপ্টেইন ঋষভ পণ্ট

## ভাৰত-পাকিস্তান সংঘাতৰ বাবে ক্ৰিকেটক লৈ উৰা বাতৰি!

# ভাৰতে এছিয়া কাপ নেখেলে বুলি প্ৰচাৰিত খবৰ খাৰিজ ক্ৰিকেট ব'ৰ্ডৰ

**নতুন দিল্লী, ১৯ মে':** এছিয়া কাপ বৰ্জন কৰিলে নেকি ভাৰতে? সোমবাৰে পুৱাৰে পৰা বিভিন্ন মহলত এনে উৰাবাতৰি বিয়পি পৰিছে। আনহাতে, ভাৰতে কেৱল পুৰুষৰ দলৰ পৰাই নহয়, জুন মাহত অনুষ্ঠিত হ'বলগীয়া মহিলা ইমাৰ্জিং টীমৰ এছিয়া কাপৰ পৰাও নিজৰ নাম প্ৰত্যাহাৰ কৰা বুলিও খবৰ ওলাইছে। কিন্তু বিচিচিআইৰ সচিব দেৱজিৎ শইকীয়াই এই সকলোবোৰ প্ৰতিবেদন 'সম্পূৰ্ণ ভিত্তিহীন' বুলি উলাই কৰে। তেওঁ স্পষ্ট কৰি দিছে যে এছিয়া কাপৰ পৰা ভাৰতক প্ৰত্যাহাৰ কৰাৰ কোনো সিদ্ধান্ত ব'ৰ্ডে লোৱা নাই। ইয়াৰ উপৰিও ভাৰতীয় ক্ৰিকেট ব'ৰ্ডে এছিয়ান ক্ৰিকেট পৰিষদলৈ কোনো পত্ৰ প্ৰেৰণ কৰা নাই। শইকীয়াই কয় যে ৰাতিপুৱাৰ পৰাই ভাৰতে এছিয়া কাপত অংশগ্ৰহণ নকৰে বুলি উৰাবাতৰি চলি আহিছে। একেদৰে মহিলাৰ ইমাৰ্জিং টীমটোৱেও খেলিব নোৱাৰিব বুলি কোৱা হৈছে। এই সকলোবোৰ উৰাবাতৰিৰ কোনো ভিত্তি নাই। এই মুহূৰ্তত আমি কেৱল আই পি এল আৰু জুন মাহত ইংলেণ্ডৰ বিৰুদ্ধে অনুষ্ঠিত হ'বলগীয়া পুৰুষ আৰু মহিলাৰ শৃংখলাৰ কথাহে চিন্তা কৰিছো। তেওঁ আৰু কয়, "কোৱা হৈছে যে আমি এছিয়া কাপত খেলিব নালাগে বুলি এচিচিলৈ পত্ৰ লিখিছো। এইটো একেবাৰে সঁচা নহয়। বিচিচিআইয়ে কোনো পত্ৰ লিখা নাই। আৰু এছিয়া কাপৰ সন্দৰ্ভত এতিয়াও ব'ৰ্ডত কোনো আলোচনা হোৱা নাই।" উল্লেখ্য যে, চলিত বৰ্ষৰ ছেপ্টেম্বৰ মাহত ভাৰতত অনুষ্ঠিত হোৱাৰ কথা পুৰুষৰ এছিয়া কাপ। এই প্ৰেক্ষাপটত এছিয়া কাপ বৰ্জনৰ উৰাবাতৰিৰ ওপৰত বিচিচিআইৰ সচিবৰ স্পষ্ট বাৰ্তা - এনে 'ভিত্তিহীন প্ৰতিবেদন'ৰ দ্বাৰা বিভ্ৰান্ত হোৱাৰ কোনো কাৰণ নাই। লগতে এচিচিৰ অনুষ্ঠান সন্দৰ্ভত সিদ্ধান্ত যথা সময়ত ঘোষণা কৰা হ'ব বুলিও তেওঁ আশ্বাস দিয়ে। বিচিচিআইৰ সচিব দেৱজিত শইকীয়াৰ এই মন্তব্যই ভাৰতৰ স্থিতি স্পষ্ট কৰিছে।

ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD, JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
BCA
DCA
PGDCA
DTP
ADCA
MONTESSORY TEACHER TRAINING COURSE
LESSON PLANS
PRESENTATION CLASS
INTERVIEW SESSION
MOTOR SKILL DEVELOPMENT
HOW TO CREATE PROFESSIONAL BIO DATA
PLACEMENT 100% GUARANTEE
CONTACT US +91 78965-45243
ADMISSION GOING ON

বিকল্প মিডিয়াৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ +৯১ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি